## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006


| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahityaa Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha, Jorhat |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104+3+79+3+47+3+64 | Genre: Magazine |
| Volumes: 30 - 9 issues | Condition of the original: Not good |
| Remarks: ৪৬শ: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

৮ম সংখ্যা ॥ আঘোণ



সম্পাদক : হেমন্তকুমাৰ শৰ্মা

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম ভাগত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০'০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি এপিঠিত ফট্‌ফটিয়াকৈ লিখি "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জেঁাটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, গল্প, মৌলিক আলোচনা আদিয়ে ঠাই পাব। প্ৰবন্ধাদি চুটি হোৱাটো বাঞ্ছনীয়।

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকা-পইচা "প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১ বা ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১" এই ঠিকনাত পঠাব।

৭। বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব।


### অসম সাহিত্য সভা পত্ৰিকাৰ কাৰণে

অসমৰ বিভিন্ন ঠাইত বিজ্ঞাপন-সংগ্ৰহ আৰু পত্ৰিকা-বিক্ৰীৰ বাবে এজেণ্টৰ প্ৰয়োজন। এজেণ্টসকলক উচ্চ হাৰত কমিচন দিয়া হয়। তলৰ ঠিকনাত যোগাযোগ কৰক।

সহকাৰী সম্পাদক,
অসম সাহিত্য সভা,
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১


# অসম সাহিত্য সভা পত্ৰিকা


ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

৮ম সংখ্যা ॥ আঘোণ



নং ৫৩৯৯-৫৪০৭/স.


অসম সাহিত্য সভা


সম্পাদক : হেমন্তকুমাৰ শৰ্মা

**অসম সাহিত্য সভা পত্ৰিকা**

ত্ৰিংশ বছৰ, ৮ম সংখ্যা, আঘোণ

১৮৯৫ শক ॥ ১৯৭৪ চন

প্ৰকাশক :

**শ্ৰীনগেন শইকীয়া**

প্ৰধান সম্পাদক,

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় :

**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**

যোৰহাট—১

গুৱাহাটী কাৰ্যালয় :

**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**

গুৱাহাটী—১

বেটুপাত : ( অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সৌজন্যত )

ছপাশাল :

**পূৰ্বদেশ মুদ্ৰণ**

ৰিহাবাৰী,

গুৱাহাটী-৮

বেচ—২'০০ টকা

# সূচীপত্ৰ

| বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|
| ১। মোক্ষ আৰু ৰসময়ী ভক্তি | ॥ ১ ॥ | শ্ৰীৰমণীকান্ত শৰ্মা |
| ২। কালিদাসৰ ওপৰত অশ্বঘোষৰ প্ৰভাৱ | ॥ ৫ ॥ | শ্ৰীমনোৰঞ্জন শাস্ত্ৰী |
| ৩। অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যা | ॥ ১০ ॥ | শ্ৰীসুবোধ চন্দ্ৰ শৰ্মা |
| ৪। মৰমে মৰম নিগৰে (গল্প) | ॥ ১৬ ॥ | শ্ৰীযদু বৰপূজাৰী |
| ৫। মিজোৰাম | ॥ ২০ ॥ | শ্ৰীনগেন্দ্ৰ চন্দ্ৰ দত্ত |
| ৬। গিৰীশ বৰুৱা—মানুহজন | ॥ ২৫ ॥ | লক্ষীনাথ দাস |
| ৭। সাহিত্য সংবাদ : ৱৰ্ডছ্‌ৱৰ্থৰ দৃষ্টিভঙ্গীত | ॥ ৩১ ॥ | শ্ৰীপদ্মৰাম শাইলে |
| কবি আৰু কবিতা | ॥ ৩৫ ॥ | শ্ৰীগিৰিধৰ শৰ্মা |
| ৮। অসম সাহিত্য সভাৰ সমবায় কেন্দ্ৰৰ | ॥ ৪১ ॥ | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| প্ৰথম আলোচনা সভা | ॥ ৪৫ ॥ | |
| ৯। এৰা বোটলা যৎকিঞ্চিৎ | ॥ ৪৮ ॥ | |
| ১০। পোৱা পুথিৰ চিনাকি | | |
| ১১। সম্পাদকৰ চ'ৰা | | |

# অসম সাহিত্য সভাৰ প্ৰকাশনসমূহ

| | নাম | মূল্য | | নাম | মূল্য |
|---|---|---|---|---|---|
| ১। | বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮·০০ | ৩৫। | আনটাঙ্গাৰী অচমীয়াক' কিয়ানী | ২·০০ |
| ২। | মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচনাৱলী | ৫·০০ | ৩৬। | অচমীয়া লা-বাবো-লেন্ অচমীয়া হিকাই-হি ( স্বয়ং শিক্ষক ) | ৩·০০ |
| ৩। | অকনোদইৰ ধল কাট | ২·৫০ | | | |
| ৪। | আনন্দৰাম ঢেকিয়ালফুকনৰ অসমীয়া ভাষা | ১·০০ | ৩৭। | নীলাচল পাঠ ( আও নগা ভাষা শিক্ষা ) | ১·০০ |
| ৫। | ৰজনী বৰদলৈ ৰচনামালা | ৮·০০ | ৩৮। | অসমৰ জনজাতীয় সাধু | ৬·০০ |
| ৬। | বেজবৰুৱাৰ 'প্ৰবন্ধ বাছনি' | ৭·০০ | ৩৯। | অসম সাহিত্য সভাৰ ভাষণাৱলী (৩য় ভাগ) | ৭·০০ |
| ৭। | বেজবৰুৱাৰ Religion of Love and Devotion | ৩·০০ | ৪০। | অসম সাহিত্য সভা বাৰ্ষিকী ২৯শ গোৱালপাৰা সন্মিলন | ৩·০০ |
| ৮। | বেজবৰুৱাৰ পত্ৰলেখা | ৭·০০ | ৪১। | অসম সাহিত্য সভা বাৰ্ষিকী ৩০শ নাজিৰা সন্মিলন | ৩·০০ |
| ৯। | বেজবৰুৱাৰ দিনলেখা | ৮·০০ | | | |
| ১০। | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ | ৪২। | অসম সাহিত্য সভা বাৰ্ষিকী ৩১শ ডিগবৈ সন্মিলন | ৩·০০ |
| ১১। | বেজবৰুৱাৰ বাণী | ·৫০ | | | |
| ১২। | প্ৰমথনাথ চক্ৰৱৰ্তী | ১·০০ | ৪৩। | অসম সাহিত্য সভা বাৰ্ষিকী ৩২শ নলবাৰী সন্মিলন | ৩·০০ |
| ১৩। | বিষ্ণুনাথ ৰাজবংশী | ১·০০ | | | |
| ১৪। | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪·০০ | ৪৪। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৩শ উত্তৰলক্ষীমপুৰ সন্মিলন | ৩·০০ |
| ১৫। | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪·০০ | | | |
| ১৬। | সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা | ৭·০০ | ৪৫। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৪শ ডিব্ৰুগড় সন্মিলন | ৩·০০ |
| ১৭। | আমাৰ লক্ষীনাথ (শিশু জীৱনী) | ১·৫০ | | | |
| ১৮। | লক্ষীনাথ বেজবৰুৱা ( হিন্দী ) | ·৫০ | ৪৬। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৫শ তেজপুৰ সন্মিলন | ৩·০০ |
| ১৯। | সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী ) | ·৫০ | | | |
| ২০। | বেজবৰুৱা প্ৰতিভা | ৫·০০ | ৪৭। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৬শ বৰপেটা সন্মিলন | ৩·০০ |
| ২১। | চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা | ৬·০০ | | | |
| ২২। | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫·০০ | ৪৮। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৭শ ধিং সন্মিলন | ৩·০০ |
| ২৩। | সীমান্তৰ সন্দেশ | ৩·০০ | ৪৯। | অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ | ১·০০ |
| ২৪। | The Outlook on NEFA | ৪·০০ | ৫০। | অসম সাহিত্য সভা পৰিচিত | ১·০০ |
| ২৫। | Assamese Language Question | ১·০০ | ৫১। | হেমচন্দ্ৰ গোস্বামী সম্পাদিত কথা-গীতা | ৩·৫০ |
| ২৬। | চাহবাগিচাৰ অসমীয়া | ১·০০ | ৫২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২·০০ |
| ২৭। | বিশাখদত্তৰ মুদ্ৰাৰাক্ষস | ৩·০০ | ৫৩। | পবিত্ৰ অসম | ১৫·০০ |
| ২৮। | ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী | ৩·০০ | ৫৪। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৮শ মাকুম সন্মিলন | ৩·০০ |
| ২৯। | কনকলাল বৰুৱা ৰচনাৱলী | ১০·০০ | | | |
| ৩০। | কনকলাল বৰুৱাৰ Study in the Early History of Assam | ২০·০০ | ৫৫। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৯শ ধুবৰী সন্মিলন | ৩·০০ |
| ৩১। | বিশ্বনাথৰ সাহিত্য দৰ্পণ | ১২·০০ | ৫৬। | হেম গোস্বামীৰ জীৱনী | ৬·০০ |
| ৩২। | শূদ্ৰকৰ মৃচ্ছকটিকা | ৫·০০ | ৫৭। | " " ৰচনাৱলী | ২০·০০ |
| ৩৩। | আচামিজ ফৰ অল ( স্বয়ং শিক্ষক ) | ২·০০ | ৫৮। | গোহাঞি বৰুৱা প্ৰতিভা | ১০·০০ |
| ৩৪। | আপকি অসমীয়া ( স্বয়ং শিক্ষক ) | ২·০০ | ৫৯। | সাহিত্য সমীক্ষা | ৬·০০ |

প্ৰাপ্তিস্থান : ১। **অসম সাহিত্য সভাৰ ঘাই কাৰ্যালয়** চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১। ২। **অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়** ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১।

# মোক্ষ আৰু ৰসময়ী ভক্তি

অধ্যক্ষ **ৰমণীকান্ত শৰ্মা**

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহোঁ ভকতি।—শ্ৰীশ্ৰীমাধৱদেৱ।

উপকৰাকৈ চালে সংসাৰখন যদিও নানা সুখৰ সমলেৰে ভৰা যেন লাগে, আচলতে ই বিবিধ দুখেৰে পৰিপূৰ্ণ। বাঞ্ছিত বস্তু নোপোৱাৰ দুখ, পায়ো হেৰোৱাৰ দুখ, জৰা, মৰণ প্ৰভৃতি দুখে মানুহৰ মনক সততে অশান্তিৰে পৰিপূৰ্ণ কৰি ৰাখে। এই কথাৰ দ্বাৰা মানুহৰ জীৱনত দুঃখবাদক স্বীকাৰ কৰা হোৱা নাই। কিয়নো জীৱনৰ প্ৰকৃত ব্যৱহাৰ কৰিব জানিলে, দুখৰ হাত সাৰিব পাৰি, জন্মমৰণৰূপ সংসাৰচক্ৰৰ পৰাও মুক্তিলাভ কৰিব পাৰি। তেতিয়া যে কেৱল দুখৰ আত্যন্তিক নিবৃত্তিয়েই ঘটে এনে নহয়, জীৱন আনন্দময় হয় আৰু ই অমৃতেৰে ভৰি পৰে। মানুহে যেতিয়া নিজৰ স্বৰূপ উপলব্ধি কৰে, আৰু দেহাত্মবোধৰ মিথ্যাত্ব উপলব্ধি কৰে, তেতিয়া সি জীৱনত অতুল আনন্দৰ সন্ধান পায়।

ভগৱান বুদ্ধই গভীৰ ধ্যানত জীৱন সম্পৰ্কে চাৰিটা আৰ্য্যসত্যানি অৰ্থাৎ চাৰিটা মহান সত্য আৱিষ্কাৰ কৰিছিল। এইকেইটা হৈছে (১) সংসাৰত দুখ আছে, (২) দুখৰ কাৰণ আছে, (৩) দুখৰ নিবৃত্তি আছে, আৰু (৪) দুখ নিবৃত্তিৰ উপায় আছে। এই দুখ নিবৃত্তিৰ উপায়স্বৰূপে তেওঁ অষ্টাঙ্গ মাৰ্গৰ ব্যৱস্থা কৰিছিল আৰু এই মাৰ্গৰ শেষ স্তৰত আছে সমাধি য'ত মানুহে নিৰ্বাণ লাভ কৰে। নিৰ্বাণ আচলতে অস্তিত্ববিলোপ নহয়, ইয়াৰ তাৎপৰ্য্য হৈছে মানুহৰ ভিতৰত থকা বাসনাৰ জুই নুমুৱাই জীৱনৰ প্ৰশান্তি লাভ কৰা।

দেখা গৈছে যে চিন্তাশীল মানুহ মাত্ৰেই মুক্তিকামী; সংসাৰৰ বিষয়তৃষ্ণা জনিত দুখ কষ্টৰ পৰা, সংসাৰ চক্ৰৰ যাতনাৰ পৰা সি মুক্তি বিচাৰে। এনেকি, পৰলোকত বিশ্বাস নথকা লোকায়তদৰ্শন অনুবৰ্ত্তী যি নাস্তিক তেৱোঁ মুক্তি বিচাৰে। তেওঁৰ মানতো আত্যন্তিক দুঃখনিবৃত্তিয়েই মুক্তি। এওঁলোকে মৰণকেই মুক্তি বোলে। মৰণমেবাপবৰ্গঃ! মৰণেই হৈছে অপবৰ্গ (মুক্তি)। (কিন্তু পুনৰ্জন্ম নাথাকিলে এই মুক্তি কাৰ?) পুনৰ্জন্মত বিশ্বাস থকা মানুহক ইহলোকত আৰু পৰলোকত উভয়তে মুক্তি লাগে। এতিয়া প্ৰশ্ন হৈছে আমি কেনেকৈ মুক্তি পাব পাৰোঁ। আমাৰ বন্ধনৰ কাৰণ কি? কাৰণ হৈছে আমাৰ অবিদ্যা আৰু কৰ্ম আৰু এই দুয়োটাই অনাদি। অৰ্থাৎ মানুহৰ সৃষ্টিৰ পাতনি এই দুয়োটাৰ মাজেদিয়েই। সৃষ্টিৰ এনে এটি স্তৰ নাছিল যেতিয়া জীৱ এই দুয়োটাৰ বান্ধোনত পৰা নাছিল। গুৰিতেই সি স্ৰষ্টাৰ ইচ্ছাত নিঃসহায় ভাৱে এই বান্ধোনত পৰিছিল। আমি এতিয়া আকৌ ভগৱানৰ ইচ্ছাত বা কৃপাত জ্ঞানৰ সহায়ত অনাশক্তভাৱে কৰ্ম কৰি বন্ধনমুক্ত হব পাৰোঁ। জ্ঞানেইহে আমাৰ মুক্তিৰ পথ। মানুহে তাৰ তেজ মাংসৰে গঠিত দেহটোৰ ধৰ্মকো নিজৰ (তাৰ আচল

সত্তাৰ) ধৰ্ম বুলি ভবাৰ কাৰণেই সি সংসাৰত দুখ ভুঞ্জে আৰু যেতিয়া তাৰ মনত আত্মজ্ঞানৰ উদয় হয়, তেতিয়া সি তাৰ নিজৰ স্বৰূপ উপলব্ধি কৰে আৰু সংসাৰৰ দুখৰ পৰা মুক্তি লাভ কৰে। এই দেখিয়েই উপনিষদত কৈছে, 'মন এব মনুষ্যানাং কাৰণং বন্ধ মোক্ষয়োঃ।' মানুহৰ আধ্যাত্মিক সত্তাইহে তাৰ আচল সত্তা, আৰু তাৰ আত্মা আৰু পৰমাত্মা বা পৰব্ৰহ্মৰ মাজত কোনো পাৰ্থক্য নাই। মানুহৰ দেহাত্মবোধ তাৰ স্থূল সত্তাৰ পৰিচয় আৰু তাৰ আত্মবোধ হৈছে তাৰ উচ্চতম সত্তাৰ পৰিচয়। অবিদ্যাজনিত কৰ্মৰ ফলত মানুহৰ মনত সংস্কাৰৰ সৃষ্টি হয় আৰু এই সংস্কাৰেই আচলতে শেহত গৈ মানুহৰ বন্ধনৰ কাৰণ হয়। অকৃত্ৰিম আৰু শুদ্ধ জ্ঞানৰ সহায়ত মানুহে অনাশক্ত ভাৱে কৰ্ম কৰি গলে সি কৰ্ম বন্ধনৰপৰা মুক্ত হব পাৰে, সংসাৰৰ দাৰুণ বিষয়তৃষ্ণাৰ হাত সাৰিব পাৰে। এইদৰে বিষয়-বাসনা বা ভোগতৃষ্ণাৰ পৰা মুক্তি লাভ কৰাটোক জীৱন্মুক্তি বোলা হয়। কোনো কোনোৰ মতে জীৱন্মুক্তি বোল অনা মুক্তি হব নোৱাৰে, তেওঁমতহৰ দেহটো গলেহে বিদেহ অৱস্থাত এই পূৰ্ণ মুক্তি সম্ভৱ হব পাৰে। অদ্বৈত বেদান্ত মতে কি জীৱন্মুক্তি কি বিদেহমুক্তি উভয়েই জ্ঞানৰ সহায়তহে হব পাৰে। দাৰ্শনিক প্ৰবৰ শঙ্কৰাচাৰ্য্যই কয় যে একমাত্ৰ জ্ঞানেইহে মুক্তিৰ উপায় আৰু কৰ্ম আৰু উপাসনা জ্ঞান মাৰ্গত সহায়ক মাথোন।

জাৰ্মান দাৰ্শনিক ক্যাণ্টেও কয় যে মানুহে যেতিয়া তাৰ আধ্যাত্মিক সত্তাৰ নিয়ম অনুসাৰে চলে, আৰু দৈহিক ক্ষুধাৰ তাড়না আৰু বিষয়-বাসনাৰ দ্বাৰা পৰিচালিত নহয়, তেতিয়াই সি মুক্ত।

দাৰ্শনিক প্ৰবৰ হেগেলৰ মতেও ব্যক্তি মানস যেতিয়া বিশ্বমানসেৰে সৈতে এক হৈ যায়, অৰ্থাৎ জীৱাত্মাই যেতিয়া নিজকে পৰব্ৰহ্মৰে সৈতে একে বুলি উপলব্ধি কৰে, তেতিয়াই সি মুক্ত।

কিন্তু আত্মোপলব্ধি সাধন-সাপেক্ষ। ই তেনেই উজু কাম নহয়। গীতাত শ্ৰীভগবানে কৈছে,—

আবৃতং জ্ঞানমেতেন জ্ঞানিনো নিত্য বৈৰিণা।
কামৰূপেণ, কৌন্তেয়! দুষ্পুৰেণানলেন চ॥ ৩।৩৯

অৰ্থাৎ হে অৰ্জ্জুন, জ্ঞানীসকলৰ নিত্য শত্ৰু এই দুষ্পূৰনীয় অগ্নিতুল্য কামৰ দ্বাৰা জ্ঞান আচ্ছন্ন থাকে। এতিয়া মুক্তি সম্ভৱ কৰি তুলিবলৈ কেনেকৈ আত্মজ্ঞান লাভ কৰা যায়? বৌদ্ধধৰ্মত আত্মজ্ঞান বা সত্যজ্ঞান লাভ কৰাৰ বাবে যি অষ্টাঙ্গিক মাৰ্গৰ নিৰ্দেশ কৰা হৈছে, তাৰ উল্লেখ আগতেই কৰা হৈছে। জৈন দৰ্শনানুসাৰে কৰ্মৰ আত্যন্তিক ক্ষয়ৰ ফলস্বৰূপে জীৱে মোক্ষ লাভ কৰে, আৰু তেতিয়া জীৱে অনন্ত জ্ঞান, অনন্ত বীৰ্য্য, অনন্ত শ্ৰদ্ধা আৰু অনন্ত শান্তি লাভ কৰি শুদ্ধ স্ব-স্বৰূপত স্থিতি লাভ কৰে।

সাংখ্যদৰ্শন অনুসাৰে পুৰুষ বা আত্মাই অবিবেক বশতঃ প্ৰকৃতিৰ লগত একাত্মবোধ কৰাৰ ফলত সংসাৰত দুখ ভোগ কৰে। পুৰুষ বা আত্মাই যেতিয়া নিজকে প্ৰকৃতিৰ পৰা ভিন্ন বুলি অৰ্থাৎ আত্মা যে দেহ, মন, বুদ্ধি ইন্দ্ৰিয় প্ৰভৃতি প্ৰকৃতি সম্ভূত বস্তুৰ পৰা পৃথক এই সত্য সাক্ষাৎ ভাৱে উপলব্ধি কৰে তেতিয়াহে জীৱৰ মোক্ষ লাভ হয়। জীৱ প্ৰকৃতিৰ বন্ধনৰ পৰা বিমুক্ত হৈ অকল শৰীয়া হোৱা বাবে সাংখ্যৰ মুক্তিক কৈবল্যও বোলা হয়। সাংখ্যদৰ্শনত জীৱন্মুক্তি আৰু বিদেহ-মুক্তি দুয়োটাকে স্বীকাৰ কৰা হৈছে। সাংখ্যদৰ্শন অনুসাৰে মুক্তিৰ ফলত জীৱৰ সুখ বা আনন্দ অনুভূতি নহয়। কিয়নো দুখ আৰু সুখ আপেক্ষিক। এটাৰ অভাৱত অইনটো থাকিব নোৱাৰে। যোগদৰ্শনেও সাংখ্য-দৰ্শনৰ মোক্ষসম্পৰ্কীয় মতবাদ স্পষ্টভাৱে স্বীকাৰ কৰিছে। বস্তুতঃ যোগদৰ্শনক সাংখ্যদৰ্শনৰ ব্যৱহাৰিক প্ৰয়োগ বুলিও কব পাৰি।

যোগদৰ্শনত আত্মোপলব্ধিৰ উপায় স্বৰূপে অষ্টাঙ্গযোগৰ অৰ্থাৎ যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি যোগৰ এই আঠোটা অঙ্গৰ ব্যৱস্থা কৰা হৈছে। যোগৰ সমাধি স্তৰত সাধকৰ আত্ম-সাক্ষাৎকাৰ লাভ হয়। এই স্তৰত আত্মাই স্বৰূপত অৱস্থান



কৰে। এই স্তৰত উপনীত হলে সাধকে সকলো দুখৰ পৰা মুক্তিলাভ কৰে আৰু আত্মা যে দেহ, মন, বুদ্ধি আৰু অহঙ্কাৰৰ পৰা পৃথক তাক উপলব্ধি কৰে। যোগদৰ্শনে আমাক মুক্তিৰ পথৰ অৰ্থাৎ মুক্তিদায়ক বিবেক জ্ঞান লাভৰ কাৰ্য্যকৰী পন্থা দেখুৱাই দিছে। যোগ-দৰ্শনে মোক্ষলাভৰ বাবে ঈশ্বৰ প্ৰণিধান বা ভগবদাৰাধনাৰ প্ৰয়োজন স্বীকাৰ কৰিছে। কিন্তু সাংখ্যদৰ্শনৰ দৰে যোগদৰ্শনেও মোক্ষলাভৰ ফলস্বৰূপে কোনো আনন্দ প্ৰাপ্তি ঘটে বুলি স্বীকাৰ নকৰে।

ন্যায়দৰ্শনেও দুখৰ পৰা অত্যন্ত বিমোক্ষকে অপবৰ্গ (মোক্ষ) বোলে। 'তদত্যন্তবিমোক্ষোঽপবৰ্গঃ' এই মত অনুসাৰে বৰ্ত্তমান জন্মৰ লয় আৰু ভবিষ্য জন্মৰ অনুৎপত্তিয়েই অত্যন্ত বিমোক্ষ বা মুক্তি। এই দৰ্শনেও দুই প্ৰকাৰ মুক্তি স্বীকাৰ কৰে। আত্মতত্ত্বৰ প্ৰত্যক্ষ অনুভূতিৰ ফলত হয় অপৰ-নিঃশ্ৰেয়স্ বা জীৱন্মুক্তি। ইয়াৰ পিছত প্ৰাৰব্ধ কৰ্মৰ ক্ষয় হলে পৰ-নিঃশ্ৰেয়স্ বা মুক্তি লাভ হয়। বৈশেষিক দৰ্শনেও দুখৰ অত্যন্ত নিবৃত্তিকেই মোক্ষ বোলে। ন্যায়দৰ্শনে মোক্ষলাভৰ ফলত আনন্দ বা সুখৰ অনুভূতি হোৱাটো অস্বীকাৰ কৰে। বৈশেষিক দৰ্শনে হলে মোক্ষলাভৰ ফলত সুখ বা আনন্দ হোৱা নোহোৱাৰ কথাটো ন্যায়দৰ্শনৰ দৰে তোলা নাই। ন্যায়দৰ্শনৰ মতে সুখ বা আনন্দৰ লগত আসক্তিৰ সম্বন্ধ ঘনিষ্ঠ, আৰু আসক্তি বন্ধনৰ কাৰণ আৰু সেই দেখি মোক্ষাৱস্থাত সুখানুভূতি থাকিব নোৱাৰে।

মীমাংসকসকলৰ মতে পৰিদৃশ্যমান জগতৰ লগত থকা আত্মাৰ সম্বন্ধৰ বিলোপেই মোক্ষ। 'প্ৰপঞ্চ সম্বন্ধ বিলয়ো মোক্ষঃ'। সংসাৰ ভোগৰ কাৰণে জীৱৰ যি দেহ, ইন্দ্ৰিয় আৰু বিষয়ৰ লগত বন্ধন তাৰ আত্যন্তিক বিনাশেই মোক্ষ। মোক্ষাৱস্থাত সুখ বা আনন্দৰ অনুভূতি সম্বন্ধে এই দৰ্শনত দুটা মত স্বীকৃত হৈছে। এটা মত অনুসাৰে মুক্তাৱস্থাত আত্মাই নিজ শুদ্ধ স্বৰূপত স্থিতিলাভ কৰে, আৰু সেই দেখি আত্মাৰ নিত্যসুখৰ অনুভূতি অৱশ্যম্ভাৱী। অন্যমতে মুক্তাৱস্থাত আত্মাৰ দুঃখানুভূতিৰ দৰে সুখানুভূতিও থাকিব নোৱাৰে।

দাৰ্শনিক প্ৰবৰ শঙ্কৰাচাৰ্য্যৰ অদ্বৈত বেদান্ত মত অনুসাৰে জীৱে স্বকীয় মুক্তিৰ পথত অলপ অলপকৈ আগ বঢ়াৰ কথা উঠিবই নোৱাৰে। জীৱ প্ৰকৃততে মুক্তি-স্বভাৱ। মাথোন মায়াৰ আবৰণ আঁতৰালেই জীৱৰ মুক্তস্বভাৱ তত্তালিকে ওলাই পৰে।

ফলত্বপ্ৰসিদ্ধিৰপি মোক্ষস্য বন্ধনিবৃত্তিমাত্ৰাপেক্ষা ন অপূৰ্ব্বজননাপেক্ষা। শাঙ্কৰ ভাষ্য ৪-২

অৰ্থাৎ জ্ঞানৰ সুপ্ৰসিদ্ধফল মোক্ষ নতুন কিবা এটা সৃষ্টিৰ ওপৰত নিৰ্ভৰ নকৰে, ই মাথোন (মায়াৰ) বান্ধোন আঁতৰোৱাৰ ওপৰতে নিৰ্ভৰ কৰে। এইবাবে তেওঁৰ মতে আত্মজ্ঞানেই মুক্তিৰ একমাত্ৰ পথ।

সদ্যো মুক্তিকাৰণং আত্মজ্ঞানং (শাঙ্কৰ ভাষ্য)

অৰ্থাৎ আত্মোপলব্ধিয়ে তত্তালিকে মুক্তি আনি দিয়ে।

তস্মাৎ সৰ্ব্বদুঃখবিমুক্তৈক চৈতন্যাত্মকোঽহমিত্যেষ আত্মানুভবঃ। ন চৈবমাত্মানমনুভবতঃ কিঞ্চিদন্যৎ কৃত্যমবশিষ্যতে। শাঙ্কৰ ভাষ্য ৪।১।২

অৰ্থাৎ (গতিকে) মই সৰ্বদুঃখবিমুক্ত এক অখণ্ড চৈতন্যাত্মক এই অনুভৱেই আত্মানুভৱ বা প্ৰকৃত আত্মজ্ঞান। যিবিলাকে নিজকে এনেকৈ অনুভৱ কৰে, তেওঁলোকৰ আৰু কৰ্তব্য নাথাকে।

শঙ্কৰৰ মতে কৰ্ম বন্ধনৰ কাৰণ আৰু জ্ঞান আৰু কৰ্ম পৰস্পৰ বিৰোধী কথা। কিন্তু ওপৰৰ কথাৰ পৰা এইটো স্পষ্ট হৈছে যে আত্মজ্ঞান লাভ নকৰালৈকে, অৰ্থাৎ জীৱন্মুক্ত অৱস্থা নোপোৱালৈকে জীৱৰ কৰ্তব্য আছে। চিত্তশুদ্ধিৰ বাবে অষ্টাঙ্গযোগৰ সহায় (জ্ঞান-যোগীয়ে) লব লাগিব। শ্ৰৱণ, মনন, নিদিধ্যাসন প্ৰভৃতিও তো কৰ্মৰেই অঙ্গ। ব্ৰহ্মৰ লগত আত্মা যেতিয়া এক হৈ যাব, তেতিয়াহে জীৱৰ কৰ্তব্যৰ অন্ত পৰিব।

"ব্ৰহ্মভাৱশ্চ মোক্ষঃ"। আত্মা ব্ৰহ্মৰ লগত একহৈ যোৱাই অদ্বৈতবেদান্তৰ মোক্ষ।

জীৱন্মুক্ত পুৰুষেও ফলাকাঙ্ক্ষাশূন্য হৈ অনাসক্ত ভাৱত লোকসংগ্ৰহাৰ্থ ( লোকৰক্ষাৰ্থ ) কৰ্ম কৰি যায়। জ্ঞানমাৰ্গীৰ শিৰোমণি দাৰ্শনিক প্ৰবৰ শঙ্কৰাচাৰ্য্যৰ নিজ কৰ্মময় জীৱনেই ইয়াৰ এটা প্ৰকৃষ্ট উদাহৰণ।

ভগবানৰ কথাৰ মৰ্ম বুজিব নোৱাৰি অৰ্জুনে যেতিয়া ভগবান শ্ৰীকৃষ্ণক ধৰিলে যে সানমিহলি কথা নকৈ মোক্ষলাভৰ বাবে কোনটো শ্ৰেষ্ঠ পথ তাক খোলোচাকৈ কবলাগে। তেতিয়া ভগবানে কৈছিল।

'লোকেঽস্মিন্ দ্বিবিধা নিষ্ঠা পুৰা প্ৰোক্তা ময়ানঘ।
জ্ঞানযোগেন সাংখ্যানাং কৰ্মযোগেন যোগীনাম্ ॥

অৰ্থাৎ মোক্ষলাভৰ মাৰ্গ দুটাই—এটা জ্ঞানযোগ বা নিবৃত্তিমাৰ্গ আৰু আনটো কৰ্মযোগ বা প্ৰবৃত্তিমাৰ্গ। এই দুয়োটা পথেৰেই অবিদ্যাৰ আৰু কৰ্ম বন্ধনৰ হাত এৰাই মুক্তিলাভ কৰিব পাৰি। জ্ঞানমাৰ্গেদি যি স্থান পোৱা যায়, কৰ্ম মাৰ্গেদিও সেই একেস্থানকেই ( মুক্তি ) পাব পাৰি। তথাপি ভগবানে কৈছে যে সন্ন্যাস আৰু কৰ্ম-যোগ উভয়েই মোক্ষপ্ৰদ, কিন্তু দুয়োটাৰ ভিতৰত কৰ্ম সন্ন্যাসতকৈ কৰ্মযোগেই শ্ৰেষ্ঠতৰ। কিয়নো

"সন্ন্যাসস্তু মহাবাহো দুঃখমাপ্তুমযোগতঃ।
যোগযুক্তো মুনিৰ্ব্ৰহ্ম ন চিৰেণাধিগচ্ছতি ॥

অৰ্থাৎ হে মহাবাহো, কৰ্মযোগ অবিহনে সন্ন্যাস কেৱল দুখৰ কাৰণ হয়, কিন্তু কৰ্মযোগ যুক্ত সাধক অচিৰতে ব্ৰহ্মসাক্ষাৎকাৰ লাভ কৰে। প্ৰকৃততে কৰ্ম ত্যাগেই সন্ন্যাস নহয়, কৰ্মত আসক্তি আৰু ফলাকাঙ্ক্ষা ত্যাগেইহে আচল সন্ন্যাস। এই দুটাগুণ থাকিলে জ্ঞান যোগী সন্ন্যাসী আৰু কৰ্মযোগীৰ মাজত আচলতে পাৰ্থক্য নাথাকে।

কিন্তু ভগবানে আকৌ কৈছে।

বিষয়া বিনিবৰ্ত্তন্তে নিৰাহাৰস্য দেহিনঃ।
ৰসবৰ্জ্জং ৰসোঽপ্যস্য পৰং দৃষ্ট্বা নিবৰ্ত্ততে ॥

অৰ্থাৎ ইন্দ্ৰিয়বিলাকৰ দ্বাৰা বিষয় ভোগত অপ্ৰবৃত্ত ব্যক্তিৰ বিষয়োপভোগ অৱশ্যে নিবৃত্ত হয়, কিন্তু বিষয়-তৃষ্ণা থাকি যায়। কিন্তু সেই পৰম পুৰুষৰ সাক্ষাৎকাৰ হলে স্থিতপ্ৰজ্ঞ ব্যক্তিৰ বিষয় বাসনা নিবৃত্ত হয়। ভগবানে আৰু কৈছে,

তানি সৰ্বানি সংযম্য যুক্তআসীত মৎপৰঃ।
বশে হি যস্যেন্দ্ৰিয়াণি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা ॥

অৰ্থাৎ যি মোৰ অনন্যভক্ত, তেওঁ সেইবোৰ ইন্দ্ৰিয়ক সংযত কৰি মোত চিত্ত সমাহিত কৰি অৱস্থান কৰে। তেনেকুৱা সমাহিতচিত্ত ব্যক্তিৰেই ইন্দ্ৰিয়বিলাক বশীভূত হয়, তেৰেঁই স্থিতপ্ৰজ্ঞ।

ঈশ্বৰানুৰাগ জন্মিলেই বিষয়ানুৰাগ দূৰীভূত হয়। ভগবচ্চিন্তাই ইন্দ্ৰিয় সংযমৰ মহৌষধ।

গতিকে দেখা গৈছে ভগবদ্ প্ৰেমৰ সহায় নহলে আমাৰ আত্মজ্ঞানো নহয় আৰু সেই দেখি আমি জীৱন্মুক্ত বা বিদেহমুক্ত অৱস্থা পাব নোৱাৰোঁ। ( ক্ৰমশঃ )

# কালিদাসৰ ওপৰত অশ্বঘোষৰ প্ৰভাৱ

আচাৰ্য্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰী

( আগৰ সংখ্যাৰ পিছৰ পৰা )

কালিদাস আৰু অশ্বঘোষৰ কাব্যৰ তুলনাত্মক আলো-চনা কৰোঁতা সকলে একবাক্যে এই কথা স্বীকাৰ কৰিব যে কালিদাসৰ কাব্য অধিক সাৱলীল, আড়ম্বৰ হীন, সৰল আৰু কৃত্ৰিমতাবৰ্জিত। তাৰ তুলনাত অশ্ব-ঘোষৰ কৱিতা পাণ্ডিত্যৰ দ্বাৰা ভাৰাক্ৰান্ত, শব্দগাঁথনিৰ দ্বাৰা ঝঙ্কাৰপূৰ্ণ, আয়াস সাধ্য উক্তি বৈচিত্ৰ্যৰে বঙ্কিম, কৃত্ৰিমৰূপ সজ্জাৰে সুসজ্জিত আৰু অনেক ক্ষেত্ৰত অৰ্থ-সুষমাতকৈ শব্দ সুষমাৰে বিভূষিত। সংস্কৃত কাব্যৰ ৰচনাশৈলীৰ ইতিহাসত এইবিলাক গুণৰ উত্তৰোত্তৰ বৃদ্ধি বিশেষ ভাৱে আলোচকৰ দৃষ্টিত ধৰা পৰে।

কালিদাস অশ্বঘোষৰ কাব্যৰ প্ৰভাৱত পৰিলে অকল দুই এটা শব্দগাঁথনিৰ অনুসৰণতে আবদ্ধ থাকিব নোৱা-ৰিলে হেঁতেন। অশ্বঘোষৰ কাব্যত কৱিতাৰ মাজেদি যি গম্ভীৰ দাৰ্শনিক পাণ্ডিত্য প্ৰকাশ পাইছে কালি-দাসৰ কাব্যত তাতকৈ বেচি নহলেও তেনেকুৱা দাৰ্শনিক পাণ্ডিত্য প্ৰকাশ পাব লাগিছিল। অশ্বঘোষে স্বৰচিত কাব্যত সমুচিত প্ৰসঙ্গ উত্থাপন কৰি বৰ্ণনীয় নায়ক-নায়িকা আদিৰ কথোপকথনৰ যোগেদি গম্ভীৰ দাৰ্শনিক যুক্তিতৰ্কৰ দ্বাৰা প্ৰতিপক্ষৰ মত খণ্ডন পূৰ্বক স্বমত স্থাপন কৰিছে। অশ্বঘোষৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা হলে কালিদাসে তাকে নকৰি দিঙ্নাগৰ নিচিনা বৌদ্ধ-দাৰ্শনিক জনাৰ মতৰ প্ৰতি কটাক্ষপাত কৰিয়ে ক্ষান্ত থাকিব নোৱাৰিলেহেঁতেন; সেই প্ৰসঙ্গত যদি শ্ৰেষ্ঠ মহানৈয়ায়িক দিঙ্নাগৰ মতৰ বিৰুদ্ধে যুক্তিৰ ইঙ্গিত প্ৰদানৰ প্ৰলোভন সম্বৰণ কৰাটো অশ্বঘোষৰ অনুসৰণ কাৰী অথচ ব্ৰাহ্মণ্য ধৰ্ম্মাবলম্বী প্ৰবীন শাস্ত্ৰজ্ঞ কবি এজনৰ পক্ষে সম্ভৱপৰ নহয়। গতিকে মেঘদূতৰ "দিঙ্-নাগানাং পথি পৰিহৰন্ স্থূলহস্তাৱলেপম্"—এই স্থলত কালিদাসে বৌদ্ধ দাৰ্শনিক দিঙ্নাগাচাৰ্যৰ ইঙ্গিত দিছে বুলি মানি লব নোৱাৰি।

এই প্ৰসঙ্গত আন এটা বিবেচ্য কথা এই যে, দুয়ো জনা কৱিয়ে মহৰ্ষি বাল্মীকিক আদি কৱি বুলি স্পষ্ট ভাৱে স্বীকাৰ কৰিছে আৰু দুয়ো জনেই বহুক্ষেত্ৰত ৰামায়ণৰ বৰ্ণনাৰ অনুসৰণ কৰিছে বুলি স্পষ্ট ভাৱে বুজা যায়। যেনে, ৰামায়ণৰ— "বভূৱ ভূমৌ পতিতো নৃপাত্মজঃ শচীপতেঃ কেতুৰিৱোৎসৱক্ষয়ে।" [২।৭৪।৩৬] এই কথাখিনিকে অশ্বঘোষে অলপ পৰিবৰ্ত্তন কৰি কৈছে যে :—"পপাত শোকাভিহতো মহীপতিঃ শচীপতে বৃত্ত ইবোৎসৱক্ষয়ে"। [ বুঃ চঃ ৮।৭৩ ]

ৰামায়ণৰ "যদ যৎপশ্যামি তেগাত্ৰং সিতাংশুমদৃশাননে।
তস্মিংস্তস্মিন্ পৃথুশ্ৰোণি চক্ষুৰ্মম নিবধ্যতে ॥"
[ ৫।২০।১৫ ]

এইকথা অশ্বঘোষৰ লেখাত ৰূপায়িত হৈছে :—

"যদেৱ যস্তস্য দদৰ্শ তত্ৰ তদেৱ তস্যাথ ববন্ধ চক্ষুঃ।":
[ বুঃ চঃ ১৩।৮ ]

ৰামায়ণত আছে ঃ—"স্থিৰং নূনং হৃদয়ং মমায়সং ন ভিদ্যতে যদ্ ভুৱি নো বিদাৰ্যতে।" [ ২।২০।৫১ ]

আৰু ঃ—"অশ্মসাৰ ময়ং নূনমিদং যে হৃদয়ং দৃঢ়ম্।
ভৰ্ত্তাৰং নিহতং দৃষ্টা যন্নাত্মা শতধা কৃতম্॥ [৪।৩।১০]

এয়ে অশ্বঘোষৰ ৰচনাত নতুন ৰূপ লৈছে এইদৰে ঃ—

"মমাপি কামং হৃদয়ং সুদাৰুণং শিলাময়ং বাহ্ প্যয়সোহ পিৱাকৃতম্।
অনাথৱচ্ছ্ৰীৰহিতে সুখোচিতে ৱনং গতে ভৰ্ত্তৰি যন্নদীৰ্যতে॥"
[ বু: চ: ৮।৬৯ ]

ৰামায়ণত ঃ—
সিংহোৰস্কং মহাবাহুম্ [ ৩।১৭।৭ ]
ৰ্ব্যঢ়োৰস্কং বৃষস্কন্ধম্ [ ৪।১৭।৭ ] ইত্যাদি...

কালিদাসৰ ৰঘুবংশত—
ব্যঢ়োৰস্কো বৃষস্কন্ধঃ সালপ্ৰাংশুৰ্ মহাভুজঃ। ইত্যাদি—।

কোনো কোনো ক্ষেত্ৰত পুৰ্ব কৰি ভাসৰ ৰচনাৰ লগতো এই দুজনা ( অশ্বঘোষ আৰু কালিদাস ) কৰিৰ মিল দেখা যায়। যেনে ঃ....ভাসৰ ....

(১)

"কাষ্ঠাগ্নি র্জায়তে মথ্যমানাদ্ ভূমিস্তোয়ং কাম্য মানা দদাতি। সোৎসাহানাং নাস্ত্য সাধ্যং নৰাণাং মাৰ্গাৰব্ধাঃ সৰ্ব যত্না ফলন্তি॥"
[ প্ৰতিজ্ঞাযৌগন্ধৰায়ণ ১।১৮ ]

এই ৰচনাৰ লগত তুলনা কৰিলে দেখা যায় অশ্বঘোষে সৌন্দৰনন্দ আৰু বুদ্ধচৰিতত এই শ্লোকৰ ভাবাৰ্থকে শব্দ গাঁথনিৰ কিছু পৰিবৰ্তন কৰি বেলেগ ছন্দৰ যোগেদি প্ৰকাশ কৰিছে।

"কাষ্ঠমথ্নন লভতে হুতাশং ভূমিংখনন্ বিন্দতি চাহপি তোয়ম্।
নিৰ্বন্ধিনঃ কিঞ্চন নাস্ত্যসাধ্যং ন্যায়েন যুক্তং চ কৃতং চ সৰ্ব্বম্।
[ বু: চ: ১৩।৬০ ]

এই ৰচনাত শব্দযোজনাৰ বাহিৰে অৰ্থৰ কোনো নতুনত্ব নাই। সেইদৰে ভাসৰ ঃ—

(২)

কালং বেত্তি কথা কৰোতি নিপুণা মৎসংস্তৱে ৰজ্যতি
ভাৰ্যামন্ত্ৰিৱৰঃ সখা পৰিজনঃ সৈকা বহুত্বং গতা॥

এই ৰচনাটি ৰামায়ণৰ ঃ—
"সুহৃচ্চৈৱ চ ভৰ্ত্তা চ প্ৰকৃত্যা চ মম প্ৰিয়ঃ।
প্ৰহাৰেচ পৰাক্ৰান্তঃ শূৰঃ পঞ্চত্বমাগতঃ"॥
[ ৪।২৩।১১ ]

এই শ্লোকৰ পূৰ্বাৰ্দ্ধৰ সুললিত ব্যাখ্যা যেন লাগে। আৰু কালিদাসৰ ;—

"গৃহিণী সচিবঃ সখী মিথঃ প্ৰিয় শিষ্যা ললিতে কলাৱিধৌ। করুণাৱিমুখেন মৃত্যুনা হৰতা ত্বাংৱদ কিং নমে হৃতম্॥"
[ ৰঘু বংশ ]

এই পদ্যৰ পূৰ্বাৰ্দ্ধ তাৰে নৱীকৃত কাব্যিক প্ৰকাশ বুলি কব পাৰি।

এই স্থলত মহৰ্ষি বাল্মীকিৰ ৰচনাত যি ভাববীজ অঙ্কুৰিত হৈছে সেয়ে ভাসৰ ৰচনাত পত্ৰে পুষ্পে সমৃদ্ধ হৈ উঠিছে আৰু কালিদাসৰ ৰচনাত সৰস-ফলসম্ভাৰেৰে পৰিপূৰ্ণ হৈ পৰিছে।

মনোযোগেৰে চালে বুজা যায় পূৰ্বকৱি বাল্মীকি বা ভাসৰ ৰচনাই কালিদাসৰ ৰচনাত যিমানখিনি নৱীকৃত হৈ চাকতৰূপে প্ৰকাশ হৈছে অশ্বঘোষৰ ৰচনাত সিমানখিনি হোৱা নাই। ইয়াৰ দ্বাৰা নৱীকৰণৰ অৰ্থাৎ পূৰ্বজ্ঞাত অৰ্থক নৱৰূপে উপস্থাপনৰ ক্ষমতা বা আগ্ৰহ কালিদাসৰ অধিক আছিল বুলি প্ৰতিপন্ন হয়। অথচ

(১) 'কাম্যমানা' ৰ ঠাইত 'খন্যমানা' পাঠহে সঙ্গত হয়।

(২) সুভাষিতা বাক্যত এই পদ্য ভাসৰ ৰচিত বুলি উদ্ধৃত কৰা হৈছে। এতিয়ালৈকে প্ৰকাশিত ভাসৰ নাটকৰ ভিতৰত হলে এই শ্লোক পোৱা নগল।



কালিদাস আৰু অশ্বঘোষৰ ৰচনাৰ য'ত মিল পোৱা গৈছে তাত যেয়ে যাৰ অনুসৰণ নকৰক তেওঁৰ যে সেই নৱীকৰণৰ ক্ষমতা বা সেই বিষয়ত মনোযোগ কম আছিল সেইটো প্ৰতিপন্ন হয়। যেনে ঃ—

| অশ্বঘোষৰ ৰচনা ঃ— | কালিদাসৰ ৰচনা ঃ— |
|---|---|
| "নৱংৱয়ো দীপ্তমিদংৱপুশ্চ"। | "নৱংৱয়ঃকান্তমিদংৱপুশ্চ"। |
| [ বু: চ: ১০।২৩ ] | [ ৰঘু বং ২।৪৭ ] |
| "সোঘং শ্ৰমং নাৰ্হসি মাৰ কৰ্ত্তুম্"। | "অলংমহীপাল তৱ শ্ৰমেণ।" |
| [ বু: চ: ১৩।৫৭ ] | [ ৰ: বং ২।৩৪ ] |

ইয়াত ইটোক আনটোৰ অনুসৰণ নুবুলি পুনৰুক্তিহে বুলিব পাৰি।

অশ্বঘোষৰ ঃ—
"তং গৌৰৱং বুদ্ধগতং চকৰ্ষ ভাৰ্যানুৰাগঃ পুনৰাচকৰ্ষ।
সোহনিশ্চয়ান্নাপি যযৌ ন তস্থৌ তৰংস্তৰঙ্গেম্বিৱ ৰাজহংসঃ॥

এই ৰচনাৰ লগত কালিদাসৰ ঃ—
"তং বীক্ষ্য বেপথুমতী সৰসাঙ্গ যষ্টীৰংক্ষেপণায় পদমুদ্ধৃত মাৱহন্তী।
মাৰ্গাচলব্যতিকৰাকুলিতেয় সিন্ধুঃ শৈলাধিৰাজতনয়া নযযৌ ন তস্থৌ॥"

এই পদ্যৰ কেৱল "ন যযৌ ন তস্থৌ"—এই পৰস্পৰ বিৰুদ্ধাৰ্থক ক্ৰিয়াদ্বয়ৰ প্ৰতিষেধৰ বাহিৰে আন কোনো অংশতে মিল নাই।

ৰামায়ণত ঠিক "ন যযৌ ন তস্থৌ—নাইবা "নাপি যযৌ ন তস্থৌ"—এই শব্দ গাঁথনি হুবহুভাৱে পোৱা নাযায় যদিও তেনেধৰণৰ পৰস্পৰ বিৰুদ্ধাৰ্থক ক্ৰিয়া সমাৱেশৰ দ্বাৰা কাব্যশোভা সম্পাদনৰ দৃষ্টান্ত যথেষ্ট পোৱা যায়। যেনে ঃ—

"প্ৰজ্বলশ্চ প্ৰকাশশ্চ চন্দ্ৰমা ইৱলক্ষ্যতে"। [ ৫।১।৮৩ ]
"মৃণালী পঙ্কদিগ্ধেৱ বিভাতি চ ন ভাতিচ"। [৫।১৭।২৫]
ইত্যাদি।

"শঙ্খ প্ৰভং ক্ষীৰমৃণালৱৰ্ণ মুদ্গচ্ছমানং ব্যৱভাসমানম্।
দদৰ্শ চন্দ্ৰংস কপিপ্ৰৱীৰঃ পোপ্লূয়মানং সৰসীৱ হংসম্॥"

ৰামায়ণৰ এই পদ্যৰ সৰোবৰত ভাহি ফুৰা ৰাজহংসক আনি অশ্বঘোষে পাৰ হবলৈ তৰঙ্গৰ মাজত এৰি দিলে। সি ইপাৰো নাপালে সিপাৰলৈয়ো যাব নোৱাৰিলে, মাজতে ভাহি থাকিল। সেই হাঁহটিৰ লগত নন্দৰ মনটিৰ তুলনা কৰি কোৱা হৈছে যে সেই উপস্থি ফুৰা ৰাজহংসটিক যিদৰে পানীৰ ঢৌৱে এবাৰ ইপাৰৰ পিনে টানিছে আনবাৰ সিপাৰৰ পিনে টানিছে, সেইদৰে নন্দৰ মনটিকো এবাৰ বুদ্ধৰ মহিমাই বুদ্ধৰ ( অৰ্থাৎ সংসাৰ ত্যাগৰ ) পিনে টানিছে, আনবাৰ তেওঁৰ পত্নীৰ প্ৰেমে পত্নীৰ পিনে ( অৰ্থাৎ গাৰ্হস্থ্য ভোগৰ পিনে ) টানিছে। এই অৱস্থা প্ৰকাশৰ ক্ষেত্ৰত "নাপি যযৌ ন তস্থৌ" যাবও নোৱাৰিলে স্থিৰেও থাকিব নোৱাৰিলে, এই প্ৰয়োগ যিমানদূৰ খাপ খাইছে কালিদাসৰ প্ৰয়োগৰ ক্ষেত্ৰত বেছি সঙ্গতভাৱে খাপ খাইছে।

কালিদাসে উমাই খং কৰি তাৰ পৰা গুচি যাবলৈ ভৰিখন দভাৱ লগে লগে মহেশ্বৰক আগতে দেখা পালে। তেতিয়া তেওঁ ভৰি পাৰি দি থিয় হবলৈ পাহৰিলে, গা'টো কঁপিবলৈ ধৰিলৈ, ঘামত গা তিতি গল, ভৰি দঙা অৱস্থাতে ঠটমট্ খাই পৰতে আগভেটি ধৰা নদীৰ সোঁতৰ দৰে বিহ্বল হৈ ৰ'ল। ইয়াত উপমেয়গত প্ৰতিটো বিশেষণ আৰু ক্ৰিয়া সমানে উপমানতো সঙ্গত হৈছে ;—গা'ৰ কঁপনি, তিতা-বুৰাভাৱ, আগবঢ়াৰ ব্যগ্ৰতা তথা বিহ্বলতা আৰু নোযোৱা নথকা অৱস্থাৰ তুলনা নদী আৰু উমা উভয়তে সঙ্গত হৈছে। উমাই যাবলৈ ভৰিখন দাঙি আছে গতিকে তেওঁ থকা নাই, থাকিবলৈ হলে ভৰিখন পাৰি দি স্থিৰ হব লাগে। আৰু যোৱাও নাই,—যাবলৈ হলেও সেইখন ভৰি পাৰি দি আনখন দাঙিব লাগে। এই অৱস্থা প্ৰকাশত "ন যযৌ ন তস্থৌ" প্ৰয়োগ অশ্বঘোষৰ প্ৰয়োগৰ ক্ষেত্ৰৰ তুলনাত অধিক সমুচিত অৰ্থব্যঞ্জক হৈছে। অশ্বঘোষৰ "নাপি যযৌ ন তস্থৌ"—এই প্ৰয়োগ দেখা হলে 'কৱিয়শঃপ্ৰাৰ্থী' —কালিদাসে তেওঁৰ নিজস্ব প্ৰতিভাৰ পৰশত সমুজ্জল, অনুপম, অনিন্দ্য-সুন্দৰ এই কবিতাটিক আনৰ পৰা

ধাৰ কৰি অনা পুৰণি বাক্যাংশ এটাৰ সংযোগত মলিন কৰি পেলোৱাৰ সন্তোষজনক কাৰণ বিচাৰি পোৱা নাযায়।

অশ্বঘোষৰ—

"ৱাতায়নেভ্যশ্চ ৱিনিঃসৃতানি পৰস্পৰোপাশ্ৰিত কুণ্ডলানি।
স্ত্ৰীনাংৱিৰেজুৰ্মুখপঙ্কজানি সক্তানি হৰ্ম্যেষ্বিৱ পঙ্কজানি॥

আৰু—

"ৱাতায়নানামৱিশাল ভাৱাদন্যোন্য গণ্ডাৰ্পিত কুণ্ডলানি।
মুখানি ৰেজুঃপ্ৰমদোত্তমানাং বদ্ধাঃকলাপা ইৱ পঙ্কজানাম্॥"

এই পদ্য দুটাৰ লগত কালিদাসৰ—

"তাসাংমুখৈৰাসৱগন্ধগৰ্ভৈ ৰ্ব্যাপ্তান্তৰাঃসান্দ্ৰকুতূহলানাম্।
ৱিলোলনেত্ৰ ভ্ৰমৰৈৰ্গৱাক্ষাঃ সহস্ৰপত্ৰাভৰণা বভূবুঃ॥"

এই পদ্যৰ যি মিল দেখা যায় তাৰ দ্বাৰাই অধ্যাপক কাৱেল চাহাবকে আদি কৰি পণ্ডিত সকল অশ্বঘোষৰ পদ্যৰ পৰাই কালিদাসে এই পদ্যৰ ভাৱাৰ্থ গ্ৰহণ কৰিছে বুলি নিশ্চিত ভাৱে ধৰি লৈছে; কিন্তু তাতকৈ, এই দুয়োজনা কৱিয়ে এই পদ্যৰ ভাৱাৰ্থ ৰামায়ণৰ পৰা গ্ৰহণ কৰিছিল বুলি ধৰি লোৱাটোহে অধিক সঙ্গত যেন লাগে।

"তাসাং সংবৃত দন্তানি মিলিতাক্ষীণি মাৰুতিঃ।
অপশ্যৎ পদ্মগন্ধীনি ৱদনানি সুযোষিতাম্॥
প্ৰবুদ্ধানীৱ পদ্মানি তাসাংভূত্বা ক্ষপাক্ষয়ে।
পুনঃ সংবৃত পত্ৰাণি ৰাত্ৰাৱিৱ বভুস্তদা॥" ৫।৯।৩৭-৩৮

এইবিলাক শ্লোকৰ ভিতৰত উপৰত উদ্ধৃত অশ্বঘোষ আৰু কালিদাসৰ পদ্যৰ ভাৱ (ব্যঙ্গাৰ্থ) আৰু অৰ্থ (বাচ্যাৰ্থ) সকলোখিনি পোৱা যায়। এই ক্ষেত্ৰত দুয়োজন কৱিয়ে ৰামায়ণৰ পৰা বিষয় বস্তু গ্ৰহণ কৰিছে যদিও অশ্বঘোষৰ "স্ত্ৰীনাংৱিৰেজুৰ্মুখপঙ্কজানি সক্তানিহৰ্ম্যেষ্বিৱপঙ্কজানি"। এই পদ্যৰ ৰূপক অলঙ্কাৰৰ লগত উপমা অলঙ্কাৰৰ প্ৰয়োগ সুসঙ্গতিপূৰ্ণ হোৱা নাই, পঙ্কজানি পদৰ পুনৰুক্তিদোষ ঘটিছে— গতিকে কাব্য শোভাৰ পিনে দিও ৰচনাটি তৰল হৈ পৰিছে। 'মুখপঙ্কজানি'ৰ ঠাইত 'মুখমণ্ডলানি' হোৱা হলে সেই দোষ নঘটিলহেতেন। কিন্তু সেই একে অৰ্থ ই কালিদাসৰ ৰচনাত পৰিপূৰ্ণ ভাৱে অভিব্যক্ত ৰূপক অলঙ্কাৰৰ যোগেদি অধিক সুন্দৰ হৃদয়গ্ৰাহী হৈ উঠিছে।

এইদৰে অন্যান্য ক্ষেত্ৰতো য'ত অশ্বঘোষৰ ৰচনাৰ লগত কালিদাসৰ ৰচনাৰ মিল পোৱা যায় তাত বৰ্ণনীয় প্ৰসঙ্গত কালিদাসৰ ৰচনা যিমানদূৰ সঙ্গত যেন লাগে অশ্বঘোষৰ ৰচনা সিমান দূৰ সঙ্গত বা নৱীকৃত যেন নালাগে। বাহুল্যৰ ভয়ত এইবিষয়ে আৰু অধিক উদাহৰণ প্ৰদৰ্শনৰ লোভ সম্বৰণ কৰা হ'ল।

বাল্মীকি আদি পূৰ্ব্ব কৱিৰ পৰা আহৃত ভাৱ-ভাষা ছন্দ-অলঙ্কাৰ আদিক কালিদাসে যিমানদূৰ অভূতপূৰ্ব ৰূপ সজ্জাৰে সুসজ্জিত বা অভিনৱ ভাৱ সম্ভাৰেৰে সুসম্ভৃত নাইবা অদৃষ্টপূৰ্ব শব্দ গাথনিৰে সুসংগঠিত অথবা নিজস্ব ৰচনা কৌশলেৰে সুললিত তথা বিকশিত কৰি তুলিছে আৰু নৱ ৰূপায়ণ কাৰ্যত তেওঁ যিমানখিনি কৃতকাৰ্য্য হব পাৰিছে অশ্বঘোষে সিমানদূৰ কৰা নাই আৰু সিমানখিনি কৃতকাৰ্য্যতা লাভ কৰিবও পৰা নাই।

কালিদাসে যদি অশ্বঘোষৰ গ্ৰন্থ দেখিলেহেঁতেন আৰু জানি শুনি যিদৰে মহৰ্ষি বাল্মীকিৰ পৰা গ্ৰহণ কৰিছে সেইদৰে অশ্বঘোষৰ পৰাও কাব্যৰ উপাদান গ্ৰহণ কৰিলেহেঁতেন তেন্তে তেওঁ যেনেকৈ বাল্মীকিৰ পৰা গৃহীত বিষয় বস্তুক অপৰিবৰ্ত্তিত বা অল্পপৰিবৰ্তিতভাৱে উপস্থাপিত নকৰি নিজ প্ৰতিভাৰে অভিনৱৰূপে ৰূপায়িত কৰি, আনে ধৰিব নোৱাৰাকৈ উপস্থাপিত কৰিছে তেনেকৈ অশ্বঘোষৰ পৰা গৃহীত বিষয়কো আনে ধৰিব নোৱাৰাকৈ নতুন ৰূপে উপস্থাপিত কৰিলেহেঁতেন।

কিন্তু অশ্বঘোষে নিজৰ অকুণ্ঠ প্ৰতিভা থকা সত্ত্বেও বাল্মীকি আৰু ভাসৰ পৰা গৃহীত ভাৱ আৰু ভাষা কোনো কোনো ক্ষেত্ৰত অতি অলপহে পৰিবৰ্ত্তন কৰি উপস্থাপিত কৰা দেখা গৈছে। উপৰত উদ্ধৃত "শচীপতেঃ কেতুৰিৱোৎ সৱক্ষয়ে"—এই ৰামায়ণৰ পদ্যাংশ আৰু "কাষ্ঠাগ্নি জায়তে মথ্যমানাৎ"—এই ভাসৰ পদ্যই তাৰ নিদৰ্শন।

কালিদাসে বাল্মীকিৰ পৰা যিখিনি গ্ৰহণ কৰিছে



তাক তেওঁ স্বপ্ৰতিভা খটুৱাই নতুন ভাৱে সজাই পৰাইহে উপস্থাপিত কৰিছে অথচ অশ্বঘোষৰ পৰা যি গ্ৰহণ কৰিছে বুলি কোৱা হয় তাক অতি ঈষৎপৰিৱৰ্ত্তিত ভাৱে উপস্থাপিত কৰিছে। ইয়াৰ কাৰণ কি? কৱিত্বৰ ক্ষেত্ৰত অশ্বঘোষ বাল্মীকিত কৈ শ্ৰেষ্ঠ নহয় গতিকে বাল্মীকিৰ ৰচনাত কৈ অশ্বঘোষৰ ৰচনা কালিদাসৰ মানত অধিক প্ৰিয় আছিল বুলি কব নোৱাৰি। পূৰ্বোদ্ধৃত স্থানবিলাকত কালিদাসে অশ্বঘোষৰ অনুসৰণ কৰা হলে কৱিহিচাপে কালিদাসৰ ইমান দীৰ্ঘকাল স্থায়ী আৰু দিগন্তব্যাপী যশস্যা প্ৰসাৰিত হ'ব নোৱাৰিলেহেঁতেন।

সেই বুলি অশ্বঘোষ কালিদাসতকৈ নিম্নস্তৰৰ কৃতিত্ব সম্পন্ন লোক আছিল বুলিও প্ৰতিপন্ন নহয়। কালিদাসৰ শ্ৰেষ্ঠতা আৰু যশস্যাৰ উৎস কৱিপ্ৰতিভা। তেওঁৰ অন্যান্য যিমানেই গুণ থাকক সেইসকলো বিলাকেই কৱিত্বৰ পুষ্টিৰ সাধকৰূপে প্ৰয়োজিত হৈছে। অশ্বঘোষৰ শ্ৰেষ্ঠতা আৰু যশস্যাৰ উৎস পাণ্ডিত্য,—বিশেষকৈ বৌদ্ধ ধৰ্ম বিষয়ক বিচক্ষণতা। তেওঁৰ কাব্যিক প্ৰতিভা, বিভিন্ন শাস্ত্ৰৰ জ্ঞান, প্ৰখৰ দাৰ্শনিক দৃষ্টি, সৌন্দৰ্যবোধ আদি সকলো গুণাৱলীয়ে সেই বিচক্ষণতাৰ পৰিপূৰক ৰূপে প্ৰয়োজিত। এই জনা কৱিৰ ৰচিত কাব্যবিলাকো যে চিন, তিব্বত আদি দেশান্তৰত সমাদৃত আৰু সেই দেশৰ ভাষাত অনূদিত হৈছিল তাৰ কাৰণ কাব্যিক সম্পদৰ প্ৰতি আকৰ্ষণ নহয়, ধাৰ্মিক গুৰুত্ববোধ আৰু দাৰ্শনিক বিচক্ষণতাহে।

এইবিলাক কাৰণত কালিদাসৰ ওপৰত অশ্বঘোষৰ ৰচনাৰ প্ৰভাৱ পৰিছিল বুলি মানি লোৱাতকৈ অশ্বঘোষৰ ৰচনাতহে ব্যাস বাল্মীকি আৰু ভাসৰ ৰচনাৰ প্ৰভাৱ পৰাৰ নিচিনাকৈ কালিদাসৰ ৰচনাৰো প্ৰভাৱ পৰিছিল বুলি মানি লোৱাটো অধিক যুক্তিসংগত আৰু সেইকাৰণেই কালিদাস অশ্বঘোষৰ পূৰ্ববৰ্ত্তী কৱি আছিল বুলি কওঁতাসকলৰ মত অধিক যুক্তিযুক্ত যেন লাগে। *

* প্ৰবন্ধটি নলবাৰী সাহিত্য সমাজৰ 'মেঘদূত অধিৱেশন'ত পঠিত। —লেখক।

# অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যা

**শ্ৰীসুবোধ চন্দ্ৰ শৰ্মা**

অসম সাহিত্য-সভা পত্ৰিকাৰ চলিত ৩০ শ বছৰ ৩য় সংখ্যাত ডঃ সৰ্বেশ্বৰ ৰাজগুৰু ডাঙৰীয়াই অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে এটি আলচ আগবঢ়াই সাহিত্য-সভা পত্ৰিকাত এই বিষয়টো মুকলি কৰা বাবে ৰাজগুৰু ডাঙৰীয়ালৈ ধন্যবাদ আগবঢ়ালোঁ। আলচটিৰ পাদটীকাত পত্ৰিকাৰ সম্পাদক ডাঙৰীয়াই বিষয়টো সম্পৰ্কে অধিক আলোচনাৰ প্ৰয়োজন বুলি ইঙ্গিত দিয়াত সম্পাদক ডাঙৰীয়াকো ধন্যবাদ জনাই আমাৰ মতামত দাঙি ধৰিলোঁ।।

পুৰণি কালত যেতিয়া জীৱন-যাত্ৰা সমস্যাবহুল নাছিল, তেতিয়া আক্ষৰিক শিক্ষাই কিছু অধিক সময় ললেও বিশেষ ক্ষতি নাছিল। কিন্তু সমস্যাবহুল জীৱন যাত্ৰাৰ বৰ্ত্তমান যুগত আক্ষৰিক শিক্ষাত অধিক সময় ব্যয় কৰাটো এটা ডাঙৰ অপচয়। লিপিৰ সুগমতা নাথাকিলে এই অপচয় বন্ধ নহয়। গতিকে আমাৰ লিপি সৰল হব লাগে। আনহাতে বিজ্ঞান-সম্মত সৰল ৰোমান লিপিৰ সুচলে আমাক এটা বঢ়িয়া আদৰ্শ দেখুৱাইছে। আকৌ আমাৰ ভাষাৰ লিপিৰ জটিলতাৰ বাবে আমাৰ চুবুৰীয়া পাৰ্বত্য ৰাজ্য কেইখনে আমাৰ ভাষাৰ প্ৰতি কিছু উদাসীন মনোভাব লৈছে। ফলত অসমীয়া ভাষা-ক্ষেত্ৰৰ পৰিসৰ সংকীৰ্ণ হবৰ উপক্ৰম হৈছে। তাৰ উপৰিও আধুনিক প্ৰশাসনীয় কাৰ্যালয় সমূহৰ কাৰ্য, তৎপৰতাৰে চলাবলৈ যি হস্তমুদ্ৰণ (টাইপ ৰাইটাৰ) যন্ত্ৰ প্ৰচলন কৰা হৈছে, সেই যন্ত্ৰযো আমাৰ লিপি-প্ৰচলনৰ সুচল পাব লাগিব। এনেবোৰ কাৰণত আমাৰ লিপিৰ সৰলীকৰণ ব্যৱস্থা নিতান্ত প্ৰয়োজন। হিন্দী, বঙলা আদি উন্নত ভাৰতীয় ভাষাত ইতিমধ্যে এই আন্দোলন বহুখিনি আগবাঢ়িছে। অসমতো, ৰাজগুৰু ডাঙৰীয়াই কৰবদৰে, চুচুৰীয়া আন্দোলন এটা চলিছে। কিন্তু লিখকসকলৰ স্বেচ্ছাচাৰিতাৰ ক্ষেত্ৰ বাঢ়িছে। গুৱাহাটী বিশ্ববিদ্যালয়ে এই সম্পৰ্কত আৰু লিপান্তৰ বিষয়ত কিছু ব্যৱস্থা লোৱাটো ভাল কথা হৈছে। অসম



সাহিত্য সভাই ১৯৭২ চনত যি আলোচনা চক্ৰৰ প্ৰস্তাৱ কৰিছিল সেইটো হৈ যোৱা হলে বৰ ভাল হ'লহেঁতেন।

লিপি সৰলীকৰণ এটা ভাৱাবেগৰ বিষয় নহয়। বিচাৰ বিবেচনা আৰু যুক্তি-তৰ্ক সহকাৰে এই বিষয়ত আগ বাঢ়িব লাগিব। এটা ভাষাৰ বৰ্ণমালাই সেই ভাষাৰ ব্যাকৰণৰ প্ৰাণ বস্তু। লিপি সৰল কৰিবলৈ গৈ যাতে ভাষাৰ ব্যাকৰণ আৰু মূলৰ সমাধি ৰচনা কৰা নহয়, তালৈ প্ৰতি খোজতে চকু ৰাখিব লাগিব। এই কথা ঠিক যে, বিশেষকৈ আমাৰ যুক্তাক্ষৰ সমূহে আমাৰ ভাষা-শিক্ষাৰ জটিলতা বঢ়াইছে। গতিকে পুৰণি বৰ্ণ-বিন্যাস পদ্ধতিৰ মূল-নষ্ট নকৰাকৈ আমি কিদৰে যুক্তাক্ষৰৰ জটিলতা কমাব পাৰো, তাৰে চেষ্টা চলাব লাগে। তলত তাৰে কেইটিমান উপায় সুধীসমাজৰ বিবেচনাৰ বাবে উন্মুকিয়ালোঁ।।

১। 'ৰ' বৰ্ণৰ লগত আন ব্যঞ্জনৰ সংযোগ—দেৱনাগৰী তথা প্ৰাচীন অসমীয়া বৰ্ণবিন্যাস পদ্ধতি মতে ৰ বৰ্ণৰ লগত আন ব্যঞ্জনৰ সংযোগ ঘটিলে ৰ বিকৃত হৈ ৰেফ্ (´) ৰূপত ব্যঞ্জনটোৰ ওপৰত বহে গৈ আৰু সেই ব্যঞ্জনটোৰ দ্বিত্ব হয়। কিন্তু ঙ, ঞ, ট, ঠ, ড, ঢ, ৰ আৰু স এই কেইটা বৰ্ণৰ ৰৰ লগত সংযোগ নঘটে। (নতুন জোঁটনি মতে কিন্তু বিদেশী শব্দ লিখাত ট আৰু ড প্ৰয়োগ কৰা হয়, আৰু সিহঁতৰ ওপৰত ৰেফো বহে। যেনে—আৰ্ট, আৰ্টিষ্ট, বোৰ্ড, বোৰ্ডিং)। আকৌ ক, থ, গ, ঘ, ণ, থ, ন, প, ল, শ আৰু ষৰ দ্বিত্ব নহয়। বাকী অল্পপ্ৰাণ বৰ্ণ কেইটা আৰু যৰ দ্বিত্ব হয়। মহাপ্ৰাণ বৰ্ণ কেইটাৰ দ্বিত্ব হলে আগৰ অল্পপ্ৰাণটোৰ লগত যোগ হৈহে দ্বিত্ব হয়। এই ৰীতিমতেই কৰ্ত্তব্য পৰ্ব্বত, অৰ্জ্জুন, গৰ্ত্ত, নিৰ্ঝ্বৰ, উৰ্দ্ধ আদি জটিল যুক্তবৰ্ণৰ সৃষ্টি হৈছে।

দ্বিত্বৰ ৰীতি উঠাই দিলে কৰ্তব্য, পৰ্বত, অৰ্জুন, গৰ্ত, নিৰ্ঝৰ, উৰ্ধ আদি জোঁটানি লিখাতো উজু হয়, সময়ো কমে, উচ্চাৰণবো ব্যতিক্ৰম নঘটে, অৰ্থৰো হীন ভেটি নহয়। আধুনিক লিখক সমাজৰ প্ৰায় ভাগেই দ্বিত্বৰ বিৰোধী। অসম সাহিত্য সভাও 'ৰ'ৰ সংযোগী দ্বিত্ব বৰ্জনৰ পক্ষপাতী। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্য পুথি প্ৰকাশন সমন্বয় সমিতিয়েও কৰ্ম, কৰ্তব্য, উৰ্ধ আদি জোঁটনি সমৰ্থন কৰে। কিন্তু সূৰ্য্য, আৰ্য্য আদি শব্দত অৰ্থাৎ 'য'ৰ ক্ষেত্ৰত দ্বিত্ব ৰক্ষা কৰি চলিব খোজে। আমাৰ বোধেৰে য বৰ্ণৰ দ্বিত্ব ৰখাৰো কোনো প্ৰয়োজন নাই। সূৰ্য্য আৰু সূৰ্য, বা আৰ্য্য আৰু আৰ্য শব্দৰ উচ্চাৰণ আৰু অৰ্থৰ প্ৰভেদ একো নাই। ডঃ ৰাজগুৰু ডাঙৰীয়াই আকৌ কৰ্ম, পৰ্বত আদিত দ্বিত্ব নামানি বৰ্দ্ধন, অৰ্জ্জন, সূৰ্য্য আদিত দ্বিত্ব মানিব খোজে। আমি কওঁ—এটা নিয়ম মানি চলাটোহে উজু উপায় হব।

২। আন ব্যঞ্জনৰ লগত 'ক'ৰ সংযোগ—আন ব্যঞ্জনৰ লগত ৰৰ সংযোগ ঘটিলেও সি বিকৃত হৈ ৰকাৰ (্ৰ) হয়, আৰু সিটো ব্যঞ্জনৰো বিকাৰ ঘটায়। যেনে—ক্ৰ, ভ্ৰ, ত্ৰ। ৰ যোগৰ উজু উপায় উদ্ভাৱন কৰিব নোৱাৰালৈকে ক্ৰ, ভ্ৰ ত্ৰ আদিৰ দৰে লিখাটোৱেই ভাল হব যেন পাওঁ।

৩। ব্যঞ্জনৰ দ্বিত্ব—'ৰ'ৰ সংযোগত ব্যঞ্জনৰ দ্বিত্বই জটিলতাৰ মূল নহয়। একে দুই ব্যঞ্জনৰ যোগ হৈ অভাৱনীয় বিকাৰ ঘটায়। সেয়েহে মূল জটিলতা। যেনে—ক্ক বা ক্‌ক, ট্ট, ড্ড, ত্ত, দ্দ, ম্ম ইত্যাদি। একে দুটা মহাপ্ৰাণ বৰ্ণৰ আকৌ সংযোগ নঘটে। আগৰ অল্পপ্ৰাণ বৰ্ণৰ লগত মিলি বিকাৰ গ্ৰস্ত ৰূপ লয়। যেনে ধ্ + ধ = দ্ + ধ = দ্ধ, থ্ + থ = ত্ + থ = ত্থ ইত্যাদি। 'ৰ' ৰ সংযোগত হোৱা দ্বিত্ব বৰ্জন কৰিব পাৰি, কিন্তু ইহঁতক বৰ্জন কৰাৰ উপায় নাই। আমি ভাবোঁ, একে বৰ্ণ দুটা যোগ হোৱা বুজাবলৈ সেই বৰ্ণৰে কাষত বা তলত কিবা এটা চিন প্ৰয়োগ কৰি দ্বিত্ব বুজাব পাৰি। নতুবা দুটা বৰ্ণ ওচৰা-ওচৰিকৈ লিখি সংযোগী চিন ব্যৱহাৰ কৰিব পাৰি।

৪। পঞ্চম বৰ্ণৰ সংযোগ—ক বৰ্গৰ আখৰবোৰ, ক বৰ্গৰ পঞ্চম বৰ্ণ ঙৰ লগত, সেইদৰে চ বৰ্গৰ বৰ্ণ ঞৰ লগত, ট বৰ্গৰ বৰ্ণ ণৰ লগত, ত বৰ্গৰ বৰ্ণ

ন ৰ লগত আৰু প বৰ্গৰ বৰ্ণ ম ৰ লগতহে যোগ হয়। বৰ্ণ সংযোগৰ এই ৰীতি ৰক্ষা কৰি, ব্যঞ্জন সন্ধিৰ বিধিমতে 'যি বৰ্গৰ বৰ্ণ পাছত থাকে আগৰ পদৰ অন্তঃস্থ ম ৰ ঠাইত সেই বৰ্গৰ পঞ্চম বৰ্ণ হয়।' যেনে —সম্+গীত=সঙ্গীত, শম+কৰ=শঙ্কৰ, সম্+জ্ঞাত =সঞ্জাত, কম্+টক=কণ্টক, সম্+তান=সন্তান, সম্+মান=সন্মান। সন্ধিৰ এই বিধি লৈ লক্ষ্য নকৰাকৈ শংকৰ বা সংগীত লিখিলেই বিশেষ লাভ নহয়। ঙৰ পৰিবৰ্তে ং প্ৰয়োগ কৰাৰ দৰে ঞ, ণ' ন, আৰু ম ৰ পৰিবৰ্তেও কিবা উজু সংকেত উলিয়াবলৈ যত্ন কৰিব লাগে। 'ৰাষ্ট্ৰ' ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতিয়ে পঞ্চম বৰ্ণৰ পৰিবৰ্তে নক্তা (Nasal dot) অৰ্থাৎ ওপৰত এটা ফুট ব্যৱহাৰ কৰাৰ ৰীতি বহুদিনৰ পৰা চলাই আহিছে। এই নক্তা যি বৰ্ণৰ আগত থাকে,—নক্তাৰ পৰিবৰ্তে সেই বৰ্গৰ পঞ্চম বৰ্ণ উচ্চাৰণ কৰিব লাগে। কিন্তু এনে সৰলী কৰণো প্ৰাথমিক শিক্ষাৰ্থীসকলৰ কাৰণে উজু নহয়।

আনহাতে শম্+শয়=সংশয়, সম্+কাৰ=সংস্কাৰ আদি সন্ধিত ম্ বৰ্ণটো ং লৈ ৰূপান্তৰিত হোৱাবলৈ চাই ম্ ৰ ঠাইত হোৱা ঙ ৰ পৰিবৰ্তে ং প্ৰয়োগ কৰিব পাৰি। সেইবুলি এই ৰীতিত এটা সংগত বিধিত পৰিণত কৰি লব লাগিব। তেতিয়া শংকৰ, সংগীত অংক, অংগাভৰণ আদি জোঁটনিত আপত্তি নাথাকিব। ৰাজগুৰু ডাঙৰীয়াই এনে জোঁটনিয়ে ভাষাক পঙ্গু লগা কৰিব বুলি সন্দেহ কৰিছে। আমি কওঁ ভাষাৰ ওজস্বিতা নিৰ্ভৰ কৰে উচ্চাৰণৰ ওপৰত ; আখৰৰ জটিল পাকৰ ওপৰত নহয়। সঙ্গীত জোঁটনিৰ যি উচ্চাৰণ সংগীতৰো সেই একেই উচ্চাৰণ। কিন্তু সংগীত লিখাত সুগম। সৰলীকৰণত এনেবোৰ জোঁটনিয়ে ঠাই পাব লাগে। তেনেদৰে আজি কালিৰ বহু লিখকে সঞ্চয়ৰ পৰিবৰ্তে সঞ্চয়, বুৰঞ্জীৰ পৰিবৰ্তে বুৰঞ্জী লিখে। এনে জোঁটনিবোৰো সহানুভূতিৰে বিবেচনা কৰিব লাগিব নিশ্চয়। কিন্তু এইবিলাকতকৈও কিবা উজু উপায় উদ্ভাৱন কৰিব পাৰি নেকি চিন্তা কৰিব লাগিব। প্ৰতিটো আখৰ গুটীয়াকৈ লিখি সিবিলাকৰ তলত লেঠাৰী বা সংযোগ-সূচক কিবা চিন প্ৰয়োগ কৰিব পাৰিলে বহু জটিলতা কমে। ডাঃ ৰাজগুৰু ডাঙৰীয়াই গল্প, প্ৰবন্ধ বুৰন্জী আদি জোঁটনিক কোনোমতে প্ৰশ্ৰয় দিব খোজা নাই। যদি পুৰণি পদ্ধতিকেই স্থিতাৱস্থাত ৰাখিব খোজা হৈছে তেন্তে সৰলীকৰণৰ এই আন্দোলন অনাৱশ্যকীয়।

৫। অন্যান্য ব্যঞ্জনৰ সংযোগ—স্+ক=স্ক, ষ্+ক =ষ্ক, শ+য=শ্য, ষ্+ট্+ৰ=ষ্ট্ৰ, ন্+ম=ন্ম, ম্+ম=ম্ম আদি লিপি জটিলতাই শিক্ষাৰ্থীৰ অগ্ৰগতিত যথেষ্ট প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। গতিকে এইবোৰ ক্ষেত্ৰটো গুটীয়াকৈ লিখি সংযোগ বুজোৱা চিন প্ৰয়োগ কৰিব লাগে।

ন্+ম=ন্ম, আৰু ম্+ম=ম্ম দুয়োটা যুক্তাক্ষৰৰ ছপা ৰূপৰ প্ৰভেদ বৰ সামান্য। আৰু এই কাৰণেই বহুতে সম্+মিলন=সম্মিলনৰ ঠাইত সন্মিলন আৰু সম্+মান=সম্মানৰ ঠাইত সন্মান উচ্চাৰণ কৰে। উচ্চাৰণ মতে এতিয়া লিখা—ছপা সকলোতে বিভ্ৰাট ঘটিছে। জোঁটনিৰ যোগেদিহে এনেবোৰ ভুল শুদ্ধ হব পাৰে।

৬। বৰ্ণ বৰ্জন—স্বৰবৰ্ণৰ ৯ আৰু ৠ ইতিমধ্যে পৰিত্যক্ত হৈছে। উচিতো হৈছে। বাকী বৰ্ণৰ ভিতৰত বৰ্জনীয় বৰ্ণ আমাৰ বোধেৰে নাই। চ, ছৰ উচ্চাৰণ একাকাৰ বুলি এটা বাদ দিব খোজাৰ যুক্তি নাই। নিৰক্ষৰ মানুহৰ মুখত চ, ছ ৰ উচ্চাৰণ একে হলেও অল্প প্ৰাণ চ আৰু মহাপ্ৰাণ ছ ৰ উচ্চাৰণ একাকাৰ নহয়। ৰাজগুৰু ডাঙৰীয়াই কৰৰ দৰে আমিও কওঁ— শিক্ষাৰ প্ৰসাৰ বৃদ্ধি হোৱাৰ লগে লগেই ভাষাও অধিক সংস্কৃতীয়া হব ধৰিছে। গতিকে চ আৰু ছ ৰ একাকাৰ উচ্চাৰণ এৰি শুদ্ধ উচ্চাৰণ কৰিবলৈ ধৰিলে ভাষাৰ ওজস্বিনী শক্তি বাঢ়িব নিশ্চয়। হিন্দী, বঙালী, সংস্কৃত ইংৰাজী আদি ভাষা পঢ়িবলৈ গলেই চ ৰ শুদ্ধ উচ্চাৰণ





কৰিব লগীয়া হয়। ইতিমধ্যে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পাঠ্য-পুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে Cধ্বনি ( লিখিত ch, tch. tu, ti ) অসমীয়া "চ" ৰে লিখিবলৈ নিৰ্দেশ দিছেই। গতিকে অসমীয়া শিক্ষাৰ গুৰিৰ পৰা চ ৰ উচ্চাৰণ শুদ্ধ ভাবে শিকালে চ, ছ ৰ এটাও বৰ্জনীয় নহয় বুলি প্ৰমাণ হব।

আনহাতে পাচ, পিচ, পাচত, পিচত আদি শব্দত চ লিখাৰ যুক্তি তৰল বুলি আমি ভাবোঁ। পশ্চাৎ শব্দৰপৰা অপভ্ৰংশ হোৱা গতিকে এইবোৰ শব্দত শ্চ যুক্ত বৰ্ণৰ ঠাইত মহাপ্ৰাণ ছ বৰ্ণটোহে প্ৰয়োগ কৰা উচিত যেন লাগে। ভাষাৰ ওজা বৰুৱাদেৱৰ মতৰ বিৰুদ্ধে বহুত লিখকে ছ লিখা বাবেহে আমিও সমৰ্থন কৰিছো।

শ, ষ আৰু স বৰ্ণৰ উচ্চাৰণৰ বিভিন্নতা থকা বুলি কলেও কাৰ্যত: ইহঁতৰ উচ্চাৰণ একাকাৰ। পৰিস্কাৰ আৰু পুৰস্কাৰ শব্দৰ ষ আৰু সৰ উচ্চাৰণ একে। উচ্চাৰণৰ পাৰ্থক্যতকৈ, সন্ধিযুক্ত পদৰ লিখাৰ সুগমতাৰ বাবেহে ইহঁতৰ বিভিন্ন প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে। ঋগ্বেদ বৈদিক যুগত সৰ গুটীয়া উচ্চাৰণ অসমীয়া লোকৰ মুখৰ সৰ অনুৰূপ আছিল বুলি ভাবিবৰ থল আছে। সিন্ধু শব্দৰপৰা হিন্দু শব্দৰ উৎপত্তিয়েই ইয়াৰ প্ৰথম সাক্ষী। সন্ধাত বিসৰ্গকে দ্বিতীয় সাক্ষীৰূপে লব পাৰোঁ। যেনে— মনস্=মনঃ (মনহ্), ৰজস্= ৰজঃ (ৰজহ্), তেজস্=তেজঃ (তেজহ্)। সি যিয়েই নহওক বিভিন্ন স্বৰবৰ্ণৰ পাছত লিখাত, আৰু বিভিন্ন ব্যঞ্জনৰ লগত যোগ কৰাত ইহঁতৰ বিভিন্ন যুগমতা আছে। তাৰ উপৰিও ইহঁতৰ কোনোবা এটা বা দুটা বৰ্জন কৰিলে আমাৰ মূল হেৰোৱাৰ আশংকা আহি পৰিব।

৭। শ, ষ, সৰ পৰিবৰ্তে ছ— শ, ষ আৰু স বৰ্ণত স্বৰ যোগ নাথাকিলে বা ব্যঞ্জনযুক্ত হলে সিহঁতৰ উচ্চাৰণ ছ ৰ দৰে হয়। কেতিয়াবা স আখৰটো আগৰ স্বৰহীন ব্যঞ্জনত, সংযোগ নিষেধৰ বাবে যুক্ত নহয়। কিন্তু সি হলন্ত ব্যঞ্জনৰ পাছত থকা বাবে, যুক্ত হোৱা বুলি ধৰিলৈ তাৰ ছ উচ্চাৰণ কৰিব লাগে। যেনে— চিকিৎসা=চিকিৎছা, উৎসাহ=উৎছাহ, উৎসৱ=উৎছৱ, তৎসম=তৎছম। বহুতে কিন্তু স হে উচ্চাৰণ কৰে। বিশেষকৈ গুৱাহাটী অনাতাৰ কেন্দ্ৰই এই সম্পৰ্কে বিশেষ মনোযোগ দিয়া যেন নালাগে। আকৌ উনৈশ্, বিশ্, একৈশ্ আদি সংখ্যাবাচক শব্দৰ শেষৰ শ টো হলন্ত বুলি ধৰিলৈয়েই আমি উনৈছ, বিছ, একৈছ আদিৰ দৰে উচ্চাৰণ কৰি আহিছোঁ। বৰ্ত্তমান গুৱাহাটী বিশ্ব-বিদ্যালয় প্ৰকাশন সমন্বয় সমিতিয়ে কি উনৈছ, বিছ, একৈছ আদিৰদৰে লিখিবলৈ পৰামৰ্শ দিছে। ই কিমান সংগত হৈছে চিন্তা কৰিব লাগিব। এই অনুকৰণত যদি কোনোবাই সুৰেশ, সুৰেন্দ্ৰ, পৰেশ, যোগেশক ছুৰেছ, ছুৰেন্দ্ৰ, পৰেছ, যোগেছ কৰে তেতিয়া কি হব ? কাৰণ সংস্কৃত, ইংৰাজী, হিন্দী, বঙলা আদি ভাষাৰ প্ৰভাৱত বহুতেই ছুৰেছ, ছুৰেন্দ্ৰ, পৰেছ, যোগেছ উচ্চাৰণহে কৰে। সৰ্বভাৰতীয় শিৱাজী আদি শব্দ ছিৱাজী আদি উচ্চাৰণ কৰা হয়। সেইবুলিয়েই ছিৱাজী লিখিব লাগিব নে ?

৮। ই আৰু ঈ— ডঃ ৰাজগুৰু ডাঙৰীয়াৰ লগত আমি একমত যে ই আৰু ঈ ৰ যথাযথ উচ্চাৰণ আমাৰ ভাষাত নাই। অথাপি লিঙ্গবিচাৰ, প্ৰকৃতি-প্ৰত্যয় নিৰ্ণয় পদৰ বাছনি আদি ক্ষেত্ৰত ইহঁতৰ আৱশ্যকতা আছে। সেই বাবে আমি ইহঁতৰ এটাকো বৰ্জন কৰাৰ পক্ষপাতী নহওঁ। সেই বুলি ডঃ ৰাজগুৰু ডাঙৰীয়াই লিখাৰ দৰে বটালী, বগৰী, নামনী, উজনী নিলিখি আমি বটালি, বগৰি, নামনি, উজনিহে লিখোঁ। বটালি, বগৰি ক্লীব লিঙ্গ সূচক শব্দ। নামনি আৰু উজনি শব্দত ভাবাৰ্থে—'অনি' প্ৰত্যয় হৈছে। এই অনি প্ৰত্যয় স্ত্ৰী প্ৰত্যয়ৰ অনী বা নী নহয়। গতিকেই ইবোৰত ঈ প্ৰয়োগৰ কাৰণ বুজা নাযায়। কমাৰনী, কুমাৰণী, বৰুৱানী, কলিতানী আদি শব্দত স্ত্ৰী প্ৰত্যয় যোগ হোৱাত সিবিলাক ঈকাৰান্ত হবই। নদীও স্ত্ৰী প্ৰত্যয়ান্ত পদ। ছোৱালী নিজেই স্ত্ৰী লিঙ্গ সূচক শব্দ।

নামতী, ফুলতী, লাহতী, সখিয়তী আদি শব্দত তদ্ধিত অতী প্ৰত্যয় যোগ হৈছে। 'অতী' প্ৰত্যয়টো স্ত্ৰী প্ৰত্যয়। কৰতী, মৰতী, খাতী, দিয়তী, নিয়তী আদি শব্দত কৃৎ অতী প্ৰত্যয় যোগ হৈছে। ওতা প্ৰত্যয়ৰ বিপৰীত লিঙ্গত অতী প্ৰত্যয় যোগ দিয়া হয়। সংস্কৃত ইন্ ভগান্ত শব্দবোৰ পুংলিঙ্গৰ প্ৰথমাৰ একবচনত ঈকাৰান্ত হয়। তৎসম এই শব্দবোৰ সেই ৰূপতেই আমাৰ ভাষাত ব্যৱহৃত হয়। যেনে—ধনী, মানী, গুণী, যশস্বী, মায়াবী ইত্যাদি। কপাহী, কঁাহী, বাহী, পিতলী আদি শব্দত সেই বস্তুৰে নিৰ্মিত, এনে অৰ্থত ঈ প্ৰত্যয় হয়। আৰস্তুণিৰ গীত=আৰস্তুণি গীত, সামৰণিৰ গীত—সামৰণি গীত, ষষ্ঠীতৎপুৰুষ সমাস সিদ্ধ পদ বুলিয়েই আমি ইকাৰ ব্যৱহাৰ কৰোঁ। আকৌ বঁটাবিতৰণী সভা, প্ৰদৰ্শনী আদিক স্বাভাৱিক স্ত্ৰীলিঙ্গ বুলিয়েই তাত ঈ প্ৰয়োগ কৰোঁ। বিশেষণ পদত ঈ প্ৰয়োগ হব বুলি কিবা নিয়ম থকাটো আমি নাজানো অৱশ্যে। স্ত্ৰীলিঙ্গ সূচক পদৰ বিশেষণত ঈ যোগ হয়। সেই বুলি আগলি বতৰা, আগলি পাতৰ ঠাইত আগলী বতৰা, আগলী পাত হব নে? অৱশ্যে এই কথা ঠিক যে ইইতৰ প্ৰয়োগত যথেষ্ট খেলিমেলি আছে। এজনে লিখে ৰঙালী বিহু, আন জনে লিখে ৰঙালি বিহু। একেটা কবিতাৰে এঠাইত পোৱালী আন এঠাইত পোৱালি। এই সম্পৰ্কত সুচিন্তিত নীতি নিৰ্ধাৰণৰ দৰ্কাৰ।

৯। ৺ ৰ প্ৰয়োগ—মৃতজনৰ নামৰ আগত ৺ ব্যৱহাৰ কৰাৰ দৰে মৃত বৰ্ণৰ (লুপ্ত) স্থানৰ আগত ৺ প্ৰয়োগ হয়। যেনে— যন্ত্ৰ=যঁতৰ, গণ্ডাৰ=গঁড়, দন্ত=দাঁত আৰু ভাণ্ডাৰ=ভঁড়াল বা ভঁৰাল। এই সূত্ৰমতেই কুমাৰ =কোঁৱৰ, কুমাৰী=কুঁৱৰী, গ্ৰাম=গাঁও হব লাগে। কিন্তু কিছুমানে কোৱঁৰ, কুৱঁৰী, গাওঁ হে লিখে। কোনটো শুদ্ধ? অৱশ্যে বৰ্ণ লুপ্ত বা বিকৃত হৈ ও বা ৱ লৈ ৰূপান্তৰিত হলে, ৺ সেই ও বা ৱৰ ওপৰত বহিব বুলি এটা সিদ্ধান্তও লব পাৰি।

ৰাজগুৰু ডাঙৰীয়া প্ৰথম পুৰুষৰ নিত্যবৰ্তমান কালৰ ক্ৰিয়াত হে ৺ প্ৰয়োগ কৰাৰ পক্ষপাতী। আমি কিন্তু সকলো কালৰেই প্ৰথম পুৰুষৰ ক্ৰিয়াত ৺ প্ৰয়োগৰ পক্ষপাতী। অৱশ্যে ভৱিষ্যৎ কালত আনুমানিক ম বৰ্ণৰ ওপৰত ঁ এনেয়ে নবহে। সেইদৰে জান্, নাজান্ আদি ধাতুৰ নিত্যবৰ্তমান কালৰ প্ৰথম পুৰুষৰ ক্ৰিয়াতো জানো, নাজানো হে হব, জানোঁ, নাজানোঁ নহব। (তেওঁ) কামটো কৰিছিলে, ফলহে নধৰিলে আকৌ (মই) কামটো কৰিছিলোঁ, ফলহে নধৰিল। এনেবোৰ কথাত ঁৰ প্ৰয়োগ নহলে অৰ্থ মুকলি হবনে? গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি কিন্তু প্ৰথম পুৰুষৰ ক্ৰিয়াত ঁ ৰখাৰ পক্ষপাতী। ওতা আৰু ওতে প্ৰত্যয়ৰ চন্দ্ৰবিন্দু ইত, ইক, হৈতেনৰ চন্দ্ৰবিন্দু আৰু বৰ্তমান কালৰ অনুজ্ঞাৰ ক্ৰিয়াৰ ঁ, বৰ্জন কৰিলেও অৰ্থৰ ব্যতিক্ৰম নহব যেন লাগে।

আকৌ ৺হেমচন্দ্ৰ বৰুৱা=স্বৰ্গীয় হেমচন্দ্ৰ বৰুৱা, ৺ঈশ্বৰ=স্বৰ্গদেও ঈশ্বৰ, ৺শ্ৰীশ্ৰীশঙ্কৰদেৱ=ঈশ্বৰ শ্ৰীশ্ৰীশঙ্কৰদেৱ. ৺ৰীশ্ৰী শ্ৰীদুৰ্গাদেৱী=ঈশ্বৰী শ্ৰীশ্ৰীদুৰ্গাদেৱী ইত্যাদি পাঠ লুপ্ত প্ৰায় হ'ল। লুপ্ত হবলৈ দিয়াই উচিত, নে উদ্ধাৰ কৰাই উচিত সুধীসমাজে বিবেচনা কৰিব লাগে।

অবাঞ্ছনীয় জটিলতা—আৰবী, উৰ্দু, পাৰ্ছিয়ান আদি বিদেশীভাষাৰ অলেখ শব্দ আমাৰ ভাষাত জাহ গল। সিবিলাকৰ মূল বৰ্ণবিন্যাসলৈ লক্ষ্য নকৰি আমি উচ্চাৰণ অনুসৰি লিখোঁ। সেই বাবে শ্বেৰ শ্বাহ, বাদশ্বাহ, শ্বাহজাহান আদি শব্দৰ জটিল জোঁটনি বাদ দি ছেৰছাহ, বাদছাহ, ছাহজাহান আদিৰ দৰে লিখিলে অনৰ্থক জটিলতা কিছু বাদ পৰে। শ্বিলং শব্দৰ পৰিবৰ্তে ছিলং লিখিলে উচ্চাৰণৰ বিশেষ ব্যতিক্ৰম নহয়, কিন্তু লিখাত সুগম হয়।

ব্যঞ্জনত স্বৰ-যোগ—ব্যঞ্জনত যোগ হোৱা স্বৰবৰ্ণ ব্যঞ্জনৰ পাছত যোগ হয়। আমাৰ লিপিত কিন্তু কিছুমানক আগত, কিছুমানক পাছত আৰু কিছুমানক তলত যোগ দিয়া হয়। এই পদ্ধতি বিজ্ঞান-সন্মত নহয় বুলি,



বহুতৰ ধাৰণা। ছিলং মুকুল সংঘই স্বৰবৰ্ণবোৰ পাছত লগাই লিখাহে উচিত বুলি, আজি ১০/১২ বছৰ আগতে এটা আন্দোলন চলাইছিল। তাৰ আগতেও কিছুমান অসমীয়া লিখকে 'বৰদাস' লিপিৰ উদ্ভাৱন কৰি, মাজে মাজে বাতৰি কাকততো একো স্তম্ভ কথা লিখিছিল। অৱশ্যে এনে আন্দোলনৰ যুক্তি আছে। পিছে এক ব্যাপক পৰিবৰ্তনৰ মাজত মূলো হেৰাব পাৰে বুলিয়েই হয়তো আমাৰ সমাজে তেনেবোৰ আন্দোলনৰ লগত সহযোগ কৰা নাই। তাৰ উপৰিও একেজাপে টিঙত উঠিবলৈ গলে বিপদ আছে। তথাপিও কেইটামান কথা বিবেচনা সাপেক্ষ। উ আৰু ঊ যোগত কেইবাটাও ব্যঞ্জনৰ বিকাৰ হয়। যেনে—গু, শু, ৰু, ৰূ, ত্ৰু, শ্ৰু, শ্ৰূ, ত্ৰূ, গ্ৰু, ইত্যাদি। এইবোৰ বিকাৰ গুচাই গ্ু, শ্ু, ৰ্ু, ৰ্ূ, ত্ৰ্ু, শ্ৰ্ু, শ্ৰ্ূ, ত্ৰ্ূ, গ্ৰ্ু আদি দৰে লিখিলে লিপি উজু হয়।

ৰাজগুৰু ডাঙৰীয়াই পৰিবৰ্তিত আখৰ-জোঁটনিৰ লগত সম্পৰ্ক ৰক্ষা কৰি এখন ব্যাকৰণ, এখন অভিধান আৰু এখন অসমীয়া ভাষাৰ ঐতিহাসিক ব্যাকৰণ ৰচনাৰ কথা উল্লেখ কৰিছে। ই নিশ্চয় বিজ্ঞোচিত পৰামৰ্শ। কিন্তু তেখেতে এই গ্ৰন্থ তিনিখনিক যিদৰে অগ্ৰাধিকাৰ দিছে আমি সেইদৰে দিব নোৱাৰোঁ। কাৰণ আমাৰ বৰ্ণবিন্যাসৰ সৰলীকৰণ কি পটভূমিত কি ধৰণে, কিমান খিনিলৈ কৰা যায়, তাৰ থাটাং সিদ্ধান্ত নকৰাকৈ সেই বিষয়ৰ ব্যাকৰণ লিখিবলৈ দিয়াটো নিৰৰ্থক। লিখিলেও তাত লিখকৰ ব্যক্তিগত মতকহে সকলো ক্ষেত্ৰতে সাব্যস্ত কৰা হব। তেতিয়া নিশ্চয়ে মতভেদৰ সৃষ্টি হব, আৰু ব্যাকৰণ ৰচনাৰ শ্ৰম আৰু অৰ্থ অপলে যাব। অভিধানৰ ক্ষেত্ৰতো সেই একে যুক্তি প্ৰযোজ্য। আমি কব লাগিলে সাহিত্য সভাই এখনি আলোচনা-চক্ৰৰ ব্যৱস্থা কৰিব লাগে। এই আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰিবলৈ অসমৰ বিশিষ্ট ভাষাবিদ, শিক্ষাবিদ, প্ৰত্নতাত্বিক (যিসকলে পুৰণি শিলালিপি, তাম্ৰলিপি আদিৰ পাঠ উদ্ধাৰ কৰিব পাৰে) আৰু লিপি পৰিবৰ্তনত আগ্ৰহশীল লোকসকলক আহ্বান কৰিব লাগে। গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ পাঠ্য-পুথি প্ৰকাশন সমন্বয় সমিতিৰ দৰে এই আলোচনা চক্ৰই সৰলীকৰণৰ যাবতীয় পদ্ধতি বা ৰীতি নীতি স্থিৰ কৰি দিয়ক। তাৰ পাছত প্ৰথম কাৰ্য্যকৰী পদক্ষেপ হিচাপে এখন বৰ্ণ পৰিচয়ৰ পাঠ্য পুথি সংকলন কৰাই চৰকাৰৰ অনুমোদন সাপেক্ষে সেই কিতাপখন গোটেই ৰাজ্যৰ প্ৰাথমিক স্কুলবোৰত চলোৱাৰ ব্যৱস্থা লওক। এনে ব্যৱস্থাই সাহিত্য সভাৰ পুঁজিও টনকিয়াল কৰাৰ আশা আছে। এই কিতাপখনিৰ নতুন বৰ্ণবিন্যাসে কি কি বাধা-বিপত্তিৰ সন্মুখীন হয় লক্ষ্য কৰক। দ্বিতীয় পদক্ষেপত আৰু দুই এখন শিশুপাঠ্য ৰচনা কৰাই তাৰ সফলতা-বিফলতা পৰ্যবেক্ষণ কৰক। দৰ্কাৰী আৱশ্যকীয় সংশোধনেৰে তৃতীয় পদক্ষেপত ব্যাকৰণ আৰু অভিধানৰ কাম হাতত লওক। ঐতিহাসিক ব্যাকৰণ খনিৰ বিষয় বস্তু ব্যাপক হব নিশ্চয়। তাৰ ৰচনা কালো দীঘল হব। সিখনৰ সংকলন কিছু পাছলৈ হলেও আপত্তি কৰিব লগীয়া বিশেষ একো নাথাকিব।

# মৰমে মৰম নিগৰে

শ্ৰীযন্ত্ৰ বৰপূজাৰী

লাহে লাহে পৃথিৱীৰ বুকুত ৰাতি গভীৰ হৈ পৰিল। কেটোৰ ক'লা আন্ধাৰে পৃথিৱীখনক সাৱটি ধৰেহি।

জৰা-জীৰ্ণ কোঠাটোৰ চাৰিউ চুকত ঘন আন্ধাৰ যেন বেছি গাঢ় হৈ পৰিল। কোঠাটোৰ এটা চুকত থকা লেম্‌টোৰ ক্ষীণ পোহৰৰ ৰেঙণিবিলাকে বেৰত মাজে মাজে নাচোন জোৰে। কোঠাটোৰ আন এটা চুকত মাটিত এখন বেঁছ ডাঙৰ ঢলা-বিছনা পাৰি থোৱা আছে। তৰি থোৱা আঠুৱাখন যথেষ্ট ডাঙৰ যদিও অৱস্থা কিন্তু বৰ শোচনীয়। তথাপি বিৰাট শেতেলিখন সাৱটি লব পৰা ক্ষমতাৰে এতিয়াও থিয় হৈ আছে। সেই আঠুৱাখনৰ ভিতৰত পাঁচটি শিশু গভীৰ নিদ্ৰাত লালকাল হৈ পৰি আছে। চৰাই পোৱালিৰ দৰে অসহায় করুণ বিষাদসনা সৌন্দৰ্য্য সিহঁতৰ মুখকেইখনিত ফুটি উঠিছে।

বিছনাখনৰ একাষে এই পাঁচটি সন্তানৰ মাতৃ, জেনী নিশ্চল শিলৰ মূৰ্তিৰ দৰে বহি আছে। তাইৰ ডাঙৰ ডাঙৰ চকু দুটাত কিবা অসহ্য দুশ্চিন্তাৰ ৰেখা স্পষ্ট হৈ উঠিছে। এই ছটি প্ৰাণীৰ উশাহ-নিশাহতো বাহিৰৰ বিশাল সাগৰৰ গৰ্জনিয়ে জেনীৰ বুকুত কিবা অজান আশঙ্কাৰ কপনি তোলে। বতাহ-ধুমুহা-বৰষুণত অসহ্য হৈ সাগৰে যেন সিংহৰ দৰে গুজৰিছে। সেই গোজৰণিত ঘৰৰ দুৱাৰ খিড়িকীবোৰ সঘনে কঁপিবলৈ ধৰিছে। জাৰকালিৰ হিম-চেঁচা বতাহছাটি গাত লাগিলে বৰফ হৈ যোৱা যেন লাগে। অথচ এই কাল-ধুমুহাৰ ৰাতি আন্ধাৰৰ মাজত সাগৰৰ বুকুত পাহাৰ-পৰ্বতৰ সমান ঢৌৰ লগত যুঁজ কৰি কৰি জেনীৰ মৰমৰ স্বামী কালিষ্টন মাছ ধৰাত ব্যস্ত।

কালিষ্টন আজন্ম-কাল মাছ-মৰীয়া। সদায়েই সি পাঁচটি সন্তান আৰু মৰমৰ পত্নী জেনীক দুবেলা দুমুঠি ভাত যোগান ধৰিবই লাগিব। মাছ বিক্ৰী কৰাই তাৰ একমাত্ৰ ব্যৱসায়। গতিকে দুয়োবেলা ৰ'দ, বতাহ, বৰষুণ আৰু সাগৰৰ ঢৌউৰ লগত যুঁজ কৰাই তাৰ কৰ্ত্তব্য। বিশাল সমুদ্ৰৰ বুকুত পালতৰা সৰু নাওখনি লৈ যেতিয়া কালিষ্টনে মাছ মাৰে তেতিয়া জেনীয়ে ঘৰত বহি বহি ফটা জালবোৰত টাপলি মৰাত ব্যস্ত হৈ পৰে। যি মুহূৰ্ততে ল'ৰা-ছোৱালী পাঁচটি নিদ্ৰাদেৱীৰ কোলাত শুই পৰে তেতিয়াই জেনীয়ে আঁঠুকাঢ়ি কালিষ্টনৰ নিৰাপত্তাৰ বাবে আকুল হৃদয়েৰে প্ৰাৰ্থনা কৰে। বাহিৰৰ সাগৰীয় বতাহ আৰু ঢৌৰ গোজৰণিৰ লগত তাইৰ অস্ফুট উচ্চাৰিত বেদনাৰ ভাষা মিলি যায়। তাই কালিষ্টনৰ শুভ-কামনাত বুৰি যায়।

এই গাঁওখনিৰ সাগৰৰ পাৰৰ পৰা প্ৰায় দহ-মাইলমান দূৰত সাগৰৰ মাজত এডোখৰ বিশেষ ঠাইত প্ৰচুৰ মাছ পোৱা যায়। সেই ঠাইডোখৰ অৱশ্যে বিশেষ ডাঙৰ নহয়। খুব বেছি সাধাৰণ ঘৰ এটাৰ দুগুণ হ'ব। সেই ঠাইডোখৰ যেন মাছৰ ঘৰহে। কিন্তু



চাৰিউফালে সাগৰৰ অনন্ত জলৰাশিৰ মাজত সেই ঠাইডোখৰ সহজে বিচাৰি উলিওৱা বৰ টান। সেই ঠাইডোখৰ নাপালেও আনফালে শত চেষ্টা কৰিও মাছ পোৱা নাযায়। এই কথাই জেনীৰ মনত ভুমুকি মৰাৰ লগে লগে তাই বাউলী হৈ পৰে। তাই ভাবে: "এই কালৰাতি, বলিয়া হাতীৰ দৰে খেদি অহা ঢউ আৰু ধুমুহা-বতাহৰ লগত যুঁজি যুঁজি কালিষ্টনে জানো সেই ঠাই বিচাৰি পাব? নিৰাপদে সেই ঠাই পাবগৈতো? ইস্‌। কি কঠিন আৰু কষ্টৰ কাম এই মাছমৰা আৰু মাছমৰীয়া জীৱন।" – বুকু উঙাৰি এটা হুমনিয়াহ ওলাই আহে জেনীৰ।

জেনীৰ ভাবনাৰ শেষ নহয়। – সাগৰৰ ঢউৰ লগত যুদ্ধ কৰি কৰি তাইৰ প্ৰিয়তম কালিষ্টনে সেই সৰু নাওখনি লৈ মাছ মাৰিছে আৰু মাজে মাজে হয়তো তাইৰ কথাকেই ভাবিছে। তায়ো ঘৰৰ ভিতৰত বহি বহি অন্তৰৰ অকপট উদাৰতাৰে কালিষ্টনৰ কথাকেই ভাবিছে।

ৰাতি বাঢ়ি যায় আৰু বাঢ়ি উঠে বতাহৰ গতি। সাগৰে যেন আৰু ৰুদ্ৰমূৰ্ত্তি ধাৰণ কৰিছে। মাজে মাজে আহি সাগৰৰ গোজৰণিয়ে জেনীৰ চিন্তাসূত্ৰ ছিঙি টুকুৰা-টুকুৰ কৰি দিয়ে। তাইৰ বুকুখনৰ মাজেদি চাংকৰে কিবা এটা যেন বাগৰি যায়। এই কালৰাতি জানো শেষ নহ'ব? কালিষ্টনৰ বাবে হৃদয়ৰ গভীৰতম প্ৰদেশত মৰমে আঘাত কৰে। লাহে লাহে তাইৰ চকুৰ পৰা অবাৰিত গতিৰে বাহিৰৰ বৰষুণৰ টোপালৰ দৰে চকুলোবোৰ বাগৰি আহে।

তাইৰ দৰে আৰু ক'ত হতভাগিনীৰ স্বামী, হতভাগিনী মাতৃৰ সন্তান, কাৰোবাৰ ককাই ভাই বা প্ৰেমিকে সাগৰৰ বুকুত এই কালৰাতি মাছ মাৰিছে, তাৰ জানো তাই লেখ ৰাখিছে? অৱশ্যে তাইৰ দুখৰ লগত আনৰ যেন তুলনা নহয়। কালিষ্টনক সহায় কৰোঁতা কোনোৱেই নাই। ল'ৰা-ছোৱালী কেইটাও এয়াডিমা হৈ আছে। সিহঁত কেতিয়াকৈ ডাঙৰ হ'ব? কোনদিনা সিহঁত একোটা একোটা সক্ষম ডেকাল'ৰা আৰু গাভৰু হ'ব? এতিয়াও সেইদিন স্বপ্নলোকত— আকাশৰ তৰাৰ দৰেই বহুত দূৰত।

তাই বহাৰ পৰা উঠি ঘৰৰ এটা চুকত কমাই থোৱা আধা ক'লাপৰি যোৱা লেমটো অলপ বঢ়াই দিয়ে। ফটা ব্লাউজটোৰ ওপৰত কাপোৰ এখন দলিয়াই লৈ লেমটো হাতত লৈ তাই বাহিৰলৈ ওলাই যায়।

লাহে লাহে ৰাতি শেষ হৈ আহিছে। তাই আকাশলৈ চাই আৰু মনতে অনুমান এটা কৰি ভাবিলে "কালিষ্টন বুৰি আহি পোৱাৰ সময় হৈ গৈছে। অলপ আগুৱাই গৈ চাই আহিবগৈ নেকি?" —এন্ধাৰৰ দৰে ক'লা আন্ধাৰত কোনো দিকেই নিৰ্ণয় কৰিব নোৱাৰি। জাৰকাল তাতে শেহৰাতিৰ বৰষুণ। বৰষুণ নহয় যেন এটুকুৰা এটুকুৰা বৰফহে খহি পৰিছে। চাৰিওফালে চকু ফুৰাই সিহঁতৰ চুবুৰীটোৰ কাৰো ঘৰতেই ক'তো অকণো পোহৰ তাইৰ চকুত নপৰিল। এটা মৃতপ্ৰায় নীৰৱতাক সাৱটি চুবুৰীটো যেন বহি আছে।

হঠাৎ জেনীৰ মনত পৰিল, সিহঁতৰ ঘৰৰ পৰা একফাৰ্লং মান দূৰত থকা তাইৰ বান্ধৱী বিধৱা ভাৰীয়াৰ ঘৰটোলৈ, ভাৰীয়াৰ গিৰিয়েক ঢুকুৱা আজি প্ৰায় পাঁচ বছৰমানেই হ'ল। বেচেৰী ভাৰীয়াই তাইৰ সৰু লৰা-ছোৱালীহাল লৈ অতি কষ্টেৰে কটনা কাটি দিন নিয়াইছে। দিনে দিনে অভাৱৰ তাৰণাত পৰি ভাৰীয়াৰ সুন্দৰ শৰীৰ আৰু সাহসী মনটো কিবা হৈ গৈছে। তাতে আজি কেবাদিনো হ'ল ভাৰীয়াৰ ভয়ানক জ্বৰ। জেনীয়ে ভাবিলে: "এবাৰ ভাৰীয়াক চাই অহাটো তাইৰ কৰ্তব্য।" কথাটো ভবাৰ লগে লগে তাইৰ ভৰিদুটি ভাৰীয়াৰ ঘৰৰ ফালে আগবাঢ়িল।

ভাৰীয়াৰ ঘৰৰ সমুখত তাই ক্ষন্তেক থমকি ৰল। দুৱাৰখন মেলি "ভাৰীয়া" বুলি মাত লগাই জেনী ভিতৰলৈ সোমাই যায়। এবাৰ চালে দুৱাৰ চাৰৰ মন নোযোৱা মলিয়ন শেতেলিখনত কাঠদাল পৰা দি ভাৰীয়া পৰি আছে। জেনীয়ে তাইৰ চকুদুটা মেল

থাই থকা দেখি ওচৰ চাপি যায়। কিন্তু সেই চকু-যুৰিত যেন কোনো জীৱন্ত দৃষ্টি নাই। চমকি শিয়ঁৰি উঠে জেনী। লেমটো ভাবীয়াৰ মুখখনৰ ওচৰত তাই দাঙি ধৰে। জাৰৰ প্ৰকোপত গোটেই মুখখন তাইৰ নীলা হৈ পৰিছে। যন্ত্ৰচালিত গতিৰে জেনীয়ে ভাবীয়াৰ গাত হাতখন দি এখোজ পিচলৈ আহে।

ভাবীয়া মৰি গ'ল। কিন্তু তাইৰ কাষতে দুপাহি সুন্দৰ ফুলৰ দৰে নিৰ্বিঘ্নে তাইৰ ধুনীয়া লৰা-ছোৱালী দুটি শুই আছে। সিহঁতৰ ওঁঠ কেইটিত কিবা অবুজ হাঁহিৰ ৰেখা ফুটি উঠিছে। কিবা হয়তো সপোন দেখিছে। শিশুদুটিৰ মুখলৈ চাই চাই জেনীৰ বুকুত কান্দোনৰ তৰঙ্গ নামে।

—"হায়, হায়! সিহঁতেতো নাজানে সিহঁতৰ অজানিতে সিহঁতৰ কিমান ডাঙৰ অনিষ্ট পৃথিবীত এই ৰাতিটোত সংঘটিত হৈ গ'ল!" নিজকে নিজে যেন প্ৰবোধ বাণী শুনায় জেনীয়ে। তাইৰ চকুৰ পানীবোৰ বাৰিষাৰ বানৰ দৰে নামি আহিল। টপ্‌কৰে এটোপাল চকুলো ভাবীয়াৰ নীলামুখখনিত সৰি পৰিল।

হঠাৎ জেনী বিজুলী গতিৰে ভাবীয়াৰ ঘৰৰ পৰা ওলাই আহিল। তাইৰ ভৰি দুখন অসম্ভৱভাৱে কঁপিবলৈ ধৰিলে। কিবা এটা চুৰ কৰি তাই যেন ভাবীয়াৰ ঘৰৰ পৰা পলাইহে আহিছে। পিচলৈ ঘূৰি চাবলৈকো তাইৰ মনৰ ধৈৰ্য্য হেৰাই গৈছে। লৰিগৈ তাই ঘৰ সোমাই দুৱাৰখন বন্ধ কৰি দিয়ে।

ধপ্‌কৰে মাটিত বহি পৰিল জেনী। তাইৰ মূৰটো যেন ৰেলৰ চকা ঘূৰাদি ঘূৰিবলৈ ধৰে। তাই সেইদৰে অকলে ভাবীয়াৰ ঘৰলৈ যোৱাৰ কথা শুনিলে কালিষ্টনে হয়তো গালি শপনি পাৰিব। তেনেতে তাই বাহিৰত কাৰোবাৰ ভৰিৰ খোজৰ শব্দ এটি যেন শুনিলে।

তেন্তে, কালিষ্টন ঘূৰি আহিল!

জেনীৰ বুকুৰ ওপৰেদি ঘট্ ঘট্ ঘটক্ শব্দ কৰি কৰি—ৰেলগাড়ীৰ চকাবোৰ অবাৰিত গতিৰে যেন চলি গৈ থাকে। তাই ভাবে: নাই, নাই, প্ৰকৃত ভালপোৱাত কোনো গোপন কথা থাকিব নাপায়। কালিষ্টনক তাই এইকথা কবই লাগিব। নহলে তাইৰ ভালপোৱাৰ পবিত্ৰতাত কলঙ্কৰ দাগ পৰিব। কিন্তু কালিষ্টনক এই কথা কলেই হয়তো তাইক সি থওতে মৰিয়াব, বকিব। মাবক, তথাপি তাই কবই। কাৰণ, তাই কেতিয়াও কালিষ্টনৰ অবিশ্বাসৰ পাত্ৰী হ'ব নোৱাঁৰে।"

কোনোবাই যেন দুৱাৰত টুকুৰিয়াবলৈ ধৰিলে। সাগৰৰ গোজৰনি, বতাহৰ হোঁ হোঁ শব্দত একোকে তাইৰ কাণত স্থিৰভাৱে পৰাহি নাই। হঠাৎ যেন এছাটি বতাহে দুৱাৰখন খুলি দিলে। পুৱাৰ অকণি পোহৰৰ ৰেখা এটি আঁঠুৱাপনত পৰেহি আৰু লগে লগে এটি আনন্দ, উশাসৰ প্ৰাণখোলা হাঁহিয়ে তাইৰ চিন্তাসূত্ৰ ছিঙি দিয়েহি।

—"এটা নতুন জনম পাই ঘূৰি আহিলো জেনী"।

—"তুমি? আহিলা?" আবেগ বিহ্বল কণ্ঠে চিঞঁৰি উঠে জেনীয়ে। এটি বলিয়া ঢউৰ দৰে জঁাপ-মাৰি কালিষ্টনৰ বুকুৰ মাজত সোমাই মূৰটো তুলি আকৌ কলে—"তুমি আহিলা!"

—"আহিলোঁ জেনী।" এটি মৰমসনা হাঁহিৰে কালিষ্টনে কলে। জেনীৰ মূৰটোত আঙুলি বুলাই বুলাই সি পুনৰ কলে—"জেনী, মোৰবাবে যোৱা দিনটো খুব বেয়া আছিল নহয়নে?"

—"কিয়?" জেনীয়ে মূৰটো তুলি কৌতূহল ভৰা দৃষ্টিৰে কালিষ্টনলৈ চাই থাকে।

—"উস্! কি সাংঘাতিক আৰু ভয়লগা দিনটো পাৰ কৰিলোঁ, ভাবিলেই গাৰ নোম শিঁয়ৰি উঠে।"

—"তোমাৰ কষ্টৰ কথা ভাবিলে মৰি যাবৰ মন যায়।" জেনীৰ সমবেদনাত চকুযুৰি চলচলীয়া হৈ উঠে।

—"মানৱ জীৱন লৈছোঁ। যেতিয়া কষ্ট কৰিবই লাগিব। দুখ নকৰিলে জানো সুখ ভৰিব? মাজে-সময়ে বিপদ আপদ আহিবই। ভয়কৰি হাত সাৱটি বহি থাকিলে জানো হ'ব? তুমি খুব বেছি ভাবা জেনী।"



—"মই নিজে তোমাক সহায় কৰিব পৰা হলে নাভাবিলোঁহেঁতেন। বাৰু, মাছ পালা জানো?"

—"মাছ নাপালো। মিছাকৈ জালখনহে ফালিলোঁ। তোমাৰ কাম এটাহে বাঢ়িল। ইস্, কি সাংঘাতিক বতাহ-বৰষুণ আৰু লগে লগে ঢউ। নাওখন বুৰিব বুলিয়েই ভাবিছিলোঁ। সেই সময়ত মোৰ এই ভগা জুপুৰি ঘৰটোলৈ মনত পৰিছিল। ভাবিছিলোঁ বতাহত যদি ঘৰটো ভাগি পৰে জেনীয়ে ল'ৰা-ছোৱালীকেইটা লৈ অকলে কি কৰিব? মনটো নানান দুঃচিন্তাই আকুল কৰি তুলিছিল। বাৰু, এতিয়া সেইবোৰ বাদ দিয়া। তোমালোকৰ মাজত নিজক পুনৰ পাই মোৰ দুখ-ভাগৰ সকলো আঁতৰি গ'ল।" কালিষ্টনে জেনীক বুকুৰ মাজলৈ টানি নি বুকুৰ মৰমেৰে তাইৰ কপালত এটি চুমা আঁকি দিলে।

—"জেনী, বতাহ-ধুমুহা অহাৰ সময়ত তুমি কি কৰিছিলা? নিশ্চয় মোৰ কাৰণে কান্দি কান্দি সমানেই প্ৰাৰ্থনা কৰিছিলা!" কালিষ্টনৰ এইবাৰৰ প্ৰশ্নত জেনীৰ বুকুৰ ভিতৰত ধপ্‌ধপ্‌নি উঠিবলৈ ধৰিলে। তাইৰ ভয় হয়। জানোচা ভাবীয়াৰ ঘৰলৈ যোৱাৰ কথা কলে তাইক কালিষ্টনে মাৰেই! তথাপিতো তাই কথাটো কবই লাগিব। মৰমৰ সাগৰ যেন অন্তৰৰ এই মানুহটোৰ ওচৰত তাই কেতিয়াও কথা লুকুৱাব নোৱাৰে। তাই ভয়ে ভয়ে কঁপা কঁপা মাতেৰে কলে—"মই? মই জালবোৰত টাপলি লগাইছিলোঁ। বতাহ, সাগৰৰ ঢউবোৰ আৰু তোমাৰ কথাকেই ভাবিছিলোঁ।"

—"জানা জেনী, জাৰকালিৰ বতাহ বৰষুণৰ দৰে অসহ্য আৰু একোৱেই হ'ব নোৱাৰে।" কালিষ্টনৰ কথা শুনি জেনীৰ মনটো বেদনাৰে ভৰি পৰে। তাই ভাবে: নাই, কালিষ্টনক কোনো প্ৰকাৰেই কথাটো নোকোৱাকৈ তাই থাকিব নোৱাৰে।"

—"শুনা।" অতি শান্ত আৰু গভীৰ মাতেৰে জেনীয়ে কলে—"তুমি জানা, যোৱা ৰাতি ভাবীয়া মৰিল। তুমি অহাৰ অলপ আগতে মই তাইৰ ঘৰলৈ গৈছিলোঁ। দেখিলোঁ ভাবীয়া মৰি কাঠ হৈ পৰি আছে। তাই খাবলৈ নাপায়েই মৰিল। তাইৰ ল'ৰা-ছোৱালী দুটা উইলিয়ম আৰু মেডাচিন—আঁহ! সিহঁতক এতিয়া কোনে লালন-পালন কৰিব কোৱাঁচোন?"

জেনীৰ কথা শুনি মূৰৰ টুপীটো দলিয়াই পেলাই বিষণ্ণ মনেৰে ঘৰৰ চাললৈ একেথিৰে চাই কালিষ্টনে কিবা এটা ভাবিলে। ইতিমধ্যে কথাকেইটা কৈয়েই জেনীয়েও চিন্তাৰ সাগৰত বুৰ দিলে। হঠাৎ সেই নীৰৱ মুহূৰ্তটো কালিষ্টনে ভঙ্গ কৰি হুমুনিয়াহ এটি কাঢ়ি কলে—"কোনো চিন্তা নাই জেনী, সকলো ঠিক হৈ যাব। আধাপেটীকৈ থকা, নোখোৱাকৈ থকা আমাৰ সহ্য হৈ হৈ অভ্যাস হৈ পৰিছে। আমাৰ পাচটা ল'ৰা-ছোৱালী, এতিয়া জানিবা সাতোটা হ'ব। বতাহ-ধুমুহাত মাছ নাপালে সকলোটিয়ে শুদা পেটে থাকিম। বাৰু জেনী, এই দুখীয়াবোৰৰেই সদায় দুখ বেছি নহয়নে?" অনৰ্গল কথাবোৰ কৈ খন্তেক থমকি পুনৰ কালিষ্টনে কথা আৰম্ভ কৰিলে—"নাই, নাই, সেইটো কেতিয়াও হ'ব নোৱাঁৰে। জেনী! আমি থাকোঁতে ল'ৰা-ছোৱালী দুটাই নাখাই মৰি থাকিব—সেইটো মই কেতিয়াও হবলৈ দিব নোৱাঁৰো। মই সিহঁতক লৈ আহিম। আজিৰ পৰা সিহঁতৰ সাতটা ককাই-ভাই, বাই-ভনী হ'ব। সুখ-দুখতেই সিহঁত ডাঙৰ হৈ পৰিব। আমাৰ এই কামত ওপৰৰ জনে নিশ্চয় আনন্দ পাব আৰু আমাক দয়াৰ চকুৰে চাব। আমাৰ সংসাৰ নিশ্চয় আনন্দত ভৰি পৰিব।

জেনী, মই এতিয়াই যাওঁ সিহঁতক লৈ আহোঁগৈ। আমি নানিলে গাৱঁৰ কোনেও সিহঁতক সাৱটি নলয়। জেনী, কি হ'ল তোমাৰ? তেনেকৈ ভেবা লাগি কিয় চাই আছা? একোকে নোকোৱা কিয়? সিহঁতক আমাৰ মাজলৈ আনিবলৈ তুমি ইচ্ছা নকৰা নেকি?"

আনন্দৰ হাজাৰ পুলকে জেনীৰ মুখখন সূৰুযৰ দৰে উজলাই তুলিলে। সুখ আৰু বুকুভৰা আনন্দৰ পুলকত

( ২১ পৃষ্ঠাত চাওক )

# মিজোৰাম

শ্ৰীনগেন্দ্ৰ চন্দ্ৰ দত্ত।

ভালেমান প্ৰাকৃতিক বৈশিষ্ট্যই প্ৰায় আঠহেজাৰ বৰ্গমাইল জোৰা মিজোৰামৰ বিশাল ভূখণ্ড মনোৰম কৰি তুলিছে। উত্তৰাদাক্ষিণাকৈ সমান্তৰালভাৱে থকা মিজোৰামৰ পৰ্বত শ্ৰেণী মহাসমুদ্ৰৰ উৰ্ম্মিমালাৰ দৰেই উদ্দাম অথচ শৃঙ্খলাবদ্ধ। ভূতাত্বিক সকলৰ মতে এসময়ত এই অঞ্চলটো সমুদ্ৰতলি আছিল। ভূ-সৃষ্টিৰ তৃতীয় স্তৰৰ ( Tertiary Age ) এখন নদীৰ মোহনা বা সমুদ্ৰৰ আখাত এটাৰ সঙ্কেত দিয়ে মিজোৰামৰ বালিঅঁহীয়া আৰু কোমল শিলবোৰে। ভূসঙ্কোচনৰ ফলত সমুদ্ৰতলি ভাঁজ খাই ওপৰলৈ উঠি অহাৰ লগে লগে এশাৰী নতুন পৰ্বতে সূৰ্য্যৰশ্মিৰ পৰশ পালে আৰু এসময়ত লুচাই পৰ্বত নামেৰে চিহ্নিত হল। বাঁহ, বেত আৰু গছ-গছনিৰে ভৰা পূবৰ ওখ পৰ্বতবোৰৰ উচ্চতাখিনি পশ্চিমৰ চাপৰ পৰ্বতশ্ৰেণীত লাহে লাহে বিলীন হৈ গৈছে। পৰ্বতবোৰৰ সাধাৰণ উচ্চতা সমুদ্ৰপৃষ্ঠৰ পৰা চাৰে তিনিহেজাৰ ফুট হলেও, ছ হেজাৰ ফুট ওখ শৃঙ্গ কেইবাটাও আছে। দক্ষিণ অঞ্চলৰ ফোৱাংপুই বা নীল পৰ্বত সাত হেজাৰ আঠত্তৰ ফুট ওখ আৰু পশ্চিম অঞ্চলৰ ফুইফাং শৃঙ্গৰ উচ্চতা প্ৰায় ছ হেজাৰ ফুট। বাৰিষাৰ শেষ ছোৱাত আৰু শৰৎকালত যি পৰ্বতবোৰৰ নাভিমণ্ডলত ধলপুৱাতে ধূপ খাই থকা শুকুলা ডাৱৰবোৰলৈ চালে অনুমান হয় যেন অকাই-পকাই বৈ যোৱা নদী এখন হঠাতে গোট মাৰি বৰফ হৈ গ'ল। বেলি ওপৰলৈ উঠাৰ লগে লগে মেঘবোৰ লাহে লাহে নাইকিয়া হৈ পৰে আৰু তেতিয়া ক্ৰমে স্পষ্ট হৈ পৰে আন্ধাৰে আৱৰি থকা থিয় গড়াৰ তলৰ ঠেক গিৰিসঙ্কট-বোৰ। অনেক দূৰত এটা পীতাভ পৰ্বতচূড়াত গাঁও এখন ৰিণিকি ৰিণিকি দেখিবলৈ পোৱা যায়; আৰু দেখা যায় নৃত্যৰতা অপ্সৰাৰ দৰে লয়লাসে নামি অহা দুই এটি জুৰি। এইবোৰৰ গতিপথৰ নিশ্চয়তা নাই; জীৱনকালো মাত্ৰ বাৰিষাৰ দিন কেইটাহে। সেউজীয়া গছলতাৰ ডাঠ হাৱিথন পাৰ হৈ আঁহোতে কৰবাত এই জুৰিটোৱে পোনে পোনে বহু তললৈ জঁপিয়াই পৰি একো একোটা শীৰ্ণ জলপ্ৰপাতৰ সৃষ্টি কৰে আৰু লগে লগে প্ৰাকৃতিক সৌন্দৰ্যৰাজিকো বাঙ্ময় কৰি তোলে। পৰ্বতবোৰৰ দৰে মিজোৰামৰ নদীবোৰো বৈচিত্ৰ্যময়। ঠেক-উপত্যকাবোৰ অতিক্ৰম কৰি বিশাল ভূখণ্ডৰ সোমাজেদি এটা সীমান্তৰ পৰা আন এটা সীমান্তলৈ যাওঁতে টুৰীয়েল, টুইভল, টে্ লাৱাৰ ( ঢলেশ্বৰী ), কৰ্ণফুলি আৰু কলোদীন আদি কেইবাখনো নদী পাৰ হৈ যাব লাগে। মন কৰিবলগীয়া এয়ে যে প্ৰায় সমান্তৰালভাৱে বৈ যোৱা এই নদীবোৰ পৰস্পৰে বিপৰীতমুখী। টে্ লাৱাৰ, টুইভল আৰু টুৰীয়েলে কেইবাটিও উপনৈৰ সৈতে লগ লাগি উত্তৰ পিনে আহি বৰাকনৈত পৰিছেহি। কৰ্ণফুলি আৰু কলোদীন দক্ষিণবাহিনী নদী। এই দুখনৰ উপনৈও কেবাখনো। বৰ্ষণমুখৰ দিনবোৰত থিয় পৰ্বত-বোৰৰ গাৰে বৰষুণৰ পানী ছৰহৰকৈ নামে আৰু লগে লগে ঠেক গিৰিসঙ্কটৰ মাজেদি বৈ যোৱা নৈ কেইখনো ফেনেফোটোকাৰে উনচি পৰে।

মিজোসকলৰ সমাজ বিবৰ্তনৰ ক্ষেত্ৰত নদীবোৰৰ উল্লেখযোগ্য অৰিহণা আছে। এই জলপথেৰেই ইংৰাজসকলে মিজোৰামৰ ভিতৰত সোমোৱাৰ সুচল পাইছিল; আৰু পশ্চিমীয়া সভ্যতাৰ ধ্বজাবাহী মিছনাৰী সকলেও এই নদীবোৰেৰে উজাই আহি গাঁৱে-ভূঞে সোমাই পৰিছিল। মিজো পৰ্বতৰ হৃদয়-তন্ত্ৰী আইজাল-শিলচৰ পথেৰে যানবাহন চলিব পৰা হোৱাৰ আগলৈ মিজোপৰ্বতৰ আৱশ্যকীয় সা-সামগ্ৰী ঢলেশ্বৰী নদীৰে নাৱেৰে আইজালৰ ওচৰৰ চাইৰাঙলৈ লৈ যোৱা হৈছিল। চাইৰাঙৰ পৰা আইজাললৈ স্থলপথেৰে বস্তবোৰ লৈ গৈ তাৰ পৰা আকৌ দূৰ-দূৰণিৰ গাঁওবোৰলৈ মানুহৰ পিঠিত বোজা বান্ধি নিব লাগিছিল। অৱশ্যে এতিয়া বাট পথৰ বহুল উন্নতি হোৱা বাবে জলপথৰ প্ৰাধান্য হ্ৰাস পাই আহিছে।

দূৰদিগন্তলৈ ঢৌ খেলি যোৱা পৰ্বতবোৰে যুগ যুগ ধৰি মানুহৰ বসতি বিস্তাৰ ক্ষমতাক প্ৰত্যাহ্বান জনাই আহিছে। অনুৰ্বৰ আৰু থিয় পৰ্বতবোৰত ঝুম খেতি কৰি-বলৈ অতিপাত পৰিশ্ৰম কৰিব লাগে; তথাপি বছৰেকৰ খোৱামুঠি কোনো পৰিয়ালেই নেপায়। সেয়ে নানাবিধ জলচৰ, স্থলচৰ আৰু নভচৰ প্ৰাণীৰ মঙহৰ উপৰিও বনৰীয়া ফলমূল তেওঁলোকৰ আহাৰৰ ভিতৰত পৰে। ভঁৰালৰ তলি উদং হলে পৰ্বতৰ পৰা নানাবিধ গছৰ শিপা, আলু আদি বিচাৰি আনে আৰু গাহৰি, মেথোন, শহা ইত্যাদি নানাবিধ জন্তু চিকাৰ কৰে। দৰাচলতে ভাতেই প্ৰধান আহাৰ যদিও, বহুভক্ষী মিজোসকলে সাপ আৰু এন্দুৰৰ পৰা আৰম্ভ কৰি হাতীলৈকে নানা জীৱ-জন্তুৰ মাংস ভক্ষণ কৰে। কিন্তু মিজোৰামত জীৱজন্তুৰ সংখ্যাও কমি আহিবলৈ ধৰিছে। ঝুম খেতি কৰিবলৈ তেওঁলোকে ২।৩ বছৰৰ মূৰে মূৰে নতুন ঠাই বাছি লয় আৰু নতুন ঠাইখিনিৰ গছ-গছনি পুৰি পেলায়। সেয়ে হেমন্তৰ শেষ ছোৱাত আৰু শীতকালত পাহাৰবোৰত অগ্নিশিখাৰ প্ৰাচীৰ দেখা যায়। অতীতৰ বিস্তীৰ্ণ বনাঞ্চল সঙ্কোচন হৈ অহাৰ লগে লগে খেতিৰ উৎপাদনৰ পৰিপূৰক আহাৰবোৰ লাহে লাহে কমি আহিছে। ইপিনে প্ৰায় পঞ্চাশ বছৰৰ মূৰে মূৰে মিজোৰামত দুৰ্ভিক্ষই দেখা দিয়ে। ইয়াক 'মৌতাম' বুলি কোৱা হয়; ( মৌ—বাঁহ; তাম—মৰা );। এই দুৰ্ভিক্ষৰ আগলি বতৰা দিয়ে দুবিধ বাঁহে; এই বাঁহবোৰ হঠাতে ফুলিবলৈ ধৰে আৰু লগে লগে খেতিপথাৰত এন্দুৰৰ অতিপাত উপদ্ৰব হয়। হেজাৰ বিজাৰ এন্দুৰে 'ঝুমৰ' পথাৰবোৰত ধান আৰু অন্যান্য শস্য খাই শেষ কৰে; কোনো খেতিয়কে মৌতামৰ সময়ত ঝুমতলীৰ পৰা ধান দাই নিবলৈ আশা কৰিব নোৱাৰে। দুৰ্ভিক্ষৰ কৰাল গ্ৰাসে বহুতৰে জীৱন সামৰি লয়। জনামতে ১৮৬২ চনত, ১৯১১ চনত আৰু ১৯১৯ চনত মৌতামে দেখা দিছিল। শেষৰ মৌতামৰ সময়ত চৰকাৰে প্ৰচুৰ পৰিমাণে খাদ্য সম্ভাৰ যোগান ধৰিছিল। সেইসময়ৰ পৰা এতিয়ালৈ মিজোৰামত খাদ্যসামগ্ৰী যোগান ধৰাটো

---

( ১৯ পৃষ্ঠাৰ পিচৰ পৰা )

তাইৰ ডাঙৰ ডাঙৰ চকু দুটা চকুলোৰে উপচি উঠিল। তাই নিজকে সংযত কৰিব নোৱাৰি কালিষ্টনক সাৱটি ধৰি আৰ্ত্তস্বৰেৰে দাঙি কান্দি কান্দি ক'লে—"চোৱাচোন, আমাৰ ল'ৰা-ছোৱালী কেইটা?"

কালিষ্টনে সবিস্ময়ে দেখিলে, বিছনাখনত নিদ্ৰা দেৱীৰ কোলাত ফুলৰ কলিৰ দৰে সাতটি শিশু। সি জেনীলৈ চাই দেখে তাইৰ চকুলোবোৰে তাৰ বুকুখন ইতিমধ্যে তিয়াই পেলালে।

—"জেনী।"

—"হুঁ।"

দুয়োটাৰ কথা যেন শেষ হৈ গ'ল।

● ভিক্টৰ হিউগোলৈ ক্ষমা প্ৰাৰ্থনাৰে।

চৰকাৰৰ প্ৰধান কৰ্তব্য হৈ পৰিছে। দুৰ্গম গিৰিসঙ্কটবোৰ অতিক্ৰম কৰি পিঠিত বোজা কঢ়িয়াই নিয়াটো দুৰূহ কথা; গাড়ী চলাচল কৰিব পৰা বাট পথো বৰ কম। সেইবাবে আজিকালি আকাশীযানেৰে খাদ্যবস্তু কঢ়িয়াই নি ভিতৰুৱা অঞ্চলবোৰত বিতৰণ কৰা হয়। মিজোবিদ্ৰোহৰ আগলৈকে মিজোবিলাকৰ জীৱনৰ এটি অপৰিহাৰ্য অঙ্গ আছিল চিকাৰ। খাদ্য সংগ্ৰহৰ বাবে চিকাৰৰ প্ৰয়োজন যিমান, মাদকতা তাতকৈ কম নাছিল। ১৮৯৮ চনত মিজোৰামত ইংৰাজশাসন সুপ্ৰতিষ্ঠিত হোৱাৰ লগে লগে লুচাই পাহাৰ জিলা গঠিত হৈছিল। তাৰ আগলৈ মিজোৰামৰ ভিতৰুৱা অৱস্থা আছিল তৰল আৰু উত্তপ্ত। সেই সময়ত তেওঁলোকৰ জীৱনধাৰাৰ গতিপথ নিৰ্ণয় কৰিছিল ৰক্তাক্ত নৈশ অভিযানবোৰে। এখন গাওঁৰ যুঁজাৰুবোৰে হাতত চোকা দা, যাঠি আৰু বন্দুক লৈ এন্ধাৰে মুধাৰে আন একোখন গাওঁ আক্ৰমণ কৰিছিল। সাধাৰণতে এই অভিযানবোৰৰ উদ্দেশ্য আছিল শস্য লুণ্ঠন কৰা নাইবা সাকৱা খেতিপথাৰ অধিকাৰ কৰা। জীৱিকা নিৰ্ব্বাহৰ বাবে কঠোৰ পৰিশ্ৰম কৰাৰ উপৰিও, চিকাৰ আৰু নৈশ অভিযানবোৰত লিপ্ত থকা বাবে ৰণলিপ্সাই মিজোবিলাকৰ জাতীয় চৰিত্ৰৰ এটা দিশ গঢ় দি তুলিছে। ইয়াৰে স্বাক্ষৰ বহন কৰিলে ১৯৬৬ চনৰ ২৭ ফেব্ৰুৱাৰীত সূচনা হোৱা মিজো-বিদ্ৰোহে। জাতীয় চৰিত্ৰ গঠনত ভৌগোলিক পৰিবেশৰ আন এটি অৱদান হল মিজোবিলাকৰ গোষ্ঠী কেন্দ্ৰিকতা আৰু আত্মসচেতনতা।

অসম সচিবালয়ৰ ১৮৯০ খৃষ্টাব্দৰ কাগজপত্ৰত লুচাই পাহাৰ অঞ্চলৰ বিষয়ে এইদৰে উল্লেখ কৰা হৈছিল, "এই ভূখণ্ড এতিয়াও অনাবিষ্কৃত; ইয়াৰ বিষয় বিশেষ একোৱে জনা নাযায়; উত্তৰে মণিপুৰ আৰু কাছাৰ, দক্ষিণে আৰাকান পৰ্বতমালা, পূবে চিণ্ডউইন নদী আৰু পশ্চিমে চিটাগং পৰ্বতশ্ৰেণীৰ মাজত থকা অঞ্চলটো অকোৱা পকোৱা পাহাৰেৰে ভৰা আৰু বেতৰ দুৰ্ভেদ্য জাৰণিৰে আবৃত" (বি. চি. চক্ৰৱৰ্তী—**British Relations with Hill Tribes of Assam since 1858**; পৃ ৪৯)।

১৯৬১ চনৰ পিয়লত ঘাইকৈ এই কেইটা ভাষা-ভাষীৰ লোক গণনা কৰা হৈছে—লুচাই, চাকমা, ৰীয়াং, লাখেৰ, পাৱৈ হ্মাৰ, পাইতে, ৰাল্টে, ৰাংথোল, থাংক্লেন, টিথক, মাছু আৰু অনিৰ্দ্দিষ্ট কুকি। ইয়াৰ উপৰিও গ্ৰীয়াৰচনে (L. S. I.—Vol III, P. III, পৃ—৮) জোহো, ট্লানল্টাং আৰু পাম্ আদি কেইবাটাও দোৱানৰ উল্লেখ কৰিছিল। লুচাই ভাষা সকলোৱে বুজে আৰু কব পাৰে যদিও, সৰু অঞ্চল এটাৰ একে জনজাতীয় গোষ্ঠীৰ ভিতৰত ইমানবোৰ দোৱানৰ প্ৰচলনে অতীতৰ স্বয়ংসম্পূৰ্ণ গাওঁবোৰৰ মাজত যোগসূত্ৰৰ অভাৱকে প্ৰমাণ কৰে। জাতিগঠনৰ এই পটভূমিত মিজোসকলে বহিৰাগতক সন্দিগ্ধ দৃষ্টিৰে চোৱাটো আচৰিত নহয়। বহিৰাগতক লুচাই ভাষাত **'ভাই'** বুলি কোৱা হয়। এইবোৰ **'ভাই'**ক ভাতৃত্ব-সূচক মনোভাৱেৰে আকোৱালি লোৱা দূৰৰ কথা থিতাপি লবলৈও নিদিয়ে। সেয়ে ভাৰতৰ যিকোনো অঞ্চলৰ পৰা যোৱা লোকে ইয়াত বসতি কৰা, বেহাবেপাৰ কৰা আনকি ভোট দিয়াৰ ক্ষেত্ৰতো যথেষ্ট বাধা নিষেধ আছে। সোণত সুৱগা চৰাইছে ১৯৩৫ চনৰ পৰা প্ৰৱৰ্ত্তিত "বহিভূৰ্ত অঞ্চলৰ কটকটীয়া বাধানিষেধ-বোৰে। সেই চনতে লুচাই পৰ্বত বহিভূৰ্ত অঞ্চল বুলি ঘোষিত হৈছিল আৰু তেতিয়াৰ পৰা এই জিলাত বহিৰাগতৰ প্ৰৱেশ প্ৰবেশ-পত্ৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হৈছিল। ৰঘুমলাৰ দৰে যতে ততে শিপাৰ পৰা ভাৰত বিখ্যাত বিশেষ এক বণিক শ্ৰেণীৰ হাতত ইয়াৰ ব্যৱসায়ৰ বাঘজৰী নথকাটো এটি উল্লেখযোগ্য কথা।

পুৰণি সমাজব্যৱস্থাৰ ভাঙোন ধৰাৰ লগে লগে গোষ্ঠীকেন্দ্ৰিকতা আৰু আঞ্চলিকতাৰ ঠাইত জাতীয় চেতনা ক্ৰমে প্ৰৱল হৈ উঠিছে। **"মিজোৰাম"** নামকৰণেও এই জাতীয় জাগৰণৰে সঙ্কেত দিয়ে। মিজোৰাম আৰু মিজো এই দুয়োটা লুচাই শব্দ। মিজো শব্দই পৰ্ব্বতীয়া মানুহক বুজায় (মি-মানুহ, জো-পৰ্বত)।



মিজোৰাম শব্দৰ অৰ্থৰ হল পৰ্বতীয়া লোকৰ ৰাজ্য। মিজোপৰ্বতে বাস কৰা বিভিন্ন জনজাতিবোৰৰ মাজত একাত্মবোধ জগাই তোলাত বহুখিনি অৰিহণা যোগাইছিল। উনৈশ শতিকাত ইংৰাজসকলে এই অঞ্চলত উপৰ্যুপৰি কেইবাটাও অভিযান চলাইছিল। তেতিয়াৰ পৰা এই অঞ্চলটো লুচাই পাহাৰ নামে জনাজাত হল। ১৮৯৮ চনত উত্তৰ লুচাই পাহাৰ আৰু দক্ষিণ লুচাই পাহাৰ লগ লগাই নতুনকৈ লুচাই পাহাৰ জিলা গঠন কৰা হয়। লুচাই বা লুচেই এটা পৰ্বতীয়া জনজাতিৰ নাম। সকলোবোৰ পৰ্বতীয়া জনজাতিৰ ভিতৰত এওঁলোকেই আছিল সংখ্যাগৰিষ্ঠ আৰু পৰাক্ৰমী। এওঁলোকৰ নামেৰেই ইংৰাজসকলে গোটেই অঞ্চলটোক লুচাই পাহাৰ নাম দিছিল। অন্যান্য জনজাতিবোৰে লুচাইবোৰৰ প্ৰাধান্য মানি চলিবলৈ টান পালে আৰু ১৯৫৪ চনত সংসদত গৃহীত এখন আইনৰ জৰিয়তে লুচাই পাহাৰক মিজোপাহাৰ নামেৰে অভিহিত কৰা হ'ল। কিন্তু তেতিয়াও মিজোসকলৰ এটা শ্ৰেণীৰ মানত এই অঞ্চলটোৰ নামৰ পিচত ইংৰাজী Hills শব্দটো অৰ্থহীন বুলি প্ৰতীয়মান হৈছিল; কাৰণ **মিজোহিলচ** শব্দৰ লুচাই অৰ্থ হল পাহাৰী লোক বাস কৰা পাহাৰ। আনফালে মিজো বিদ্ৰোহীহঁতে স্বাধীন **'মিজোৰাম'**ৰ ধ্বনি তোলে। যি কেইটা শব্দেৰে মিজোৰাম শব্দটো ৰচিত হৈছে সেই আটাইকেইটাই লুচাই শব্দ; গতিকে এই নতুন নামটোৱে জনজাতীয় অধীবাসীবোৰৰ মনত ৰেখাপাত কৰাটো স্বাভাৱিক। বাইজৰ মনোভাব বুজি কেন্দ্ৰীয় চৰকাৰে এই জিলাখনক কেন্দ্ৰীয় শাসিত অঞ্চলৰ শাৰীলৈ তুলি নিয়াৰ লগে লগে মিজোৰাম নামটো ৰাইজলৈ উপহাৰ দিলে আৰু লগে লগে কেন্দ্ৰীয় চৰকাৰৰ প্ৰশংসাত দশোদিশ মুখৰিত হৈ উঠিল।

মিজোৰামৰ অধিবাসীসকলৰ ভিতৰত লুচাই, লাখেৰ, পৈ বা পাৱি এই তিনিটাই প্ৰধান পৰ্বতীয়া জনজাতি। এওঁলোকৰ উপৰিও চাকমা আৰু ৰীয়াং নামেৰে দুটা জনজাতিয়ে মিজোৰামত বাস কৰে। লুচাইবোৰক বহুতে লুচেই বুলি উল্লেখ কৰিছিল।

ঠাঙুৰ নামৰ এজন লোক লুচাই সকলৰ পূৰ্বপুৰুষ আছিল বুলি প্ৰবাদ আছে। ঠাঙুৰৰ পুতেক আছিল ছজন। এই ছজনৰ পৰা ছটা ফৈদ হৈছিল। সেই কেইটা হল চাইলো, জাদেং, ঠাংহেয়া, পালিয়ান, ৰিভুং আৰু ৰথুম। এই ছটা ফৈদৰ পৰা আৰু ভালেমান ফৈদৰ সৃষ্টি হৈছিল। লুচাইবোৰে ব্ৰহ্মদেশৰ পৰা আহি ওঠৰ শতিকাত লুচাই পাহাৰত সোমাইছিল বুলি বহুতে অনুমান কৰে। এওঁলোকে লুচাই পাহাৰৰ উত্তৰ আৰু মধ্য অঞ্চলত আধিপত্য বিস্তাৰ কৰিছিল। মিজোৰামৰ দক্ষিণ অঞ্চলত বাস কৰা এটা পৰাক্ৰমী জাতি হল লাখেৰবোৰ। এওঁলোকে নিজকে **মাৰা** বুলি চিনাকি দিয়ে। এওঁলোকো কেইবাটাও ফৈদত বিভক্ত। টুংচাই, হাওঠাই, জেউহাং, চাবেউ আৰু লাই লাই লাখেৰবোৰৰ ফৈদ। মিজোৰামৰ দক্ষিণ-পূব অঞ্চলৰ অধিবাসী সকল হ'ল পৈ বা পাৱি জনজাতি। সংখ্যাত তাকৰ হলেও ফৈদ এওঁলোকৰো অনেক। এইবোৰৰ ভিতৰত ঠানটুাং, কামপ্লেট, লুংৰেং আৰু জাহাউ উল্লেখযোগ্য। মিজোৰামৰ উত্তৰ-পূব চুকত হ্মাৰ নামে এটি পাহাৰী জনজাতিয়ে বাস কৰে। এওঁলোকে মণিপুৰৰ পৰা আহি ইয়াত সোমাইছিল; মণিপুৰতো হ্মাৰ জনজাতিৰ লোক বহুতো আছে। চাকমাসকলে মিজোৰামৰ দক্ষিণ-পশ্চিম অঞ্চলত বাস কৰে। এওঁলোকে আৰাকান পৰ্ব্বতমালাৰ পৰা আহি ইয়াতে থিতাপি লৈছিল বুলি অনুমান হয়। চাকমাবোৰে অসমীয়া ভাষা বুজে আৰু অলপ যত্ন কৰা হলে এওঁলোকে অসমীয়া ভাষা আয়ত্ব কৰি লব পাৰিলেহেঁতেন। কিন্তু আজি কেইবছৰমানৰ পৰা এওঁলোকৰ মাজত বঙালী স্কুল পাতি এওঁলোকক বঙলা শিকাবলৈ চেষ্টা কৰা হৈছে। চাকমাবোৰৰ সামাজিক ৰীতি-নীতি ই ওপৰত উল্লেখ কৰা আন আন জনজাতিবোৰতকৈ বেলেগ। এওঁলোক বৌদ্ধ ধৰ্মাৱলম্বী আন ফালে মিজোৰামৰ পৰ্বতীয়া জনজাতিবোৰে খৃষ্টান ধৰ্ম গ্ৰহণ কৰিছে। চাকমাবোৰক আন আন জনজাতি-

বোৰে পমুৱা বুলি ভাবে। এওঁলোকৰ আৰ্থিক অৱস্থাও বৰ শোচনীয়। ৰীয়াংনামৰ আন এটা জনজাতিয়ে মিজোৰামৰ পশ্চিম অঞ্চলত বাস কৰে। এওঁলোকক অঘৰী বুলি কব পাৰি। এওঁলোকে ত্ৰিপুৰাৰ ফালৰ পৰা আহিছিল বুলি অনুমান হয়।

মিজো বুৰঞ্জীৰ পৰিসৰ কম; কিন্তু ঘটনাবহুল। জনজাতিবোৰৰ কোনে কেতিয়া এই অঞ্চলত প্ৰবেশ কৰিছিল জনা নাযায়। কিন্তু পুৰণি কালতো এই অঞ্চলৰ মানুহৰ বসতি আছিল বুলি পণ্ডিতসকলে অনুমান কৰে। কাছাৰৰ ৰজা আৰু ত্ৰিপুৰাৰ ৰজা এই অঞ্চলৰ সীমান্তবৰ্ত্তী আছিল যদিও তেওঁলোকে এই অঞ্চল অধিকাৰ কৰা নাছিল। মিজোপাহাৰত বাস কৰা বিভিন্ন উপজাতিবোৰৰ মাজত প্ৰায়ে যুঁজ-বাগৰ লাগি আছিল। পৰাভূত জনজাতিবোৰে মণিপুৰ, ব্ৰহ্মদেশ নাইবা কাছাৰত আশ্ৰয় লৈছিলগৈ। সেইফালৰ পৰা এওঁলোক কাছাৰ, মণিপুৰ বা ব্ৰহ্মদেশৰ প্ৰজা আছিল যদিও দৰাচলতে এইবোৰে নামমাত্ৰহে বশ্যতা স্বীকাৰ কৰিছিল। মিজোপাহাৰৰ ভিতৰুৱা অঞ্চলবোৰত ইংৰাজ শাসন সুপ্ৰতিষ্ঠিত হোৱাৰ আগলৈকে ফৈদবোৰে নিজৰ ভিতৰতে অবিৰাম যুঁজবাগৰ চলাইছিল। পাহাৰী জনজাতিবোৰৰ কোনো ৰজা নাছিল; একো একোজন পৰাক্ৰমী লোকে ফৈদৰ নেতৃত্ব গ্ৰহণ কৰিছিল। তেওঁক **'লাল'** বা জননায়ক বুলি কোৱা হৈছিল। 'লাল' পদবীটো বংশগত আছিল যদিও সময়বিশেষে আন লোককো 'লাল' হিচাপে মানি লোৱা হৈছিল। মিজো বুৰঞ্জীত এই সমাজব্যৱস্থাৰ ভূমিকা মন কৰিবলগীয়া; কাৰণ ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ দৰে মিজো বুৰঞ্জী কোনো ব্যক্তিবিশেষৰ কাহিনী নহয়; ই জনতাৰ বুৰঞ্জী। সেয়ে বুৰঞ্জীৰ অলেখ অকথিত কাহিনীৰ কোনো ধৰাবন্ধা নায়ক বা নায়িকা পোৱা নেযায়। ফৈদবোৰৰ যুঁজবাগৰবোৰত নেতৃত্ব দিয়া 'লাল'বোৰে নিজৰ ইচ্ছাতকৈও সমাজখনৰ সামূহিক কল্যাণক সদায় ওপৰত স্থান দিব লাগিছিল।

( ক্ৰমশঃ )

# গিৰীশ বৰুৱা—মানুহজন

লক্ষ্মীনাথ দাস

নাই, শ্ৰীগিৰীশচন্দ্ৰ বৰুৱা আৰু নাই। ঢুকাল। মোৰ বন্ধু, সৰুৰে পৰা বন্ধু, তেওঁৰ লেংপেঙীয়া খোজ দেখি স্কুলীয়া দিনত ধেমালিতে 'গিশিৰ' বুলি মাতিছিলোঁ। অসন্তোষ মুঠেই নাই—; 'কি' বুলি উত্তৰ দিছিল।

বয়সত তেওঁ বহুত ব্যৱসায় হাত কৰিছিল। সেইবোৰত তেওঁৰ নিয়ম-নীতি আছিল অভিনৱ ধৰণৰ। মৰাপাতৰ দালালি, ঠিকাদাৰি আদি নানা কাম নিজৰ পদ্ধতিত কৰিছিল। কামৰ 'এষ্টিমেট'ৰ বেলিকা কিতাপ চাইহে 'টেণ্ডাৰ' ( নিবিদা ) দিয়ে, আন ঠিকাদাৰে 'একজিকিউটিভ ইঞ্জিনিয়াৰ' চাইহে দিয়ে। তেওঁ ঠিকা নাপায়, আনে পায়, আৰু টকা ঘটে। এবাৰ অসম চৰকাৰ 'ফাই' উঠিল—অসমত 'মিউজিয়াম' কৰিব লাগে কৰ 'টেণ্ডাৰ কল'। আমাৰ গিৰীশে পুথি-পাঁজি চাই যিমান পাৰে কম নিৰখত 'টেণ্ডাৰ' দিলে। আন ঠিকাদাৰসকল পুঠি-খলিহা বোটলাত বৰ ব্যস্ত থাকিল, 'মিউজিয়াম বিল্ডিং' হেন বৌ-ৰবালিলৈ তেওঁসকলে বৰকৈ মন নেমেলিলে; 'মিউজিয়াম' অসমৰ প্ৰথম 'ৰি-ইনফৰ্চড্ কংক্ৰিটৰ' বৃহৎ প্ৰাসাদ, এনে আচহুৱা মাছৰ আশা নকৰাই ভাল। সেই কাৰণে গিৰীশে সেই ঠিকা পালে। তেওঁ জাল-জুলুকি লৈ মাছ ধৰাৰ আয়োজন কৰিলে। এই ধৰণৰ মাছ নতুন, সেই কাৰণে তেনেই নতুন ধৰণৰ জাল-জুলুকি 'ডিজাইন' কৰা হ'ল। খৰছ হ'ল যথেষ্ট; কিন্তু কাম কৰা মানুহ হলে আছিল সেই আগৰবোৰেই। কোনো কথা নাই! আমাৰ মানুহ কেইটাও তো মানুহ! সিহঁতৰ হতুৱাই নতুন কাম হৈ নুঠিব নেকি? কাম আৰম্ভ হ'ল। 'ৰি-ইন্ফৰ্চড বিল্ডিং' উঠিব ধৰিলে—টকাৰ সোঁত বৰ ধৰিলে—অসমত নতুন, সকলোৱে চাহিহঁক!

ক'ৰবাত কেণা থাকিলে—এষ্টিমেটৰ ভুলৰ নিমিত্তে কেণা থাকিলে—মোক দেখুৱায়। 'এইটো ঠিক কৰি দিম'—তেওঁ কয়। এষ্টিমেটৰ ভুলৰ কাৰণেই বস্তুটো বেয়া হব নে? —হব যি ভুপইছা খৰছ হব—কাম চলাম।' মই কাণ্ড দেখি বিচুৰ্তি! কিন্তু কাম হ'ল। 'মিউজিয়াম' হ'ল। ই আজিও গুৱাহাটীৰ প্ৰথম ঐশ্বৰ্য্যৰূপে থিয় হৈ আছে। কিন্তু জমা-খৰচ? খৰছ যথা ইচ্ছা—আৰু জমাৰ ঘৰত প্ৰায় বিয়োগ কুৰি হাজাৰ টকা—কোনো কথা নাই; যুঁজত হাৰ-জিত আছে—বিয়োগখিনি পৈতৃক ঘৰ-মাটি বেচি পূৰ কৰি লোৱা যাব। এয়া হৈছে তেওঁৰ ব্যৱসায়ী জীৱনৰ নমুনা।

অ' কবলৈ পাহৰিছোঁ। সেই সময়তে আকৌ কানুৰাম চৌধুৰী বি. এচ. চি. বুলি এজনৰ, হাবিয়লীয়া অগৰুগছৰ মাজৰ ক'লা সাৰ কাঠ আনি বজকৰা অগৰুচন্দনৰ তেল কৰাৰ বাবে মূৰত পোক সোমাইছিল। মই কওঁ—সাৰ কাঠৰপৰা অগৰু তেল নোলায়—তাৰ কাৰণে ওপৰৰ পলসুৱা কাঠ লাগে, আৰু অগৰু সাৰৰ পৰা

অগৰুগোন্ধী ধুনাহে ওলাব, বজাৰত বিক্ৰী কৰিব পৰা পনীয়া তেল নোলায়।—কিন্তু মই কলে কি হব? ইফালে যে ঔকৰা মৈত উঠিল। কোনো মতে নানামে। হাততো এটি ফুটা কড়ি নাই। খবৰ পাই গিৰীশ ওলালহি—টকাৰ মোনাটো লৈ, সেই ঠিকা কৰিবলৈ অনা টকা। —চলাও পৰীক্ষা। তেল ওলাবই লাগিব।

মই নিৰুপায় হৈ যন্ত্ৰ কৰিলোঁ, 'ডিষ্টিলেছন' কৰিলোঁ। শুকান কাঠ ঘঁহি ঘঁহি গুৰা কৰিবলৈ কলৰ জাত তৈয়াৰ কৰিলোঁ। কিন্তু ওলাল কি? সেই অগৰু ধুনা, তেল নহয়। এতিয়া বজাৰত চলাকৈ ধুনা গুচাই—অগৰু তেল কৰি দিব লাগে। পাৰোনে? ধুনা হৈছে—Oxidized condensation product—অগৰু তেলৰ—ইয়াৰ ওলোটা ফালে ৰাসায়নিক প্ৰক্ৰিয়া নহয়। এই খবৰছো গিৰীশ বৰুৱাৰ। 'মিউজিয়ামৰ' খৰচৰ হিচাপতে বহুত দিনলৈ আছিল। বহুত দিনৰ পিছত চৌধুৰীৰ অৱস্থা স্বচ্ছল হোৱাত ঋণ পৰিশোধ কৰিলে। সি যি নহওক, আমাৰ মানুহজনক ৰাইজে এতেবেলি অলপ চিনি পাইছে হবলা।

এই গ'ল এক অধ্যায়। দ্বিতীয় অধ্যায়ত তেওঁ এজন কবি আৰু লিখক! আলোচনামূলক সভা-সমিতিৰ গম পালে তেওঁ তাত নীৰৱে থাকি হলেও ভাগ লবলৈ খেদি গৈছিল। জীৱনৰ শেষ দিনলৈকে তেওঁ গুৱাহাটী আলোচনা চক্ৰৰ লগত জড়িত আছিল। প্ৰবন্ধও পঢ়িছিল তাত। আগৰ পৰাই এটা কথা আছিল। তেওঁৰ কবিতা মই পাছ কৰি দিব লাগে। মোৰ জানো সাধ্য আছে? যিমান পাৰো চেঁচা পানী ঢালোঁ। কবিতাবোৰো একেবাৰে ultra modern বা আও-আধুনিক কবিতাৰ দৰে। মই পঢ়ি জঁপিয়াবলৈ ধৰোঁ। তেওঁ শেষত মোৰ উৎপাতত কবি হোৱাৰ আশা এৰি দিলে। ক'ৰবাত চুকে-কোণে (তেওঁ 'জয়ন্তী'ত থকা কালডোখৰত) তেওঁৰ কবিতা প্ৰকাশ হৈছিল যদিও কব নোৱাৰোঁ। কিন্তু আজি দুখ লাগে যে এনে সৰলচিন্তীয়া জীৱটোক মই তেওঁৰ পথ্য লৈ ইমান অত্যাচাৰ কৰিছিলো! এতিয়াকে ভাবোঁ, আজি কিজানি এই প্ৰগতিশীল কাব্যৰ যুগত তেওঁৰ পদ্যও ক'ৰবাত কিবা প্ৰকাৰে জিলিকি উঠিলহেঁতেন।

তাৰ পাছত 'ষ্টেটিক্টিক্স্', 'ইক'নমিক্স্'। কৰপৰাকো সমলবোৰ পায় গোঁসায়েহে জানে। তেওঁ অতি সৰলকৈ বুজাই দিয়ে, কেনেকৈ আমাৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী চিনি, দালি, টিনপাত, বিলাতী-মাটি আদি বস্তুবোৰে উৎপন্ন হোৱা ঠাইৰ পৰা পোনে পোনে নাহি কলিকতাই দি তাত কিছুদিন গুদামৰ ভাৰা বহন কৰি আমাৰ অসমলৈ শুভাগমন কৰে। ইয়াৰপৰা বৰ বিশেষ অসুবিধা একো নাই, কেৱল বস্তুবোৰে চকৰ ফুৰাৰ বাবে প্ৰায় পাঁচশ মাইল মানৰ বেছি ৰেলভাৰা ভৰি, কলিকতাৰ গুদামত অৱস্থান কৰাৰ নিমিত্তে ঘৰভাৰা ভৰি, আৰু কলিকতাত বহুত দিন পৰি থাকি অসমলৈ নতুন বা 'তাৎকা' নামত চালান হবলৈ সুবিধা পায়। অসমীয়া ভাইসকলে অৱশ্যে অম্লানবদনে এই অতিৰিক্ত খৰচখিনি বৈ থাকে। কিন্তু গিৰীশে নসহে। তেওঁ অসমীয়া, ইংৰাজী আদি বাতৰি কাকতত যতে পায় এইবোৰ লিখি আমাৰ পট্টুসকলৰ গন্ধৰপাত কমাই পেলায়। আমি মুঠেই ভাল নাপাওঁ। কওঁ—হেৰা, তোমাৰ এইবোৰ বকলা কোনে শুনিবহে? তেওঁ কয়—'অলবৎ শুনিব লাগিব। এম. এল. এ. বিলাক এনেয়ে আছে নেকি? মই কওঁ—'এৰা হয়, পিছে তেখেত সকলৰ সময় কত? তেখেত পুৰুষসকলে এইবোৰ চিন্তা কৰিবলৈ অৱসৰ পায় জানো?' তেওঁ কিন্তু নেৰে। আকৌ তৰ্ক কৰে—'চিন্তা নকৰিলে এৰিম নেকি! বাধ্য কৰিম। মৰাৰ আগলৈকে এইবোৰ বলকিয়ে গ'ল, দেহি। তেওঁৰ কথা সকলো অদ্ভুত। এই অদ্ভুততাতো সদায় চিন্তাশীল মনোবৃত্তিটোৱে ধৰা দিয়ে। তেওঁ আহিলে জানো যে নিশ্চয় কিবা এটা সমস্যা লৈ আহিছে। নিজৰ সমস্যা নহয়, ৰাইজৰ। আজি বা আলিবাট, কালি বা ৰেলৱে ক্ৰছিং, তাৰ পিছদিনা বা এখন জৰুৰী ৰাজনৈতিক আবেদনৰ কথা। এই বিষয়ে আমাৰ ৰাজপুৰুষসকলৰ বহুতে প্ৰায়ে গম পায়। শ্ৰীদেৱেশ্বৰ শৰ্মা, মুখ্যমন্ত্ৰী চলিহা প্ৰভৃতিও তেওঁৰ আক্ৰমণৰ পৰা সাৰিব পৰা নাছিল। কেতিয়াবাহে থকৰা ভাতমাছৰ কথা।

এদিনৰ কথা। হঠাৎ তেওঁ কৰবাৰ পৰা ধুমকেতুৰ দৰে উপস্থিত! হাতত এসোপা কিবা টোকা লিখা টুকুৰা কাকত আৰু নানা আলোচনী আৰু খবৰ কাকতৰ টুকুৰা। তেনে এসোপা মোৰ ফাইলত এতিয়াও পৰি আছে। কলে—'ময়না, (মোক তেওঁ আৰু অন্যান্য অনেকে ময়না বুলি মাতে) দেখিছা কাণ্ড! নাহৰকটীয়াত তেল ওলাল, আমাৰ সুপুৰুষ মালবাই সেই আলকাতৰাৰ লেথীয়া তেল শ শ মাইল, হাতীৰ বলেৰে ভীমাকাৰ লোহাৰ পাইপৰ ভিতৰেদি হলেও ঠেলি হেচুকি ৰাক্ষনি বোলা বেহাৰৰ কোনোবা এখন-ঠাইলৈ যি তাত শোধন কৰি পেট্ৰল, কেৰাচিন আদি উলিয়াই দেশ উদ্ধাৰ কৰাত লাগি যাব খুজিছে। কিয় অসমত তেলশোধানাগাৰ কৰি পাতল পেট্ৰল, কেৰাচিন বহুত সৰু পাইপৰ মাজেদি অতি কম শক্তিশালী আদি পাম্পৰ সহায়েৰে গোটেই ভাৰতক বিলাব পৰা নাযাব নেকি? এনেয়ে চাউল, দালি আনিবলৈ ৰেলত বোলে ঠাই নাই। এয়া চোৱা ইণ্টাৰ নেছনেল বেঙ্ক মিছনৰ ৰিপৰ্ট—য'ত ভাৰতৰ যান-বাহনৰ বিষয়ে আলোচনা কৰি তাৰ অৱস্থাৰ ঘোৰ আশঙ্কা প্ৰকাশ কৰিছে। (Report on the transport system in India by the International Bank Mission who expressed deep concern at the existing transport condition in India.) এতিয়া তাতে আকৌ 'ৰিফাইনেৰিৰ নানাৰকম তেলৰ বোজা জাপি দিয়া। (তেওঁ কৰবাৰ পৰা উপৰোক্ত আমি কোনেও নেদেখা নুশুনা মিছনৰ ৰিপোৰ্টটো সাক্ষী স্বৰূপে লৈ আহিছিল।) আমাৰ একমাত্ৰ উপায় হৈছে থাকৰা তেল পুঙৰ ওচৰতে শোধন কৰি শোধিত তেল সৰু পাইপ আৰু 'পাম্প' শক্তিৰে ভাৰতক বিলোৱা; জানা?'—মই কলো; ইয়াত বাহিৰে অন্য উপায় নাই। 'তথাপি' বুলি মই কিবা কব খোজাত—মইনো কি কব খুজিছো তালৈ অপেক্ষা নকৰি তেওঁ পুনঃ কলে—"কিয়, তুমি পাহৰিলা নেকি যে এই যুদ্ধত আমাৰ চকুৰ আগেদিয়েই কেৱল ৬ ইঞ্চি পাইপেৰেই বোম্বেৰ বন্দৰৰ পৰা বৰ্মালৈ পেট্ৰল সৰবৰাহ কৰিছিল। আৰু নাজানা নেকি আমেৰিকাত ৰেলকোম্পানীৰ নিচিনা লোকৰ তেল সৰবৰাহ কৰা পাইপ কোম্পানিও আছে। যোৱা যুদ্ধত দেখোন গ্ৰেট ব্ৰিটেনৰ পৰা সাগৰৰ তলেদি পাইপ বহুৱাই ফ্ৰান্স আৰু নৰৱে ছুইডেন আদি লৈকো তেল সৰবৰাহ কৰিছিল। এই আপত্তিবিলাক বাজে কথা। মন কৰিলেই চন কৰিব পাৰিব। আহাঁ, আমি বৰুৱাৰ তালৈ যাওঁ। তাতেই এখন মেমোৰেণ্ডাম জৱাহৰলাললৈ লিখা যাওক। (বৰুৱা মানে 'নতুন অসমীয়াৰ' সম্পাদক শ্ৰীহৰেন্দ্ৰ বৰুৱা)। মই কলোঁ—"কোনে আমাৰ কথা শুনিব, আমি কিহৰ কি? কিয়েই বা জানো? আদাবেপাৰীৰ জাহাজৰ খবৰ! দেশত জৱাহৰলালক মেমোৰেণ্ডাম দিয়া কথাৰ উমঘামেই নাই দেখোন?' তেওঁ কিন্তু নেৰে। ৰাইজৰ ফালৰপৰা নিদিলে তেওঁ নিজেই অকলে দিব। কি কৰা যায়? এনে ক্ষেত্ৰত য'ত সমগ্ৰ ভাৰতৰ ভৱিষ্যৎ স্বাৰ্থ আৰু মঙ্গল নিৰ্ভৰ কৰিছে তাত তো কেৱল 'আমাৰ দুখীয়া অসম—আমাৰ পিনেও চাব লাগে—ইত্যাদি 'we the benighted people of Assam' ধৰণৰ অতীজৰ আবেদন পত্ৰেৰে দালি নিসিজিব। আমি দিব লাগিব প্ৰত্যক্ষ প্ৰমাণ (Hard facts) বিশেষতঃ এই বিশেষজ্ঞ (Expert) বোলা দৈত্যসকলৰ বিৰুদ্ধে যুক্তি। দৰাচলতে বিশেষজ্ঞসকল বিশেষ অজ্ঞ; তেওঁলোকে একো নাজানিলেও চলে (Experts needs not know anything), কিন্তু আমিয়েই বা কি জানো? তথাপি গিৰীশে গোটোৱা সমলেৰে এখন আবেদন পত্ৰ লিখা গ'ল। শ্ৰীহৰেন বৰুৱাই গিৰীশৰ আবদাৰত থাকিব নোৱাৰি তাৰে আধামান কাটিকুটি এখন presentable

অৰ্থাৎ ভেটিৰ পৰা মেমোৰেণ্ডাম তৈয়াৰ কৰি দিলে।

আমি জানো যে গৱৰ্ণমেণ্টে সকলো কথাতে বিশেষজ্ঞ সকলৰ উপদেশ মতেহে চলে। সেই সুবিধা লৈয়েই তেৰা বিশেষজ্ঞসকলেও নিজৰ আৰু স্বাৰ্থান্বেষী মহাজনসকলৰ সুবিধা মতে মত দিয়ে। দৰ্কাৰ হলে কোনো ৰাজহুৱা অনুষ্ঠান, নিজৰ বা বন্ধুৰ বাৰীৰ পাছফালে বা গাৰৈতে হোৱা উচিত বুলি মত দিবলৈ দ্বিধাবোধ নকৰিলেও আশ্চৰ্য্য নহও। সেই দেখি 'মেমোৰেণ্ডামত' গিৰীশৰ কথা মতে টানি এইদৰে দুটা কথা লিখা গ'ল।

1. Let the experts tell you how to set the refinery and not where to set the same. অৰ্থাৎ ক'ত ৰিফাইনাৰি হব লাগে আপুনি সেইটো আপোনাৰ বিশেষজ্ঞ পণ্ডিত সকলক কওক আৰু সেই ঠাইত কেনেকৈ পাতিব লাগে সেইটোহে কেৱল তেৰাসকলে ঠিক কৰি দিয়ক। কাৰণ বিশেষজ্ঞসকলৰ প্ৰধান কৰ্ত্তব্যই হৈছে সমস্যাৰ সমাধান দিয়া।

দ্বিতীয়টো হৈছে (২) Pipe delivery (of oil) to the centres of distribution is the only way out for relieving congestion in traffic, অৰ্থাৎ ভাৰতৰ একমাত্ৰ পৰিবহনৰ ওপৰত নতুন বোজা নিদিবৰ ঘাই উপায় হৈছে গোটেই ভাৰতৰ যানবাহনৰ ওপৰত হেঁচা নিদি খনিজাত তেল সম্পদ পাইপৰ জৰীয়তে সৰবৰাহ কৰা।

আমি খবৰ পালোঁ, জৱাহৰলাল অসমলৈ আহিব অসম চৰকাৰৰ মত লবলৈ। কিন্তু ইফালে আমাৰ বাহিৰৰ ফালৰপৰা জনমত বা বক্তব্য জনোৱাৰ চেষ্টাৰ উমঘামেই নাই। জৱাহৰলাল অহাৰ কুৰিদিনমান আগতে এদিন তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই শ্ৰীহৰেন বৰুৱাক লগ পাই কলে যে যদি বৰুৱাইতে ইচ্ছা কৰে তেন্তে তেওঁ জৱাহৰলালৰ লগত তেওঁলোকৰ এখন ৰাজহুৱা সাক্ষাত লগ লগাই দিব পাৰে। শ্ৰীবৰুৱাই উৎসাহেৰে কথাটো গ্ৰহণ কৰিলে। কিন্তু 'মেমোৰেণ্ডাম' ক'ত বৈজ্ঞানিক তথ্যপাতিৰে বা যোগাৰ ইমান কম সময়ৰ ভিতৰত ক'ৰপৰা হব? অ' আমাৰ গিৰীশ বৰুৱাৰ লিখা কাগজখন আছে নহয়। আৰু দেখা যায় তাত আমি বুজা তথ্যপাতিও যথেষ্ট পৰিমাণে আছে। যদিও গতানুগতিক ধৰণৰ নহয়, তাকেই কাটি-কুটি বৰুৱাই এখন সৰু 'মেমোৰেণ্ডাম' কৰি উলিয়ালে। এই মেমোৰেণ্ডামৰ সংবাহকসকল ঠিক হল—শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱা, শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য, শ্ৰীৰবীন্দ্ৰনাথ নৱীশ, ৺হৰেশ্বৰ গোস্বামী আৰু শ্ৰীহেম বৰুৱা।

যথাসময়ত পণ্ডিতজীৰ লগত দেখা হ'ল। মেমোৰেণ্ডামো দিয়া হ'ল। আমি ভাবিছিলোঁ যে 'পত্ৰ পাঠে বিদায়' হব। কিন্তু বৰ আনন্দৰ কথা যে পণ্ডিতজীয়ে 'মেমোৰেণ্ডাম' গ্ৰহণ কৰিয়ে নেৰিলে—তাৰ প্ৰতি দফাৰে পুঙ্খানুপুঙ্খ আলোচনা কৰি উত্তৰো দিলে। লগতে প্ৰমাণ হল যে তেওঁ এজন কূটনীতিজ্ঞ (deplomat) হব পাৰে কিন্তু তেওঁ এজন মানুহ। শেহত সিদ্ধান্ত দিলে যে 'টেকনিকেল চাইড'ৰ পৰা বিশেষ বাধা নাথাকিলে অসমত এটা তেল শোধনাগাৰ হবই। আৰু এটা কথা। এই 'মেমোৰেণ্ডামখনত' ব্ৰহ্মপুত্ৰৰ ওপৰত দলং দিয়াৰ প্ৰয়োজনতাৰ কথাও বিশেষভাৱে উল্লেখ কৰা আছিল আৰু সেই বিষয়ে তৰ্কও হৈছিল। এইদৰে কলেও আমি আচৰিত নহও যে এই দলংখন দিঠকত পৰিণত হোৱাত এই 'মেমোৰেণ্ডাম'খনেও যথেষ্ট অৰিহণা যোগাইছিল। কাৰণ আমি খবৰ পালোঁ যে দিল্লীলৈ গৈয়েই এই দলংখনৰ 'এষ্টিমেট' কৰিবলৈ পণ্ডিতজীয়ে আদেশ দিছিল।

পাছৰ ইতিহাস জনাজাত। আকৌ বিশেষজ্ঞৰ সভা (Expert Committee) বহিল—সমিধান হ'ল—অসমত তেল শোধনাগাৰ কৰিবলৈ হলে ভাৰত গৱৰ্ণমেণ্ট টোকোনা হব। অসমত গণ-আন্দোলন হ'ল—অসম চৰকাৰেও কাৰ্যভাৰ ত্যাগ কৰিবলৈ ওলাল। দিল্লীত তেতিয়া আকৌ পুনৰ্বিচাৰৰ সমাজ বহিল। অসম



চৰকাৰৰ ফালৰপৰা যুক্তিৰে প্ৰমাণ কৰি দিয়া হল যে বিশেষজ্ঞ সকলৰ হিচাপে অৰ্থাৎ অসমত তেল শোধনাগাৰ হলে বেছি খৰচ হব বোলা কথা ভুৱা; যেনে, ৰেল পৰিবহন উন্নয়নৰ খৰচটোও তেল শোধনাগাৰৰ খৰচত সুমাই দি অসমত তেল শোধনাগাৰ হলে বিস্তৰ খৰচ হব বুলি দেখুৱাটো ভুৱা নহয় যদি কি? এনেকৈ দেখুওৱা হৈছিল যেন ৰেলখনো তেল শোধনাগাৰৰে অংশহে। শেহত সিদ্ধান্ত হ'ল যে বাকনিত এটা ডাঙৰ তেল শোধনাগাৰ পতা হবই, কিন্তু অসমকো পুতৌ কৰি এটা জেপত নিবপৰা (pocket size) শোধনাগাৰ দিয়া হব!

'ৰিফাইনাৰি'ৰ পাছত আকৌ এক অধ্যায় আহিল। এইবাৰ 'ৰুপী কোম্পানী' (Rupee Company); অৰ্থাৎ আমাৰ বুকুৰ বান্ধৈ 'আসাম অইল কোম্পানী'ৰ সৈতে ভাৰত গৱৰ্ণমেণ্টে এখন নতুন কোম্পানী খুলিব আৰু এই কোম্পানীয়ে তেল পুতত ওলোৱা তেল ভাৰতৰ তেল শোধনাগাৰবোৰত বিক্ৰী কৰিব। তাত 'আসাম অইল কোম্পানী'ৰ শতকৰা ৭৫ ভাগ অংশ (share) থাকিব আৰু ভাৰত গৱৰ্ণমেণ্টৰ কেৱল ২৫ ভাগ থাকিব বুলি 'আসাম অইল কোম্পানী'য়ে দাবী কৰিলে। আমাৰ মন্ত্ৰী ডাঙৰীয়া মালব্যই কৈ মেলি ভাৰত গৱৰ্ণমেণ্টৰ নামে ২৫ ভাগৰ পৰা ৩৩ ভাগলৈ অংশীদাৰী তুলি পাৰ্লেমেণ্টত বৰ ডাঙৰ জয় হ'ল বুলি বক্তৃতা দিলে আৰু তাত হাত চাপৰি পালে।

আমাৰ গিৰীশে তেতিয়াই তথ্যপাতি লৈ হাজিৰ। 'ই কি কথা? গোটেই মিডোল ইষ্টত (ইৰাণ, ইৰাক, চাউদি আৰবিয়া আদিত) সকলো ৰকমৰ অইল কোম্পানীয়ে উপযাচি টকা নিবিচৰাকৈয়ে ৫০।৫০ অংশৰ (ছেয়াৰত) তাৰ গৱৰ্ণমেণ্টবিলাকৰে বন্দবস্তি কৰি তেল উলিয়াইছে, অথচ আমাৰ চৰকাৰে কেৱল তিনি ভাগৰ এক অংশ ছেয়াৰ পাব—তাকো পূৰা ছেয়াৰ'ৰ টকা পৰিশোধ কৰিহে! লেখ 'মেমোৰেণ্ডাম'।

'মেমোৰেণ্ডাম' লিখা হ'ল। শ্ৰীহৰেন বৰুৱাই 'মেমোৰেণ্ডাম'খন চাই-চিন্তি পোনাই-পজৰাই দিলে। এই নতুন 'মেমোৰেণ্ডাম'বোৰ অসমৰ আৰু ভাৰতৰ লেখত লবলগীয়া ডাঙৰ মানুহ যেনে, মুখ্যমন্ত্ৰী চলিহা, মন্ত্ৰী ত্ৰিপাঠী, দেৱেশ্বৰ শৰ্মা, এম পি হেমবৰুৱা, ভাৰতৰ প্ৰধানমন্ত্ৰী নেহৰু আদি সকললৈ পঠোৱা হ'ল। কিন্তু দেখাত একো ফল নহ'ল। শ্ৰীহেম বৰুৱাই কেন্দ্ৰীয় মন্ত্ৰীসভাত কথাটো উত্থাপন কৰিছিল, কিন্তু মালব্য চাহেবৰ কূট উত্তৰত মনে মনে থাকিব লগীয়া হ'ল। সম্প্ৰতিলৈ 'আসাম অইল কোম্পানী'ৰ দুই অংশ আৰু ভাৰত গৱৰ্ণমেণ্টৰ কেৱল এক অংশ 'ছেয়াৰ' ৰুপী কোম্পানীতে ৰ'ল। কিন্তু নিয়তিৰ নীতি আচৰিত। 'মেটেই' বুলি ইটালিৰ তেলৰ ৰজা ভাৰত আকাশত ইতিমধ্যে উদয় হ'ল। বোধকৰোঁ এওঁৰ খুন্দাতে আসাম অইল কোম্পানি আৰু আন আন সংশ্লিষ্ট সকলো জখলাৰ পৰা নামি আহিব লগীয়া হ'ল। এতিয়া এই ৰুপী কোম্পানিৰ ভাৰত গৱৰ্ণমেণ্টে ৫০ ভাগ ছেয়াৰ লোৱা হল, যদিও ছেয়াৰৰ মূল্য পূৰাই দিব লাগিব।

জীৱন যুঁজত গিৰীশৰ যথেষ্ট সাফল্য আছে বুলি কব নোৱাৰি, কিন্তু এই তথ্য বিচৰা স্বভাৱটোৰ পৰা হলে তেওঁক সংসাৰৰ হাজাৰ বিপদ বিঘিনিয়েও পিছলাব নোৱাৰিছিল। তেওঁ কোৱা ভাষাৰে 'অন্ন ভক্ষ্য ধনুৰ্গুণঃ' হোৱাৰ দিনাও তেওঁ কিবা 'ষ্টেটিষ্টিকছ' বা শঙ্কৰাচাৰ্য অসমলৈ আহি তৰ্ক যুদ্ধত হৰা তথ্য বা গোপাল আতাই ক'ত কি কৰিলে সেইবোৰ নানা ধৰণৰ মগজু গৰম কৰা সঁজুলি লৈয়েই ব্যস্ত আছিল। তেওঁ জীৱনৰ শেহ দিনলৈকেও জীৱনৰ অমিয়া—ভাৱৰাজ্যত বিচৰণ কৰিছিল। জীৱনৰ হাজাৰ আহকালেও তেওঁক সেই ভাৱৰাজ্যৰ পৰা আঁতৰাই আনিব পৰা নাছিল। মৰাৰ দুদিনমান আগতেও তেওঁ ৪০ টকা বেঁচা ৰূপ ভাঙি 'ৰিডাৰ্চ ডাইজেষ্ট' প্ৰকাশ কৰা এখন বহুমূলীয়া ভূগোল গ্ৰন্থ আহৰণ কৰিছিল, আৰু মোক বিজয়ী বীৰৰ দৰে মহা আস্ফোটেৰে দেখুৱাইছিল! বেজাৰৰ কথা এই যে তেওঁ তাক পঢ়িবলৈ আৰু তেওঁৰ মতে তাৰপৰা তথ্য

চেপি আহৰণ কৰিবলৈ আহৰি নাপালে। তাৰ আগেয়ে তেওঁৰ ওপৰত মহাকালৰ ডাক পৰিল। আগষ্ট মাহৰ ৩০ তাৰিখে, মাত্ৰ কেইঘণ্টামান হৃদযন্ত্ৰৰ ৰোগত ভুগি তেওঁ এই নশ্বৰ দেহ পৰিত্যাগ কৰিলে। মানুহ হৈ জীয়াই থকাৰ সাৰ্থকতাত তেওঁ যথেষ্ট সাফল্য দেখুৱাই গ'ল। তেওঁৰ আত্মাই চিৰ শান্তি লাভ কৰক এয়ে প্ৰাৰ্থনা। •

• টোকা—কেশৱ কান্তবৰুৱাৰ প্ৰতিষ্ঠিত পুৰণি 'জয়ন্তী' কাকতৰ অন্যতম প্ৰাক্তন সম্পাদক এজন নীৰৱ সাহিত্য-সেৱী আৰু প্ৰকৃত অসমপ্ৰেমী লোক আছিল। লক্ষ্মীনাথ দাস ডাঙৰীয়া তেওঁৰ নলে-গলে লগা বন্ধু আছিল। দুয়োজনৰে চিন্তাধাৰা প্ৰায় একে আছিল। বহু বছৰ পূৰ্বে বৰুৱা স্বৰ্গী হোৱাৰ পিছতে দাসদেৱে মনত দাৰুণ শোক পাই বন্ধুৰ বিষয়ে এই প্ৰবন্ধটো লিখি এখন সংকলন গ্ৰন্থলৈ পঠাইছিল। তাকে ভালুকৰ গাঁতৰ পৰা উদ্ধাৰ কৰি আনি 'পত্ৰিকা'ৰ সম্পাদকক সমৰ্পণ কৰা হৈছে প্ৰকাশৰ বাবে। এই প্ৰবন্ধ কেৱল এজন নীৰৱ দেশ-সেৱকৰ জীৱন আলেখ্যই নহয়, লিখক লক্ষ্মীনাথ দাসৰ পুৰঠ কাপৰ বৈশিষ্ট্যও ইয়াত দেখা পোৱা যাব।

—শ্ৰীঅতুল হাজৰিকা






# ৱৰ্ডছ্‌ৱৰ্থৰ দৃষ্টিভঙ্গীত কবি আৰু কবিতা

শ্ৰীপদ্ম ৰাম শালৈ

ৱৰ্ডছ্‌ৱৰ্থ প্ৰধানতঃ কবিহে, সমালোচক নহয়। বাধ্য হৈহে তেওঁ কবি আৰু কবিতাৰ বিষয়ে নিজৰ দৃষ্টিভঙ্গী দাঙি ধৰিব লগাত পৰিছিল। ইয়াৰ প্ৰধান কাৰণ—কলেৰীজেৰে সৈতে ১৭৯৮ চনত "পৰীক্ষামূলক" ভাৱে প্ৰকাশ কৰা 'লিৰিকেল বেলাড্‌ছ্‌' নামৰ কবিতাবোৰো যে কবিতাহে, তাকে প্ৰত্যয় নিওৱাৰ কাৰণেই কবিতা নো কি, ইয়াৰ বিষয়বস্তু, ৰচনা-ৰীতি আদিৰ বিষয়ে লিখাৰ উপৰিও কবিৰ বিষয়েও এখন দীঘলীয়া পাতনি (Preface) লিখিব লগীয়া হৈছিল। এইখন পাতনি হলেও সাহিত্যিক দৃষ্টিকোণৰ পৰা অতি মূল্যবান। এই পাতনিখনেই ইংৰাজী সাহিত্যত এটি নতুন যুগৰ সূচনা কৰিলে, কবিতাত এক নতুন দৃষ্টি-ভঙ্গী আনি দিলে, কবি আৰু কবিতাৰ এক সংজ্ঞাও দিলে। ইয়ে কবি আৰু কবিতাৰ ক্ষেত্ৰত একৰকম পথ-প্ৰদৰ্শক স্বৰূপ হৈ পৰিল।

১৭৯৮ চনত যেতিয়া 'লীৰিকেল বেলাড্‌ছ্‌' প্ৰথম প্ৰকাশ কৰা হয়, সেই সংস্কৰণৰ পাতনিতে ৱৰ্ডছ্‌ৱৰ্থে এই কবিতাবোৰ যে গতানুগতিকতাৰ পৰা সম্পূৰ্ণ পৃথক, স্পষ্টভাষাৰে কৈছে। তেওঁ লিখিছে যে তীব্ৰ অনুভূতিত মানুহৰ মুখৰপৰা যি ভাষা ওলায়, সেই ভাষাকে সালসলনি কৰি ছন্দবদ্ধভাৱে পৰীক্ষামূলক হিচাপে এই কবিতাবোৰ প্ৰকাশ কৰা হৈছে যাতে তীব্ৰ অনুভূতিত পোৱা আনন্দকণ এই কবিতাবোৰত জ্ঞাত হয়; কবিয়ে ইয়াৰ বাবেই মূলতঃ চেষ্টা কৰিব লাগে।[১] তেওঁ আৰু

(১) It was Published, as an experiment, which, I hoped, might be of some use to ascertain, how far, by fitting to metrical arrangement a selection of language of men in a State of vivid sensation, that sort of pleasure and that quantity of pleasure may be imparted, which Poet may rationally endeavour to impart. (Preface)

লিখিছে—যি সকল অত্যাধুনিক লেখকৰ ঝমকজমক অসাৰ খণ্ডবাক্যাত অভ্যস্ত, তেওঁলোকে এই কবিতাবোৰ পঢ়ি উঠি বিমোৰত পৰিব আৰু কেনেকৈ এইবোৰ কবিতা হব পাৰে তাকে ভাবিব।[2] এনে ধৰণৰ লিখনিৰ পৰাই সহজতে বুজিব পাৰি যে "লীৰিকেল বেলাড্‌ছ্‌" সেই সময়ৰ সাহিত্য জগতত এক আলোড়নৰ সৃষ্টি কৰিছিল। এই আলোড়ন আছিল এক নতুনত্বৰ। এই নতুনত্ব আছিল কবিতাৰ বিষয়বস্তুত, প্ৰকাশ-ভঙ্গীত। আমি চিৰদিন লগ পোৱা, দেখি থকা সাধাৰণ মানুহৰ জীৱনৰ ঘটনাৱলী আৰু পৰিস্থিতিকো লৈ যে কবিতা লিখিব পাৰি, সদায় শুনি থকা চৰাই-চিৰিকতিৰ মাতো যে কবিতাত স্থান পাব পাৰে, নদী-পৰ্বত, গছ-গছনি আদিকো যে কবিতাই সামৰি লব পাৰে—ইয়াকে বুজাব খুজিছিল ৱৰ্ডছ্‌ৱৰ্থে তেওঁৰ কবিতাবোৰৰ যোগেদি। ৱৰ্ডছ্‌ৱৰ্থৰ আগতে চেটাৰ্‌টন্‌ কলিন্‌চ্‌, গ্ৰে, বাৰ্ণচ্‌, কাওপাৰ আদিয়েও এনে চেষ্টা চলাইছিল যদিও, ৱৰ্ডছ্‌ৱৰ্থে সম্পূৰ্ণৰূপে কাব্যজগতত এটি নতুন ধাৰা আনি দিলে আৰু ইয়ে ইংৰাজী সাহিত্যত 'ৰোমাণ্টিক যুগ' নামে অভিহিত হ'ল।

একো একোজন মহান ব্যক্তিৰ কাৰণেই কি সাহিত্য জগতত, কি ৰাজনীতি জগতত, নাইবা যি কোনো সংস্কাৰমূলক কামত এক বিৰাট পৰিবৰ্তনে দেখা দিয়ে। এনে ব্যক্তি সদায় নানা কটু সমালোচনা আনকি বিপদৰো সন্মুখীন হব লগা হয়। আটাইবোৰ সমালোচনা, আটাইবোৰ বিপদকে অতিক্ৰম কৰি তেওঁলোকে নিজৰ দৃষ্টিভঙ্গী প্ৰতিষ্ঠা কৰিব পাৰে কাৰণেই তেওঁলোক মহান। ৱৰ্ডছ্‌ৱৰ্থো ইয়াৰ ব্যতিক্ৰম নহয়। ৱৰ্ডছ্‌ৱৰ্থে সেই সময়ত ইংৰাজী সাহিত্যক দমন কৰি ৰখা 'নিউ ক্লাছিছিজ্‌ম্‌'ৰ ওৰ পেলাই আৰম্ভ কৰালে ৰোমাণ্টিচিজ্‌মৰ। 'লীৰিকেল বেলাড্‌ছ্‌'ৰ পাতনিখনেই ইংৰাজী সাহিত্যত ক্লাছিছিজ্‌মৰ ওৰ পেলাই ৰোমাণ্টিছিজ্‌ম্‌ প্ৰতিষ্ঠা কৰাত লাইখুটা হৈ পৰিল। এই পাতনিখনত আলোচনা কৰা মতেহে কবি আৰু কবিতাৰ বিষয়ে আলোচনা কৰা হব। ইয়াত আমাৰ নিজা মত অলপো নাই। প্ৰবন্ধ দীঘলীয়া হোৱাৰ ভয়ত আৰু পঢ়ুৱৈও আমনি পাব বুলি ভাবি আমি মাথোন মূল মূল কথাখিনিহে ইয়াত দাঙি ধৰিম।

ৱৰ্ডছ্‌ৱৰ্থৰ মতে কবিতা হৈছে তীব্ৰ অনুভূতিৰ স্বতঃস্ফূৰ্ত বিকাশ। অনুভূতি জীৱমাত্ৰৰেই আছে। সেইবুলি সকলোৱে কবিতা লিখিব নোৱাৰে। যিজনৰ একাধিক ইন্দ্ৰিয়ানুভূতি আছে, অন্তৰত এই অনুভূতি গভীৰ হয় আৰু বহু সময়লৈকে এই অনুভূতিয়ে অভিভূত কৰি তোলে, তেনেজনেহে কবিতা লিখিব পাৰে। সুস্থিৰ অৱস্থাত ৰোমন্থিত মনৰ উদ্বেগৰ পৰাই কবিতাৰ সৃষ্টি।[3] এনেধৰণে কবিতাৰ সৃষ্টি হবলৈ চাৰিটা অৱস্থাৰ আৱশ্যক—ৰোমন্থন (Recollection), চিন্তা বা ধ্যান (Contemplation). সেই চিন্তাৰ পুনঃ পুনঃ উদ্ভৱ (Recrudescence) আৰু তাৰ পাছতহে ৰচনা (Composition)। যি কোনো বস্তু দেখাৰ লগে লগে যি অনুভূতি জন্মে সেই অনুভূতিয়ে কবিৰ মনত এনে ধৰণে গভীৰ চাপ পেলায় যে সি কিছুদিনলৈ স্থায়ী হয়, সিয়ে চিন্তাৰ বস্তু হৈ পৰে, বাৰে বাৰে মনৰ দৃষ্টিপটত ভাহি উঠে। এনে অদমনীয় অনুভূতিৰ পৰাহে উৎকৃষ্ট কবিতাৰ সৃষ্টি হয়।

(২) They who have been accustomed to the gaudiness and inane phraseology of many modern writers, if they persist in reading this book to its conclusion, will, no doubt, frequently have to struggle with feelings of strangeness and awkwardness; they will look round for Poetry, and will be indeed to inquire by what species of courtesy these attempts can be permitted to assume that title. (Preface)

(৩) Poetry is the spontaneous overflow of powerful feelings; it takes its origin from emotion recollected in tranquillity. (Preface)



কবিতা সম্পৰ্কে ৱৰ্ডছ্‌ৱৰ্থে দাঙি ধৰা সংজ্ঞাৰ পৰা আমি দুটা কথা স্পষ্টভাৱে পাওঁ—প্ৰথম, কবিতা তীব্ৰ অনুভূতিৰ স্বতঃস্ফূৰ্ত বিকাশ; দ্বিতীয়, কবিতাৰ মূল হ'ল সুস্থিৰ অৱস্থাত ৰোমন্থিত মনৰ উদ্বেগতা। ৱৰ্ডছ্‌ৱৰ্থৰ এই দৃষ্টিভঙ্গী আমি তেওঁৰ 'লুচি' কবিতাবোৰত (Lucy Poems), 'মেথিউ' (Matthew), 'দা ডেফ'ডিল্‌চ্‌' (The Daffodills), 'দা চলিটাৰী ৰীপাৰ' (The Solitary Reaper), 'অ'ড অন্‌ ইণ্টিমেশ্বন অৱ্‌ ইম্‌মৰ্টেলিটি' (Ode on Intimation of Immortality)ৰ কিছু অংশত, কেইটিমান ছনেটত, 'দা প্ৰিলিউদ্‌' (The Prelude), 'দা একচ্‌কাৰ্‌চন' (The Excursion) আদি অনেক কবিতাত।

কবিও এজন মানুহহে। তেওঁ আন মানুহৰে সৈতে কথা পাতে তেওঁৰ কবিতাৰ যোগেদি।[4] আন মানুহতকৈ তেওঁৰ বৈশিষ্ট্য মন কৰিব লগীয়া হ'ল—তেওঁ (কবি) অধিক গভীৰ অনুভূতিৰ দ্বাৰা পুষ্ট, অধিক উদ্দাউল আৰু কোমল, মানৱ প্ৰকৃতিৰ বিষয়ে অধিক অভিজ্ঞ, অধিক বুজিবপৰা, অধিক অনুৰাগী আৰু অভীপ্‌সু, নিজৰ আত্মশক্তিত অধিক আনন্দিত, বিশ্ব-ব্ৰহ্মাণ্ডত চিৰাচৰিত মানৱ জাতিৰ অভীপ্সা আৰু অনুৰাগৰ প্ৰতি অধিক চিন্তাশীল আৰু যেতিয়াই এইবোৰ নেদেখে তেতিয়াই ইয়াৰ সৃষ্টিৰ বাবে ইচ্ছুক-স্বভাৱৰ। কবিতা মানৱ-প্ৰকৃতিৰ প্ৰতিবিম্ব।[5] কবিয়ে কবিতা লিখে মানুহৰ মনত আনন্দ প্ৰদানৰ বাবেহে। কবিয়ে এই আনন্দ দিয়ে মানুহ হিচাপেহে; কোনো ওকালতিৰ দ্বাৰা নহয়, কোনো চিকিৎসাৰ দ্বাৰা নহয়, কোনো জ্যোতিৰ্বিদ্যাৰ দ্বাৰা নহয়, নাইবা কোনো দৰ্শনৰ দ্বাৰা নহয়; কেৱল মানুহৰ স্বভাৱ, মানুহৰ প্ৰকৃতিৰ এক প্ৰকৃতচিত্ৰ দাঙি ধৰিহে। এই আনন্দ দানৰ বাবে কবিয়ে বহুখিনি কৰিব লগা হয়; প্ৰথম, চাৰিওফালে বিয়পি থকা পদাৰ্থসমূহে মানুহৰ ওপৰত কেনেধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ দ্বাৰা মানুহৰ অন্তৰত কষ্ট আৰু আনন্দৰ জটিলতা সৃষ্টি কৰিছে—সেই দৃষ্টিকোণৰ পৰা মানুহৰ বিষয়ে বিবেচনা কৰিব। দ্বিতীয়, কবিয়ে মানুহৰ বিষয়ে বিবেচনা কৰোঁতে মানুহৰ প্ৰকৃতি আৰু সাধাৰণ জীৱন-যাপনৰ কথাও চাব লাগিব। এই বিষয়ে সম্যক জ্ঞান লাভ কৰিবলৈ হলে কবিয়ে বিচাৰ কৰিব লাগিব মানুহৰ জন্মাৰ্জিত জ্ঞান লাভ কৰা স্বভাৱৰ ফালৰ পৰা কি ক্ষেত্ৰত অপৰাধী, কিমান সহজাত প্ৰজ্ঞাবুদ্ধি সম্পন্ন, আৰু জীৱনত কেনে ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিছে। তৃতীয়, কবিয়ে মানুহৰ ভাব আৰু অনুভূতিৰ কথাও বিবেচনা কৰি চাব লাগিব। মানৱ প্ৰকৃতিৰ এনে সম্যক জ্ঞানে কবিকো আনন্দ দিয়ে আৰু এনে চিত্ৰাঙ্কিত কবিতাই আনকো আনন্দ দিয়ে।

কবিয়ে যেনেকৈ সম্যক জ্ঞান লাভৰ দ্বাৰা কবিতা লিখি আনন্দ পায়, বৈজ্ঞানিকেও তেনেকৈ কোনো বিষয়ত সম্যক জ্ঞান লাভৰ দ্বাৰা আনন্দ পায়। তথাপি দুয়োৰে মাজত প্ৰভেদ আছে। কবিৰ জ্ঞান সমগ্ৰ মানৱজাতিৰ জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ। ইয়ে মানৱ সমাজক নিজৰ অস্তিত্বৰ কথা, স্বভাৱৰ কথা আৰু উত্তৰাধিকাৰী স্বত্বৰ কথা সোঁৱৰাই দিয়ে। ফলত কবিৰ জ্ঞান মানৱ-জাতিৰ পথ-প্ৰদৰ্শক স্বৰূপ হৈ পৰে। বৈজ্ঞানিকৰ জ্ঞান সম্পূৰ্ণ ব্যক্তিগত (personal and individual)। কবিয়ে যেনেকৈ স্বাভাৱিকতে এক তীব্ৰ গতিত জন-সাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে, বৈজ্ঞানিকে নোৱাৰে। বৈজ্ঞানিকৰ প্ৰভাৱ মন্থৰ গতিৰ। কবিয়ে গান আৰম্ভ কৰিলেই সমগ্ৰ মানৱজাতিয়ে সেই গান গাবলৈ আৰম্ভ কৰে। দিক্‌ভ্ৰান্ত মানৱ জাতিৰ সন্মুখত নতুনত্বৰ সন্ধান যোগোৱাত কবি যেন এক দৃশ্যমান বন্ধু আৰু আৱশ্যক সময়ৰ সঙ্গী। এইখিনিতে কবিৰ আনন্দ। সেয়েহে

(৪) He is a man speaking to men. (Preface)

(৫) Poetry is the image of man and nature. (Preface)

ৱৰ্ডছ্‌ৱৰ্থে কবিতাক সকলো জ্ঞানৰে উৎস আৰু উৎকৃষ্টতৰ শক্তি, সকলো বিজ্ঞানৰে উত্তেজিত বিকাশ বুলি কৈছে।[৬] শেক্‌ছ্‌পীয়েৰে কোৱাৰ নিচিনাকৈ[৭] কবিয়েও অতীত আৰু ভৱিষ্যত দুয়োটাকে চায়। কবিৰ চিন্তনীয় বিষয় সকলোতে আছে। কবিৰ দৃষ্টিৰ পৰা এটি নগণ্য বস্তুও আঁতৰি যাব নোৱাৰে। পৰিদৃশ্যমান আৰু কল্পনাৰ সকলো বিষয়ৰে জ্ঞান কবিয়ে আহৰণ কৰে আৰু তাকে কবিতাত প্ৰকাশ কৰে। কবিতাত কবিয়ে এনে ধৰণে সকলো প্ৰকাৰৰ জ্ঞান চিৰন্তনৰূপে বিকাশ কৰাব পাৰে কাৰণেই ৱৰ্ডছ্‌ৱৰ্থে কবিতাক সকলো জ্ঞানৰ এক অনাদি অনন্ত কালৰ প্ৰবাহ বুলি কৈছে। মানুহৰ অন্তৰাত্মা বা পৰমাত্মাৰ নিচিনা কবিতাও অমৰ।[৮]

কবিয়ে কবিৰ কাৰণে কবিতা নিলিখে, লিখে সকলোৰে কাৰণে। মানবীয় উত্তেজনা শক্তিতহে কবিৰ ভাৱনা, অনুভূতি। গতিকে কবিৰ ভাব-অনুভূতিৰ ভাষা আন মানুহৰ ভাষাৰ পৰা পৃথক হব নোৱাৰে। মানুহে সাধাৰণতে যি ভাষা ব্যৱহাৰ কৰে কবিয়েও সেই ভাষাকে ব্যৱহাৰ কৰিব আৱশ্যকীয় সালসলনি আৰু শোধনেৰে। কবিতাৰ ছন্দও তদ্ৰূপ। কবিতাত ছন্দ-বদ্ধতাৰ বাবে যে এক সুকীয়া ভাষা আছে, ৱৰ্ডছ্‌ৱৰ্থে বিশ্বাস নকৰে। লানি লগাই লিখা গদ্যৰ ভাষাও কবিতাৰ ভাষা হব পাৰে। কবিতাৰ অভিপ্ৰায় হৈছে আনন্দৰ আতিশয্যাৰ সহ-অৱস্থানত উত্তেজনাৰ সৃষ্টি কৰা।[৯] গতিকে সৰ্বসাধাৰণে বুজা ভাষা আৰু ছন্দত যদি কবিতা লিখা নহয়, তেনেহলে কবিতাৰ মৌলিক উদ্দেশ্য সাধন নহব।

(৬) Poetry is the breath and finer spirit of all knowledge ; it is the impassioned expression in the countenance of all science. (Preface)

(৭) "man looks after and before"

(৮) Poetry is the first and last of all knowledge,......it is as immortal as the heart of man. (Preface)

(৯) The end of poetry is to produce excitement in co-existence with overbalance of pleasure. (Preface)



# অসম সাহিত্য সভাৰ সমবায় কেন্দ্ৰৰ প্ৰথম আলোচনা সভা

## ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১ : ২।১২।৭৩ আৰু ৩।১২।৭৩

শ্ৰীগিৰিধৰ শৰ্মা
সভাপতি, অসম সাহিত্য সভা

অসম সাহিত্য সভাই এই বছৰত লোৱা বাৰদফীয়া আঁচনি অনুক্ৰমে (১) ৰাজ্যৰ বিভিন্ন ভাষিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ আৰু (২) বিভিন্ন জনগোষ্ঠী সমূহৰ সমন্বয় সাধনৰ উদ্দেশ্যে সভাপতিৰ আহ্বান ক্ৰমে যোৱা দুই আৰু তিনি ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত এখনি আলোচনা সভা বহিছিল। তালৈকে অসম সাংস্কৃতিক সভা, অসম পুথি ভঁৰাল সংঘ, অসম সঙ্গীত সন্মিলন, অসম নাট্য সন্মিলন, ৰবীন্দ্ৰ পৰিষদ আদিৰ উপৰিও বড়ো, ৰাভা, কাৰ্বি, ডিমাচা, টিৱা (লালুং) মিচিং (মিৰি), বৰ্মন, দেউৰী, সোনোৱাল, চাহমজদুৰ আৰু নেপালী গোষ্ঠীৰ দুই চাৰিজনক আহ্বান কৰা হৈছিল। সভাত বিভিন্ন অনুষ্ঠান আৰু গোষ্ঠীৰ পৰা মুঠ ২৫ জন সদস্য উপস্থিত আছিল। তাৰ ভিতৰত ভলত দিয়া সকলে আলোচনাত অংশ গ্ৰহণ কৰিছিল। দুয়োদিনৰ সভাত অসম সাহিত্য সভাৰ সভাপতি শ্ৰীগিৰিধৰ শৰ্মাই সভাপতিত্ব কৰিছিল। প্ৰথম দিনত সভাপতিয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে মঙলদৈ সাহিত্য সভাৰ নব-নিৰ্বাচিত সভাপতি ডঃ মহেশ্বৰ নেওগে আলোচনা মুকলি কৰিছিল আৰু দ্বিতীয় দিনা অধ্যক্ষ ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যই মুখ্য অতিথি-ৰূপে সভাত যোগদান কৰি আলোচনাত অংশ গ্ৰহণ কৰিছিল। উপস্থিত সদস্য সকলৰ ভিতৰৰ পৰা সৰ্বশ্ৰী বীৰেন দাস, মঙ্গলচণ্ডী ব্ৰহ্ম, ধনীৰাম ৰংপী, চন্দ্ৰ বাহাদুৰ চেত্ৰী, নিৰুপমা হাগজেৰ, ডাঃ তাৰিণীমোহন বৰুৱা, ৰাজেন ৰাভা, ৰামেশ্বৰ দেউৰী, ছগনলাল জৈন, থানেশ্বৰ বড়ো, যতীন গোস্বামী, সাথী তেৰণপি, বাণেশ্বৰ বসুমতাৰী, ফনীন্দ্ৰ নাথ ব্ৰহ্ম, ৰতি কান্ত তেৰণ আৰু ৰজনীকান্ত দেৱশৰ্মাই আলোচনাত অংশ গ্ৰহণ কৰে। সৰ্বশ্ৰী ভদ্ৰ ৰবা, ৰামেশ্বৰ দেউৰী, শীলবাহাদুৰ ছেত্ৰী, ৰূপেন্দ্ৰ নাৰ্জাৰী, মদন ব্ৰহ্ম আদিও সভাত উপস্থিত আছিল।

সভা মুকলি কৰি ডঃ নেওগে কয় যে ৰাজনৈতিক প্ৰলোভনে আমাৰ মাজত নানা খেলিমেলিৰ সৃষ্টি কৰিছে, ভুল বুজাবুজিৰ কাৰণে আমাৰ প্ৰভেদৰ কথা উঠিছে। জনজাতিৰ লোকসকলে নিজস্ব জীৱনবোধ, নিজস্ব সাংস্কৃতিৰ বিকাশৰ সুবিধা বিচৰাটো স্বাভাৱিক। বড়ো,

কছাৰী আৰু অন্যান্য জনজাতিসকল যদি অসমীয়া নহয়, তেনেহলে ইয়াত কোনো অসমীয়া নহয়। গতিকেই আমাৰ মিলাপ্ৰীতিৰ অতি আৱশ্যক।

অধ্যাপক বীৰেন দাসে কয় যে এই আলোচনা সভা সময়োচিত হৈছে। অসমৰ বৰ্তমান পৰিস্থিতি বিপদাপন্ন, আমাৰ সংহতি বিপদাপন্ন হৈছে। বড়োসকলৰ এটা অংশই নিজকে অসমীয়া নহয় বুলি ভাবে—এয়া কোনো ৰাজনৈতিক কাৰণ অথবা বাহিৰা শক্তিৰ প্ৰৰোচনা। ভুল বুজাবুজি এৰাবৰ কাৰণে আমি কাম কৰিব লাগিব। কাৰণ অসমত যিমান বিভিন্ন সম্প্ৰদায় বা ভাষা-ভাষী লোক নাথাকক লাগে কিয়, মূলতঃ আমি অসমীয়া। ইয়াৰ কাৰণে অসম সাহিত্য সভাই এটা নতুন পৰিবেশৰ সৃষ্টি কৰিব লাগে। বিভিন্ন জনগোষ্ঠীৰ অনুষ্ঠান সমূহৰ লগত অসম সাহিত্য সভাই সমন্বয় সৃষ্টি কৰাৰ ব্যৱস্থা লব লাগে আৰু বিভিন্ন ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে সুবিধা দিব লাগে। এইদৰেই মহান অসমীয়া সংস্কৃতি গঢ়ি উঠিব। এয়া তাৰ প্ৰথম প্ৰচেষ্টা। লগতে অধ্যাপক দাসে আৰু কেইটামান পৰামৰ্শ আগবঢ়ায়, যেনে, স্কুল, কলেজৰ আবাস গৃহ একেলগে হব লাগে। জনজাতীয় মাত কথা অ-জনজাতীয় সকলে শিকাৰ ব্যৱস্থা লব লাগে। আমাৰ সংহতি ৰক্ষাৰ কাৰণে আমাৰ মাজত এটা কাৰ্যক্ষমদল গঠন কৰিব লাগে। জনজাতীয় লোকসকলৰ মাজৰ পৰা সাহিত্য সভাৰ বিষয়ববীয়া বাখিব লাগে।

মঙ্গলচণ্ডী ব্ৰহ্মই কয় যে ৰাজিক সংহতি পৰিষদ গঠন কৰা হৈছে যদিও সেই পৰিষদে সংহতিৰ কাৰণে বিশেষ অবিহণা যোগাব পৰা নাই। এই ক্ষেত্ৰত শঙ্কৰদেৱৰ আদৰ্শ আমাৰ স্মৰণীয়। সংহতিৰ কাৰণে সাহিত্য সভাৰ জৰিয়তে এটা বলিষ্ঠ সমিতি গঠন কৰি কামত আগুৱাই যাব লাগে। সংহতিৰ কাৰণে কলা-বিদ্যালয় স্থাপন কৰিব লাগে বুলিও তেওঁ পৰামৰ্শ আগ বঢ়ায়।

শ্ৰীধনীৰাম ৰংপী ডাঙৰীয়াই কয় যে অসমৰ বাহিৰৰ পৰা অহা বহুলোকে অসমত নিজকে অসমীয়া হিচাপে প্ৰতিষ্ঠা কৰিছে, অথচ আমাৰ বহুতে নিজকে অসমীয়া নহয় বুলি কব খোজাটো অতি পৰিতাপৰ কথা। অসমক কেনেকৈ শক্তিশালী কৰিব পাৰি তাৰ কাৰণেহে প্ৰথম চিন্তা কৰিবৰ আৱশ্যক হৈছে। জনজাতিসকলৰ কৃষ্টি-সংস্কৃতিৰ ইতিবৃত্ত সম্যকভাৱে আহৰণ কৰি প্ৰকাশ কৰিব লাগে। জনজাতীয় অ-জনজাতীয় লোকৰ সংমিশ্ৰণৰ সমূহীয়া অনুষ্ঠান লাগে। অসম সাহিত্য সভাই এনে কাম হাতত লোৱাটো বৰ আনন্দৰ কথা হৈছে।

শ্ৰীচন্দ্ৰ বাহাদুৰ ছেত্ৰীয়ে কয় যে সাহিত্য সভাই এই কাম আগতেই হাতত লব লাগিছিল, পলমকৈ হলেও এই প্ৰচেষ্টাৰ সুফল হব বুলি আশা কৰিব পাৰি। অনুন্নতসকলক মৰম-চেনেহেৰে আমি আপোন কৰি লব লাগিব। প্ৰব্ৰজনকাৰী সকলক আমি সামৰি লৈ অসমৰ উন্নয়নত তেওঁলোকক সচেতন কৰি তুলিব লাগিব। সম্প্ৰীতি হবলৈ হলে ডাঙৰ ভাইসকলে সৰু ভাইসকলক মৰম কৰিব লাগিব। আৰু সৰু ভাই সকলেও ডাঙৰ ভাই সকলক শ্ৰদ্ধা কৰিব লাগিব, মৰম কৰিব লাগিব। লগতে তেওঁ কেইটামান পৰামৰ্শও আগ বঢ়ায় : (১) বিভিন্ন জাতি উপ-জাতিৰ মাজত এখন উপ-সমিতি স্থাপন, (২) বিভিন্ন ভাষীক সাঙুৰি লব পৰা বিষয়ৰ গ্ৰন্থ প্ৰণয়ন, (৩) অসমীয়া সাহিত্যৰ উৎকৃষ্ট গ্ৰন্থ অন্য ভাষালৈ অনুবাদ, (৪) শঙ্কৰ মিছনক শক্তিশালী অনুষ্ঠান কৰি শিক্ষা-সংস্কৃতিৰ প্ৰচাৰ কৰা, (৫) অসমীয়া ভাষাক আধুনিক ভাষা হিচাপে কেন্দ্ৰীয় ভাৱে গ্ৰহণ কৰা, ইত্যাদি।

শ্ৰীমতী নিৰুপমা হাগজেৰে কয় যে অসম সাহিত্য সভাই এইটো খুব ভাল কাম হাতত লৈছে ; কাৰণ এইদৰে আলোচনীৰ মাজেৰেহে মানুহৰ ভুল বুজা বুজি আঁতৰিব। বড়োসকল অসমৰ বাহিৰত থাকি নাইবা অসমীয়া ভাষা নিশিকি থাকিব নোৱাৰে। আমি সকলোৱে সংহতিতহে অসমৰ শ্ৰীবৃদ্ধি হব আৰু আমাৰো সুখ শান্তি হব। ৰোমান লিপি লব খোজা বড়ো



সকলৰ ভুল হৈছে, ৰোমান লিপি ললে তেওঁলোকৰ শিক্ষা আৰু বেছি পিছপৰি যোৱাৰহে সম্ভাৱনা আছে।

ডাঃ তাৰিণী মোহন বৰুৱাই কয় যে সাংস্কৃতিক দিশত সমানে আগ বঢ়াৰ ব্যৱস্থা কৰিব লাগে। মৰহি যাব খোজা সৃষ্টিমূলক সমলসমূহৰ উদ্ধাৰ একান্ত প্ৰয়োজনীয়। সংহতি ৰক্ষাৰ কাৰণে কাম কৰি বিভিন্ন জন গোষ্ঠীৰ ভাষা-সাহিত্য বিকাশৰ সুবিধা দিব লাগে। মঙ্গলদৈ সাহিত্য সভাৰ লগতে এখন এই বিষয়ে অভিবৰ্তন পাতিব লাগে।

শ্ৰীহৰিপ্ৰসাদ উপাধ্যায়ে সাহিত্য সভাৰ শাখা গাৱেঁ-ভূঞে স্থাপন কৰিব লাগে বুলি পৰামৰ্শ আগ বঢ়ায়। সংহতিৰ কাৰণে এই শাখা সভাবোৰৰ যোগেৰে সাংস্কৃতিক আদান-প্ৰদান আৰু ভাবৰ আদান-প্ৰদান কৰিব লাগে। সেই অঞ্চলবোৰ সংগঠন কৰি লোকৰ মাজত কোনো ভুল বুজা বুজি হোৱাৰ সুবিধা দিব নালাগে।

শ্ৰীৰতিকান্ত তেৰণে কয় যে বৰ্তমান সমন্বয়ৰ যি প্ৰচেষ্টা সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে লৈছে, সি ইতিমধ্যে বহু দেৰি হৈ গল। ভৈয়ামৰ জনজাতি সকলে অসমীয়া কিতাপ-পত্ৰ পঢ়ি আহিছে। বৰ্তমান মিছনেৰী সকলৰ দ্বাৰা পৰিকল্পিতভাৱে জনজাতি সকলক সা-সুবিধা দিয়াত ভৈয়ামে-পৰ্বতে সকলোতে জনজাতিৰ লোক সকলে সুবিধা গ্ৰহণ কৰিব পালে আৰু স্বাভাবিকতে মিছনেৰী সকলৰ প্ৰতি কৃতজ্ঞ হল। আনফালে ভৈয়ামৰ জনজাতি সকলে চৰকাৰৰ পৰা যি ধৰণৰ সা-সুবিধা পাব লাগিছিল তাৰপৰা বঞ্চিত হয় আৰু মিছনেৰী সকলৰ এই সুবিধা লোৱাত বৰ্তমান আমাৰ এই অৱস্থা হয়। ভাষা প্ৰচাৰৰ বাবে আমাৰ মানুহ আগতে সচেতন নাছিল, ইয়াৰ কাৰণ অৰ্থনৈতিক অৱস্থা। বৰ্তমান আমি ভাষা প্ৰচাৰ কৰিবলৈ উঠি পৰি লাগিছো, কাৰণ আমাৰ পৰিবহন ব্যৱস্থা যথেষ্ট উন্নত হোৱাত আমাৰ মাজলৈ সচেতনতা আহিছে। অসম সাহিত্য সভাৰ আজিৰ প্ৰস্তুতিৰ লগত সামঞ্জস্য ৰাখি আগ বাঢ়িলে আমাৰ মাজত সংহতি নিশ্চয় ৰক্ষা পৰিব। ভাষাৰ যাতে বহুল প্ৰচাৰ কৰিব পাৰি তাৰ বাবে অসম সাহিত্য সভাই বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে। চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেই নীতি পৰিবৰ্তন কৰিব লাগে আৰু সাহিত্য সভাই চৰকাৰক আঙুলিয়াই দিব লাগে। ভিতৰুৱা অঞ্চলসমূহত স্কুল পাতিবলৈ চৰকাৰক সাহিত্য সভাই হেঁচা দিব লাগে।

অধ্যাপক শ্ৰীপানেশ্বৰ বড়োৱে কয়, অসমৰ সংহতি ৰক্ষা কথাটো বৰ জটিল। কাৰণ অসমত যিটো নাই পৃথিৱীতো নাই। গতিকে এনে এটা জটিল কাম এখন আলোচনা-চক্ৰত শেষ কৰিব নোৱাৰি। ইয়াক কৰিবলৈ হলে আমাৰ সময় লাগিব বা বিভিন্ন সম্প্ৰদায় বা গোষ্ঠীৰ মাজত আলোচনা কৰিহে কৰিব লাগিব। আমি যদি এক গোষ্ঠী হলোহেঁতেন তেন্তে সংহতি ৰক্ষাৰ কাৰণে চিন্তা নাছিল। নাইবা ইয়াৰ সকলো লোক এক ধৰ্মাৱলম্বী হলেও আমাৰ সংহতি ৰক্ষাত অসুবিধা নহল হেঁতেন। মহাপুৰুষ শংকৰ দেৱৰ আদৰ্শত ধৰ্ম প্ৰচাৰৰ প্ৰচেষ্টা আমাৰ মাজত বৰ্তমান নাই। তৃতীয়তে, ভাষাৰ ফালৰ পৰাও এক ভাষা-ভাষীৰ মানুহ অসমত নাই। এই বিলাকৰ কাৰণে অসমৰ সংহতি ৰক্ষাটো এটা জটিল কাম হৈ পৰিছে।

বৰ্তমান আমাৰ মাজত নিস্বাৰ্থভাৱে কাম কৰি যাবলৈ কোনো অনুষ্ঠান নাই। এতিয়া আমি তেনে অনুষ্ঠানৰ ওপৰত গুৰুত্ব দিলেহে সংহতিৰ কিছু সমস্যাৰ সমাধান হব পাৰে।

ভাৰতবৰ্ষত ভাষাৰ মাজেৰে সংহতি ৰক্ষা কৰাত অসুবিধা হৈ পৰিল। মাধ্যমৰ ক্ষেত্ৰতো এই একে কথা।

সংহতি ৰক্ষাৰ বৰ্তমান উপায় হৈছে 'দিয়া আৰু গ্ৰহণ কৰা' নীতি। কিছুমান common factorsৰ যোগেদিহে আমি সংহতি ৰক্ষা কৰিব পাৰোঁ। বিশেষকৈ শিক্ষাৰ ব্যৱস্থাৰ যোগেদিহে আমি সংহতি ৰক্ষা কৰিব পাৰোঁ। বিভিন্ন

সম্প্ৰদায়ৰ ল'ৰা-ছোৱালী শিক্ষা অনুষ্ঠানবোৰত পৰস্পৰ সান্নিধ্যলৈ আহি পৰস্পৰৰ ভিতৰত জনাজানি হোৱাত সহায় কৰে আৰু তেনেবোৰ শিক্ষানুষ্ঠান গঢ়ি তোলাতহে আমি গুৰুত্ব দিব লাগে। কিন্তু চৰকাৰে বড়ো আৰু অসমীয়া ছাত্ৰ-ছাত্ৰীৰ শিক্ষানুষ্ঠানবোৰ পৃথক কৰাৰ চিন্তা কৰি সংহতি নষ্ট কৰিবলৈ বিচাৰে। সংহতিৰ ক্ষেত্ৰত মই চৰকাৰকেই দোষাৰোপ কৰিছোঁ। বড়ো আৰু অসমীয়া ভাষা পৰস্পৰে শিকিলে আমাৰ মাজত সংহতিৰ বীজ সিচা হয়।

শিক্ষাৰ যোগেদি, সমূহীয়া অনুষ্ঠানৰ যোগেদি আৰু সমূহীয়া শিক্ষাৰ মাধ্যমেৰেহে আমি সংহতি ৰক্ষা কৰিব পাৰিম। বিভিন্ন ভাষা-উপভাষালৈ অসমীয়া সাহিত্যৰ অনুবাদ হব লাগে, বিভিন্ন জন গোষ্ঠীৰ শব্দ গ্ৰহণ কৰিব লাগে আৰু আমাৰ বৌদ্ধিক দৰিদ্ৰতা দূৰ কৰিবলৈ চেষ্টা কৰিব লাগে বুলিও তেওঁ পৰামৰ্শ আগ বঢ়ায়।

অধ্যক্ষ শ্ৰীকণী ব্ৰহ্মই কয়, এই আলোচনা চক্ৰৰ উদ্দেশ্য অতি মহৎ আৰু ই নিশ্চয় সফল হব বুলি আমাৰ দৃঢ় মত। কাৰণ আজিৰ উপস্থিতিয়ে এই কথাৰ প্ৰমাণ কৰে।

অসমত বিভিন্ন ভাষা-ভাষী সম্প্ৰদায়ৰ লোক থাকিলেও অসম এক। ইয়াত ভাষা-সংস্কৃতিৰ ঠাল-ঠেঙুলি থাকিলেও ই মূলতঃ এক। ব্ৰহ্মপুত্ৰ মহানদী হল অসম আৰু ইয়াৰ উপনদীসমূহ হল অসমত থকা বিভিন্ন ভাষা-সংস্কৃতি। আমি এটা ভাষা-সংস্কৃতিৰেই বিভিন্ন ৰূপ। প্ৰশ্ন হৈছে, আমি আমাৰ সংহতি কেনেকৈ ৰক্ষা কৰিব পাৰোঁ? শিক্ষানুষ্ঠানৰ দ্বাৰাহে আমি আমাৰ সংহতি ৰক্ষা কৰিব পাৰোঁ। বড়ো শিক্ষানুষ্ঠানবোৰক অসমীয়া শিক্ষানুষ্ঠানৰ লগত পৃথক কৰা চিন্তাই আমাৰ সংহতি হানি কৰিব। বড়োসকলৰ ভাষাও অসমীয়া সকলে পঢ়িব লাগে। ইয়ে আমাৰ সংহতি ৰক্ষা কৰিব। দ্বিতীয়তে, অসম সাহিত্য সভাৰ অধিবেশনবোৰত আমি বুৰঞ্জী আৰু সাংস্কৃতিক সন্মেলনবোৰত অসমৰ বিভিন্ন সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে। জনজাতি লোকসকলৰ বুৰঞ্জী আৰু সংস্কৃতি সাহিত্য সভাই বিকাশ কৰাত গুৰুত্ব দিব লাগে।

এই সমন্বয় অকল অসম সাহিত্য সভাৰ দ্বাৰা সম্ভৱ নহয়। অসমৰ বিভিন্ন অনুষ্ঠানবোৰেও এই বিষয়ে চেষ্টা কৰিব লাগে।

বৰ্তমান অসমলৈ প্ৰব্ৰজনৰ যি সোঁত তাক বন্ধ নকৰিলে জনজাতিবোৰৰো অস্তিত্ব নেথাকিব, নাইবা অসমীয়াৰো অস্তিত্ব নেথাকিব। কাৰণ এই প্ৰব্ৰজনকাৰী-লোকসকলৰ সাংস্কৃতিক তথা ভাষিক প্ৰভাৱ পৰি আমাৰ নিজস্ব শেষ হৈ যাব। অকল অসমীয়া নহয় আমি জনজাতি বোৰও এই বিষয়ে সচেতন হব লাগে।

শ্ৰীমতী সাধী তেৰনপিয়ে কয়—এই আলোচনা চক্ৰ অসম সাহিত্য সভাৰ পৰা আয়োজন কৰা হৈছে। আগন্তুক কাৰ্য্যনিৰ্বাহকে এই চক্ৰৰ আলোচনাত গুৰুত্ব দি কাৰ্যক্ৰম কৰিব বুলি আমি আশা ৰাখিছোঁ। নতুবা অসম সাহিত্য সভাই এই বিষয়ে এটা বিশেষ স্থায়ী কমিটি গঠন কৰি আলোচনাবোৰৰ কাৰ্যক্ৰম কৰিব পাৰিব। ভিক্ষুত কাৰ্য্যনিৰ্বাহকে দিয়া প্ৰতিশ্ৰুতি কাৰ্য-কৰী নকৰাত শ্ৰীমতী তেৰনপিয়ে দুখ প্ৰকাশ কৰে।

শ্ৰীবাণেশ্বৰ বসুমতাৰীয়ে কয়—জনজাতীয়সকলৰ বিৰুদ্ধে অভিযোগ ৰাতৰি কাকত সমূহত আমাৰ অভাৱ অভিযোগবোৰ বিকৃতভাৱে ব্যাখ্যা দিয়া হৈছে। এইটো আমি ভাল পোৱা নাই ই ভুল কথা। আকাশ বাণীৰ প্ৰচাৰতো জনজাতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হোৱা নাই। চৰকাৰৰ প্ৰচাৰ বিভাগেও জনজাতীয় সংস্কৃতিৰ প্ৰচাৰ কৰা নাই। পাঠ্য পুথিত আমাৰ জীৱনী দিয়া নহয়। জনজাতীয় চৰিত্ৰ আমাৰ পাঠ্য পুথিত নাই। এইবোৰ হলেহে সংহতি হব পাৰিব।

ৰাজেন ৰাভাই কয়—জনজাতীয় গীত-মাত সংগ্ৰহ কৰিবলৈ সাহিত্য সভাই দায়িত্ব লব লাগে। খৃষ্ট ধৰ্মৰ প্ৰচাৰৰ ফলে আমাৰ শংকৰী ধৰ্মনেতা সকলে যদি আমাৰ মাজত ধৰ্মৰ মাজেদি সংস্কৃতিক জীপ দিব পাৰে, তেন্তে এতিয়াও আমাৰ সংহতি ৰক্ষা হব পাৰে। বড়ো, ৰাভা আদিৰ পুথিসমূহ অসমীয়ালৈ ভাঙনি কৰিব লাগে। সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকৰ আয়ু দীৰ্ঘ কৰিব লাগে। আৰু জনজাতীয়লোকক কাৰ্যনিবাহকৰ সদস্য কৰিব লাগে আৰু আগন্তুক অধিবেশনত জনজাতীয় লোকক অলংকৃত কৰিব লাগে। আৰু সংহতিৰ ক্ষেত্ৰত এটি সমিতি গঠন কৰিব লাগে।

সভাত উপস্থিত থাকি কাৰ্য নিৰ্বাহকৰ সদস্য শ্ৰীযতীন গোস্বামীয়ে কয় যে বিভিন্ন জনজাতিৰ অনুভূতি বিলাকক সন্মান প্ৰদৰ্শন কৰিব লাগে আৰু বৰ্ণ হিন্দুৰ আৰু জনজাতীয় লোকৰ মনত উচ্চাত্মিকা নাইবা নীচাত্মিকা ভাৱ থাকিব নালাগে আৰু তেওঁলোকৰ সাংস্কৃতিক জীৱনৰ সমলসমূহ উদ্ধাৰৰ ব্যৱস্থা কৰিব লাগে আৰু পৰস্পৰৰ এৰা ধৰা ব্যৱস্থা হলেহে ই সম্ভৱ হব পাৰে। সাহিত্য সভাই এই সমন্বয় কেন্দ্ৰ পতাৰ উদ্দেশ্যও সেয়ে।

অধ্যাপক ৰজনীকান্ত শৰ্মাই কয় যে অসমৰ বিভাজনে আমাৰ সকলোৰে অপকাৰহে আনিব। সেই উপলব্ধি কৰি অসম সাহিত্য সভাই এনে আলোচনা চক্ৰৰ আয়োজন কৰি মহৎ কাম কৰিছে। এনে আলোচনাৰ উদ্দেশ্য মাত্ৰ এখন সভাতে সাধন নকৰে। গতিকে এনে আলোচনা ঘনাই পাতিব লাগে।

ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই কয় যে বৰ্তমান আমাৰ সমাজখন ৰাজনৈতিক প্ৰভাৱৰ দ্বাৰা প্ৰভাবান্বিত, আৰু ইয়াৰ উৎস হৈছে বিভিন্ন জনগোষ্ঠী। বৰ্তমান এই বিভিন্ন জনগোষ্ঠীৰ মাজত সংহতি ৰক্ষা কৰিবলৈ হলে বিভিন্ন প্ৰতিনিধি সকলে দাঙি ধৰা আঁচনি সমূহ কাৰ্য্যকৰী কৰিব লাগে। আমাৰ বিভিন্ন জনগোষ্ঠী সমন্বয় অভিবৰ্তন এখন পাতিব লাগে, আৰু এইখন পিচপৰা জনগোষ্ঠী সকলৰ মধ্যৱৰ্তী স্থানত হব লাগে বুলি প্ৰতিনিধি কেবা গৰাকী দিয়া পৰামৰ্শৰ লগত মোৰো একমত। আমাৰ চৰকাৰ, বিশ্ববিদ্যালয়, অসম সাহিত্য সভা, সাহিত্য সাংস্কৃতিক ৰাজ্যিক সংহতি পৰিষদ, মাধ্যমিক শিক্ষা পৰিষদ, কামৰূপ অনুসন্ধান সমিতি আদিৰ সহযোগত এই অভিবৰ্তন হব লাগে। ৰাজনৈতিক, শিক্ষামূলক, মাধ্যম, ভাষা, সামাজিক, সাংস্কৃতিক ধৰ্ম-সম্প্ৰদায়, জন্ম-বিবাহ-মৰণ উৎসৱ-পৰব, গীত-মাত, লোক-সংস্কৃতিমূলক আদি জনগণৰ সমস্যাবোৰ সমন্বয় আঁচনিৰ ভিতৰুৱা। প্ৰসঙ্গক্ৰমে তেওঁ অসমত মিচনেৰী-বঙলা প্ৰভাব, বড়ো সাহিত্য সভা, কাৰ্বি আদৰবাৰ, পাহাৰ ভৈয়ামৰ লোক উৎসৱ, নগা শান্তি মিছন, অসমৰ পাঠ্য পুথি আদিৰ উল্লেখ কৰে। বৰ্তমান আঁচনি সম্পৰ্কে তলৰ পৰামৰ্শ আগ বঢ়ায়—

১) অভিবৰ্তন, আলোচনা সভা, চেমিনাৰ

২) সহ-অৱস্থান, বিচিত্ৰ পাঠ্য, বেশভূষা, সমূহীয়া ছাত্ৰাবাস, ভোজন প্ৰভৃতি

৩) দ্বিভাষী সাহিত্য পাঠ, সংস্কৃতি, সামাজিক দিবস উৎসৱ পৰব,

৪) সংস্কৃত শব্দৰ কম প্ৰয়োগ, থলুৱা শব্দৰ বেছি প্ৰয়োগ।

দুয়োদিনতে উপস্থিত সদস্যসকলে সুদীৰ্ঘ ৫।৬ ঘণ্টা ধৰি বহুমূলীয়া আলোচনা আৰু সেই অনুক্ৰমে পৰামৰ্শ আগবঢ়োৱা বাবে সভাপতিয়ে সাহিত্য সভাৰ তৰফৰ পৰা আৰু ব্যক্তিগত হিচাপেও সকলোকে আন্তৰিক কৃতজ্ঞতা জনায়। এই আলোচনা সভা পৰীক্ষামূলক ভাবেহে পাতি বিভিন্ন গোষ্ঠী আৰু অনুষ্ঠানৰ পৰা কম সংখ্যক মাত্ৰ ৩০।৩৫ জনমান লোককহে আহ্বান কৰা হৈছিল। কিন্তু এই দুদিনৰ চিন্তামূলক আলোচনা আৰু পৰামৰ্শ দেখি আমাৰ অন্তৰলৈ দৃঢ় বিশ্বাস আহিছে যে মাজে সময়ে এইদৰে আলোচনা সভা বিভিন্ন স্থানত পাতি লোকৰ মাজৰ পৰা ভুল বুজাবুজি আঁতৰাব পাৰিলে আকৌ আমাৰ মাজলৈ সম্প্ৰীতি আহিব—আনকি যি সকল ৰাজনৈতিক হিচাপে আমাৰ পৰা আঁতৰি গৈছে সেই অৰুণাচল, মেঘালয় আদি ঠাইৰ লোকৰ মাজতো সাংস্কৃতিক আৰু সামাজিক সমন্বয় কৰিব পৰা হব। অকল সভা-সমিতি পাতি থাকিলেই নহব। বিভিন্ন স্থানত প্ৰচাৰ আৰু সংগঠন চলাই থাকিব লাগিব।

ই দীৰ্ঘম্যাদি কথা, পৰিকল্পনাৰ কথা, ত্যাগ—সাধনাৰ কথা—জনগণৰ অন্তৰত জাতীয় চৈতন্যবোধৰ কথা।

এই দৃষ্টিভঙ্গিৰে সাহিত্য সভাই প্ৰচাৰ, সংগঠন আৰু সমন্বয় কেন্দ্ৰ স্থাপনৰ আঁচনি লৈছে। প্ৰচাৰ সংগঠনৰ কাৰণে ৰাজ্যৰ আৰু অৰুণাচলৰ বিভিন্ন স্থানত ঘূৰি জনগণৰ লগত ঘনিষ্ঠ সম্বন্ধ স্থাপনৰ চেষ্টা কৰা হৈছে আৰু সমন্বয় কেন্দ্ৰৰ এই প্ৰথম বৈঠকত ৰাজ্যৰ যথাসম্ভৱ বিভিন্ন ভাষিক আৰু সাংস্কৃতিক অনুষ্ঠান আৰু বিভিন্ন গোষ্ঠীৰ লোকক আহ্বান কৰি এই আলোচনা সভা পতা হৈছে। ইয়াৰ সুফল হব বুলিয়ে আমাৰ দৃঢ় বিশ্বাস। সৃষ্টিৰ আঁচনিও কিছু কোৱা হৈছে—আৰু ইতিমধ্যে জাতিৰ ইতিবৃত্তৰ প্ৰথম খণ্ডৰ (দ্বাদশ শতিকালৈ) লিখা কাম বিশেষজ্ঞ সকলে শেষ কৰিছে। বিভিন্ন জনগোষ্ঠীৰ পৰিচয়মূলক গ্ৰন্থৰ ভিতৰত বাভা জাতিৰ পৰিচয়, ডিমাচা জাতিৰ পৰিচয়, বড়ো জাতিৰ পৰিচয়, মিচিং জাতিৰ পৰিচয়, কাৰ্বি জাতিৰ পৰিচয় আৰু চাহ মজদুৰৰ পৰিচয়মূলক এলানি কিতাপৰ লিখা কাম প্ৰায় শেষ হৈছে। অনুবাদ সাহিত্যৰ ভিতৰতো ইংৰাজী, হিন্দী আৰু সংস্কৃতিৰ পৰা অনুবাদ কৰা ৩।৪ খন কিতাপ শেষ হৈছে, অসমীয়াৰ পৰা হিন্দীলৈকো অনুবাদ কৰা হৈছে। দাৰ্শনিকৰ জীৱন আৰু তেওঁৰ দৰ্শন বিষয়ক এলানি কিতাপৰ ৩।৪ খন প্ৰস্তুত হৈছে। আৰু আলোচনাৰ পৰিচয়মূলক এলানি সৰু সৰু কিতাপৰ ভিতৰতো ৩।৪ খন সম্পূৰ্ণ হৈছে। আপোনালোকে শুনি আনন্দ পাব যে এই সকলৰ ছপা খৰচৰ কাৰণে একো একোখন কিতাপৰ সম্পূৰ্ণ খৰচ (লেখকৰ মানধন, কাগজ, ছপা সকলোকে ধৰি) দান কৰিবলৈও ইতিমধ্যে ৮।১০ জন দাতা পোৱা হৈছে। ইয়াৰ ভিতৰত ৩।৪ টা শাখা সভাৰ যোগেৰে সেই সেই অঞ্চলৰ দানো আছে। হঠাতে কাগজৰ মহাৰ্ঘ হোৱাৰ কাৰণে অলপ বিলম্ব হৈছে যদিও আশা-কৰোঁ অতি সোনকালে এই কিতাপখিনি ছপোৱাৰ ব্যৱস্থা কৰিব পৰা হব।

সভাপতিয়ে কয় যে বেছি কথা কৈ আপোনালোকক বিৰক্ত কৰিব খোজা নাই। মুঠতে সকলোপিনৰ পৰা সহায়-সহযোগ পোৱা দেখি আমাৰ মনলৈ এটি—আশাৰ ৰেঙণি আহিছে। হয়তো অদূৰ ভৱিষ্যতত আমাৰ মাজৰ পৰা সমস্ত বিভিন্নতা আঁতৰি এই পূৰ্ব-প্ৰান্তত এটি বলিষ্ঠ জাতি আৰু মহীয়সী সংস্কৃতিৰ সৃষ্টি নিশ্চয় হব, আমি আৰু অৱহেলিত হৈ থাকিব নালাগিব। আকৌ আপোনালোক সকলোটিকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সমন্বয় কেন্দ্ৰৰ সদস্য অধ্যাপক প্ৰসন্ন ৰাম দাসে উপস্থিত সকলোলৈকে শলাগৰ শৰাই আগ বঢ়োৱাৰ লগতে এই সমন্বয় কেন্দ্ৰৰ আৱশ্যকতা, ই কেনেকৈ আমাৰ মাজলৈ সৌহাৰ্দ্যৰ ভাব আনিব পাৰিব, সংহতি আনিব পাৰিব আৰু ৰাজ্যখনৰ মঙ্গল সাধন হব—আদি বিষয়েও ভুযাৰ কোৱাৰ পিছতে আলোচনা সভাৰ সামৰণি পৰে। বিভিন্ন জনগোষ্ঠীৰ পৰা অসম সাহিত্য সভাৰ সমন্বয় কেন্দ্ৰ বিভাগত লবলৈ এই আলোচনা সভাই ৭ জন সদস্যৰ নাম প্ৰস্তাব কৰে আৰু সন্মতি দিবলৈ কাৰ্যনিৰ্বাহকক অনুৰোধ জনায়।



# এৰাবোটলা যৎকিঞ্চিৎ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

## লেখক শিবিৰ

যোৱা বহুদিনৰ বন্ধত অসম সাহিত্য সভাই এক উছৱ মুখৰ সাহিত্যিক পৰিবেশৰ মাজত গুৱাহাটীত এক লেখক শিবিৰ অনুষ্ঠিত কৰি এটা ভাল কাম কৰিলে বুলি নিসঙ্কোচে কব পাৰি। এই লেখক শিবিৰ কুৰুক্ষেত্ৰৰ যুদ্ধৰ ৰণং দেহি মনোভাবেৰে মুখামুখিকৈ স্থাপন কৰা কৌৰৱ শিবিৰ বা পাণ্ডৱ শিবিৰ নহয়—ই আছিল বীনাপাণিৰ সাধক সকলৰ আলোচনা গৱেষণাৰ শিবিৰ। ইয়াত সক্ৰিয় ভাগ লবলৈ অসম আহিত্য সভাই ছকুৰিমান তৰুণ ডেকা সাহিত্যিকক আমন্ত্ৰণ কৰি আনিছিল। তেওঁলোকে জনজাতীয় সাহিত্য-সংস্কৃতি, নতুন ধৰণৰ অসমীয়া কবিতা, উপন্যাস, চুটিগল্প, নাটক আৰু আলোচনা---সাহিত্য সম্পৰ্কে তেওঁলোকক যোগান ধৰা প্ৰশ্নাৱলীৰ আধাৰত খুতিনাতি মাৰি নিজৰ বক্তব্য আৰু স্বকীয় সাহিত্যিক জীৱনৰ ইতিবৃত্তও দাঙি ধৰিছিল। সমস্তৰা সকলেও নিষ্ক্ৰীয় দৰ্শক হৈ বহি নেথাকি তেওঁলোকক বিষয়টো সম্পৰ্কীয় নানা প্ৰশ্নবাণেৰে থকাসৰকা কৰিছিল। এই আলোচনা-বিলোচনাৰ সঞ্চালন কৰিছিল ডঃ শ্ৰীমহেশ্বৰ নেওগ দেৱে নিজ পাণ্ডিত্য আৰু অসীম ধৈৰ্য্য সহকাৰে। এই শিবিৰৰ আলোচনা-বিলোচনাবোৰ থুপাই পুথি আকাৰত প্ৰকাশ কৰা হব বুলি জানি আমি আনন্দ পাইছোঁ, নহলে 'ললো নাম, গ'ল বতাহত উৰি'ৰ নিচিনা হ'লহেঁতেন।

যোৱা মাৰ্চ্চ মাহত এই নিচিনা এখন অনুবাদ শিবিৰ প্ৰকাশন পৰিষদৰ উদ্যোগত এই গুৱাহাটী নগৰতে অনুষ্ঠিত হৈছিল। তাৰ লগতে প্ৰকাশন পৰিষদে 'নেচনেল বুক ট্ৰাষ্ট'ৰ সহযোগত এখন আটকধুনীয়া গ্ৰন্থ মেলাৰো আয়োজন কৰাৰ বাবে সেই উছৱত লোকসংগ্ৰহ হৈছিল বিপুল ভাবে। তাত দীঘলীয়াকৈ আলোচনা-বিলোচনা কৰিবৰ উদ্দেশ্যে কেৱল সাহিত্যৰ অনুবাদৰ বিভাগটোহে সামৰি লোৱা হৈছিল। সাহিত্য সভাৰ লেখক শিবিৰত সাহিত্যৰ কেইবাটাও বিভাগ আলোচনাৰ বাবে জপটিয়াই লোৱাত আৰু প্ৰতিটো বিভাগৰ বাবে এটা মাথোন দিন ধাৰ্য্য কৰাৰ বাবে কিছু খৰখেদা কৰিব লগীয়া হ'ল। জনচেৰেক আমন্ত্ৰণ পাবলগীয়া লিখকো বাদ পৰিল। মই ভাবোঁ আগলৈ এনে শিবিৰত ভুকুতে কলটো পকাবলৈ চেষ্টা নকৰি বিভিন্ন বিভাগৰ বাবে স্থান কৰি দি বিষয়টো খৰচি মাৰি আলোচনা কৰিবলৈ প্ৰতিটো বিষয়ৰ বাবে কমেও ৩।৪ দিন লব লাগে। তেতিয়া হলে অধিক সুফল আশা কৰিব পাৰি। সাহিত্য সভাৰ গুৰি ধৰোঁতাসকলে এই কথাটোলৈ টং কৰি চায় যেন।

অসম সাহিত্য সভাৰ মূল বছৰেকীয়া অধিবেশনৰ সময়ত প্ৰকৃত পক্ষে সাহিত্যিকসকলৰ ভেটাভেটি নহয় বুলিয়েই কব পাৰি। যি সকল সাহিত্যিক প্ৰতিনিধি

হৈ তাতৈ যায় অৰ্জুনৰ লক্ষ্য চৰাইৰ চকুটোত থকাৰ দৰে তেওঁসকলৰ দৃষ্টি থাকে নতুন নিৰ্বাচন, খোৱা-বোৱা আৰু সাংস্কৃতিক মৌ-মেলৰ জকমকীয়া ফালটোৰ প্ৰতিহে। সেই সময়ত সাহিত্য গৌণ ভাবেহে থাকে। সেই কাৰণে ভালেমান কবি সাহিত্যিকে অসম সাহিত্য সভাৰ পৰা আঁতৰি আলেঙে আলেঙে থকা দেখা যায়। লেখক শিবিৰত তেনে সাহিত্যিকৰ লগতো যোগসূত্ৰ স্থাপন কৰিব পাৰি।

এই শিবিৰৰ আৰু এটা বিশেষত্ব দেখি আমি বিশেষ ভাবে আনন্দিত হৈছোঁ—সেই বিশেষত্ব হৈছে অসমৰ বিভিন্ন জনজাতি-গোষ্ঠীৰ ভাষা-সংস্কৃতিৰ নেতৃস্থানীয় লোকসকলৰ সমাবেশ। এই সকলক আমি প্ৰায়েই দূৰৰ পৰাহে দেখা পাওঁ, তেওঁলোকৰ অন্তৰৰ কথা শুদ্ধভাবে আমাৰ কাণত নপৰে। সুখৰ বিষয় লেখক শিবিৰৰ প্ৰথম দিনটোকে জনজাতীয় সকলৰ আলোচনাৰ বাবে আচুতীয়াকৈ ৰখা হৈছিল। বৰো, ৰাভা, ডিমাচা, মিচিং আদি জন গোষ্ঠীৰ প্ৰতিজন নেতাই অন্তৰ খুলি কৈছিল যে তেওঁলোকে অসমৰ পৰা বিচ্ছিন্ন হৈ সুকীয়া ৰাজ্য নিবিচাৰে, বৃহত্তৰ অসমীয়া ভাষাৰ পৰাও ফালৰি কাটি আঁতৰি যাব নোখোজে। বিচাৰে মাথোন নিজ নিজ ভাষা সংস্কৃতিৰ বিকাশ আৰু উন্নয়ন। এই সম্পৰ্কত তেওঁলোকে আশা কৰে অসম সাহিত্য সভা আৰু অসমৰ ……………সহযোগিতা। তেওঁলোকৰ কথাত আমাৰ আপত্তিৰ থল নাই বৰং দৃঢ় সমৰ্থনহে আছে।

পৰিতাপৰ বিষয়, ৰাজনীতিৰ পাকচক্ৰত পৰি আমাৰ পৰম্পৰৰ মাজত থকা সাতামপুৰুষীয়া সম্বন্ধৰ এনাজৰীডাল আজি সোলোক ঢোলোক হৈ পৰিছে। জনজাতিসকল প্ৰকৃতপক্ষে বিৰাট অসমীয়া জাতিৰ কুটুমটো। তেওঁলোকৰ প্ৰতিজনৰে সিৰে সিৰে একেজনা অসম মাতৃৰে তেজৰ সোঁত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈ আছে। নষ্ট স্বাৰ্থৰ কবলত পৰি আজি আমি ৰক্তে বিভেদৰ মন্ত্ৰ জপি হাতৰ কুঠাৰ ভৰিত মাৰিবলৈ উপক্ৰম কৰিছোঁহক। আমি আজি পাহৰি গৈছোঁ যে তেজ ধুলে উটে, মঙহ ধুলে ফুটে। মই অন্তৰৰ পৰা আশা কৰোঁ, এই নিচিনা সম্প্ৰীতিৰ শিবিৰত, অসম সাহিত্য সভাৰ আহল-বহল মুকলি পূজা মণ্ডপত বুজাবুজিৰ মাজেদি এৰা-ধৰাৰ মাজেদি আলোচনা-বিলোচনাৰ মাজেদি আমাৰ মাজত সংক্ৰামিত হোৱা বিভেদৰ বীজাণুবোৰ যেন সমূলঞ্চে ধ্বংস হৈ যায়। মই আৰু কব খোজোঁ যে, এনে লেখক শিবিৰ অসম সাহিত্য সভাই আগলৈকো আয়োজন কৰিব লাগে—অসমৰ বিভিন্ন স্থানত যাইকৈ ডিফু, কোকৰাঝাৰ, ওদালগুৰি, মাজুলী, ঘাড়মৰা আদিৰ নিচিনা জনজাতিৰ ঘনবসতিপূৰ্ণ স্থানত। জনজাতি সকল আমাৰ কাষলৈ চাপি অহাটো আমি যেনেকৈ বিচাৰোঁ, আমিও তেনেকৈ তেওঁলোকৰ ওচৰলৈ চাপি যাব লাগে।

এতিয়া ঠোৰতে কওঁ এই লেখক শিবিৰ অসম সাহিত্য সভাৰ সুদীৰ্ঘ জীৱনত এক বলিষ্ঠ পদক্ষেপ আৰু নতুন অভিলেখ।

# সাহিত্য সভালৈ গুটিদিয়েক পৰামৰ্শ

মঙ্গলদৈত দ্বিতীয়বাৰ অনুষ্ঠিত হবলগীয়া অসম সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনৰ দিন পালেহিয়েই। সেই কাৰণে এই খিনিতে দুআষাৰ বতৰৰ কথা কওঁ—মানিলে ধান,নামানিলে। নতুন কথা অৱশ্যে বিশেষ নাই। লেখক শিবিৰৰ আৰম্ভণি উছৱত পাঠকৰা সভাপতিৰ চমু ভাষণৰ অংশ বিশেষকে দোহাৰিছোঁ।

প্ৰথম কথা : অসম সাহিত্য সভাৰ সভাপতি সম্পাদক প্ৰমুখ্যে এখন কাৰ্য্যপালিকাৰ বয়স নিতান্ত প্ৰয়োজন। মাজৰ কালছোৱাত বিৰাট মেলাৰ দৰে বছৰেকীয়া অধিবেশন নেপাতি বিভিন্ন স্থানত কমেও তিনি চাৰিখন মান লেখক শিবিৰ, গ্ৰন্থ মেলাৰ নিচিনা অনুষ্ঠানৰ আয়োজন কৰি আপেক্ষিকভাবে কম মানুহ আৰু কম



খৰছতে সাহিত্যিক পৰিবেশ সৃষ্টি কৰিব পৰা যায়। তালদৰে পাটত উঠি গজগজীয়া হৈ বহিবলৈ নৌ পাওঁতেই পিছৰ বছৰৰ সভাপতিজন নিৰ্বাচিত হয়। তাৰ লগে লগে বিষয়বাবত থকাসকলৰ মনো সেমেকি যায়। এটা বছৰত কাৰো দ্বাৰা ভাল কাম হ'ব বুলি আশা কৰিব নোৱাৰি। সেয়েহে থৰটকীয়া ব্যৱস্থাৰে সভাৰ সংবিধান সলনি কৰি কাৰ্য্যপালিকাৰ কাৰ্য্যকাল বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে। এতিয়াৰ দৰে প্ৰতি বছৰে একোখন ব্যয়বহুল অধিবেশন পাতিলে একোখন মহা-মেলা হোৱাৰ বাহিৰে তাৰ পৰা ভাল ফল কি আশা কৰিব পাৰি? যি ঠাইত সভা অনুষ্ঠিত হয় থৰচৰ মেটমৰা বোজা কঢ়িয়াবলগীয়া হোৱাৰ বাবে সেই ঠাইৰ কেঁকাল পৰে আৰু অধিবেশনৰ অন্তত মৰটোপনিয়ে হেঁচা মাৰি ধৰে। বৰপেটা, মাকুম, বজিয়া আদি ঠাইত বিগত অধিবেশনবোৰৰ কিবা স্থায়ী সুফল হ'ল বুলি আমাৰ দেখোন মনে নধৰে। যুঠতে অধিবেশনবোৰ পাতলীয়াকৈ হ'ব লাগে, সুফলপ্ৰদায়িনী হ'ব লাগে আৰু যি ঠাইত সভা অনুষ্ঠিত হয়, পিছে-পৰেও সেই ঠাই জাগ্ৰত হৈ থাকিব লাগে।

দ্বিতীয় কথা : অসম সাহিত্য সভাৰ সংগঠন শক্তি অধিক ফলপ্ৰসূ হ'ব লাগে। এইখিনিতে উল্লেখ কৰিব পৰা যায় যে বৰ্তমানে অসম সাহিত্য সভাৰ কলেৱৰ বাঢ়িছে, শাখাসভা বাঢ়িছে, সদস্য বাঢ়িছে, ধনৰ পুঁজি বাঢ়িছে, এই সভালৈ দেশৰ মানুহৰ অনুৰাগ বাঢ়িছে। ৰাজ্যিক চৰ্কাৰো আগতকৈ বেছি সহানুভূতিশীল হৈছে। কিন্তু সেই অনুপাতে সভাৰ কৰ্তব্যৰ পৰিসৰ আৰু দায়িত্বও অনেকগুণে বৃদ্ধি হৈছে। কুৰি-পচিছ বছৰ-মানৰ পূৰ্বে এই সভাপতি সাহিত্য সভাৰ সম্পাদক হৈ থকা কালছোৱাত চৰ্কাৰী অনুদান আছিল ছহেজাৰ টকা, আন উপাৰ্জনো আছিল সীমিত। শাখা সভাও আছিল তিনিকুৰি চাৰিকুৰিখন মানহে। বৰ্তমানে সভাৰ চৰ্কাৰী অনুদান লাখ টকাৰ ওচৰ চাপিছে, আন উপাৰ্জনো বাঢ়িছে, শাখা সভায়ো চাৰিশ পাঁচশ হৈছে কিজানি। এনেস্থলত তেতিয়াৰ অৱস্থাৰ লগত এতিয়াৰ অৱস্থাৰ ৰিজনি নহয়। তেতিয়াৰ দায়িত্বতকৈ আজিৰ দায়িত্ব বহু পৰিমাণে গধুৰ হৈছে। ইফালে আকৌ সেই সময়ত দেশৰ আৰ্থিক অৱস্থাও আজিৰ দৰে শোচনীয় নাছিল। সেই সময়ৰ মানুহে বিনামূলীয়া শ্ৰমদান কৰিবলৈ টান পোৱা নাছিল। আজি কিন্তু সেই ৰামো নাই, অযোধ্যাও নাই। দৃশ্যপটৰ আমূল পৰিবৰ্তন হৈছে। এইটো ত্যাগৰ যুগ নহয়, ভোগৰ যুগ, ধন ঘটাৰ যুগ। আজিৰ সাহিত্যিকে শ্ৰমদান কৰিলে ৰানচ পায়। আজিৰ শিল্পী-সাহিত্যিকক অনাতাৰ কেন্দ্ৰ, প্ৰকাশন-পৰিষদ, বিশ্ববিদ্যালয়, সংস্কৃতি বিভাগ আদি একাধিক অনুষ্ঠানে ধন ঘটিবলৈ সুযোগ দিছে। সেই কাৰণেই হ'বলা আজি বহুতক সাহিত্য সভাৰ অনাহাৰী কামত যোগ দিবলৈ আগবাঢ়ি অহা দেখা পোৱা নাযায়। যুগধৰ্ম ৰক্ষা কৰি অসম সাহিত্য সভায়ো পৰ্য্যাপ্ত পৰিমাণে নহলেও বিষয়ববীয়াসকললৈ, প্ৰবন্ধকাৰ সকললৈ মাননি আগবঢ়াব লাগে। সভাৰ কাম নিয়াৰিকৈ চলি থাকিবলৈ হ'লে এজন উচ্চ অৰ্হতা-সম্পন্ন সচিবৰ আৱশ্যক বুলি আমি অনুভৱ কৰোঁ। কিয়নো সভাৰ কামৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ আৰু কাৰ্য্যালয়ৰ বিভিন্ন বিভাগ পৰিচালনা কৰিবলৈ এনে বেতনভোগী বিষয়াৰ আৱশ্যক। সভাপতি-সম্পাদক বছৰি আহে, বছৰি যায় আৰু কাৰ্যকাল শেষ হৈ গ'লে সভাৰ লগত তেওঁলোকৰ সম্পৰ্কৰ যোগসূত্ৰ নাইকিয়া হৈ যায়। সচিবজনে এই যোগসূত্ৰ ধৰি ৰাখিব পাৰে।

তৃতীয় কথা : এইবাৰ এটা দুটা বিষয়ে আপোনা-সৱৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। দুখেৰে কওঁ, অসমীয়া সাহিত্যৰ বৰ্তমান যুগটো উন্নতিৰ যুগ বুলি কৈ গৌৰৱ কৰিবৰ থল আছে সঁচা, কিন্তু লগতে এই কথাও স্বীকাৰ কৰিব লাগিব যে উন্নতিৰ সমান্তৰালভাৱে সম্প্ৰতি এটা অৰাজকতাৰ যুগো চলিব লাগিছে। কেৱল সাহিত্যতে নহয়। সামগ্ৰিকভাৱে বৰ্তমান যুগটোকে অৰাজকতাৰ যুগ, গুৰু গোঁসাই নমনাৰ যুগ বুলি

আখ্যা দিব পাৰি। গণতন্ত্ৰৰ দোহাই দি সকলো ক্ষেত্ৰতে আমি দেওপাৰি নাচিছোঁ। আজিৰ দিনত যোগ্যতাৰ প্ৰশ্ন নাই। দল থাকিলে বল বাঢ়ে, ভোট পালেই মোট সলাব পাৰি। অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো এই অৰাজকতাৰ দৌৰাত্ম্য বাঢ়ি অহাটো সকলোৰে পক্ষে চিন্তাৰ বিষয় হৈ পৰিছে। অসমীয়া ভাষা-সাহিত্যৰ ৰবনাওখন আজি গুৰিয়াল নোহোৱা নাৱৰ দৰে টলংভটং কৰি চলিব লাগিছে। ব্যাকৰণ অভিধানৰ অনুশাসন আজি কোনেও নেমানে—যাৰ যি ইচ্ছা হাত দাঙি দাঙি নাচা। বৰ্তমান আমাৰ সাহিত্যৰ যিসকল কৰ্ণধাৰ সেই সকলেও ইজনে সিজনৰ কথাত বা মতত হয়ভৰ দিবলৈ টান পায়। ফুকনীয়া সাহিত্যিক একোজনেও হেম বৰুৱা, বেজবৰুৱা, বাণীকান্তৰ সিদ্ধান্তও টিলিকি মাৰি উৰাই দিব খোজে। আজিৰ দিনত এখন কাকতৰ সম্পাদক হ'বলৈ বিদ্যাবুদ্ধি নেলাগে, সাহিত্যিক অৰ্হতাও অনাৱশ্যক যদিহে গুৰিত এটা দল আৰু হাতত এটা ধনৰ মোনা থাকে। উদাহৰণ লাগে যদি নাম কৰা ভাল কিতাপ এখনৰ পাত লুটিয়াই চাওক, বহুল প্ৰচাৰিত এখন বাতৰিকাকত বা আলোচনীৰ পাত মেলি পঢ়ক এখন সদ্য প্ৰকাশিত বোলছবি চাওক, আকাশবাণীৰ অনুষ্ঠান উপভোগ কৰক, সুধী,সভাসদৰ বক্তৃতা-কথিকা শ্ৰৱণ কৰক সকলোতে কম-বেছি পৰিমাণে অশুদ্ধ আখৰজোঁটনি, ভুল শব্দ প্ৰয়োগ, বিকৃত উচ্চাৰণ আৰু অহৈতুকভাৱে আমদানি কৰা বিজতৰীয়া শব্দবোৰ দেখি শুনি আপোনাৰ চকু কাণ টিঙিঙাই যাব। এনেবোৰ ভুল-ভ্ৰান্তি বিতংভাৱে বৰ্ণলিয়াই নগৰত জগৰ লগাব নোখোজোঁ। ইয়াৰ ব্যতিক্ৰম অৱশ্যে আছে। তথাপি এই খেলিমেলিবোৰ এনেভাৱে চলি থকাটো ভাল কথা নে? নিশ্চয় নহয়। তেন্তে উপায় কি? উপায় নিশ্চয় আছে। কেৱল কথাৰ মহলা আৰু আলোচনীৰ চক্ৰবান মাৰি, ইজনে সিজনৰ গাত দোষ ঠেলি নিদি সময় আৰু শক্তিৰ অপচয় নকৰি, অসম সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ, বহুলভাৱে প্ৰচাৰিত বাতৰিকাকত আৰু আমাৰ বিশ্ববিদ্যালয় দুখনে নিজৰ ভিতৰতে সমন্বয় সাধন কৰি একযোগে চেষ্টা কৰিলে উপায় নিশ্চয় ওলাব, সাহিত্যত অৰাজকতা বহুগুণে কমিব। সেয়েই অচিৰতে হ'ব বুলি আশা কৰিছোঁ। সাহিত্য সভাই আগভাগ লৈ মেকুৰীৰ ডিঙিত টিলিঙা পিন্ধাব লাগে।

আৰু এটা বিষয়ৰ প্ৰতি আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰি মেলানি মাগিম। বিষয়টো হৈছে, চৰ্কাৰী অনুদান। আমি সাহিত্য সভাৰ সম্পাদক থকা কালত 'অসমৰ মুখ্যমন্ত্ৰী আছিল শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী আছিল শ্ৰীঅমিয়কুমাৰ দাস ডাঙৰীয়া। অপ্ৰিয় সত্য হলেও কব লাগিব, সাহিত্য-সংস্কৃতিৰ প্ৰতি দুয়োজনৰ হাতৰ মুঠি বৰ টান আছিল। সেয়ে নোহোৱা হ'লে সেই সময়ত আৰু বহুত ভাল কাম কৰিব পৰা গলহেঁতেন। সুখৰ বিষয় বৰ্তমান মুখ্যমন্ত্ৰী শ্ৰীসিংহ ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী শ্ৰীতালুকদাৰ ডাঙৰীয়া দুয়োজনৰ হাতৰ মুঠি পূৰ্ববৰ্তীসকলতকৈ ঢিলা। ইয়াৰ ফলত সাহিত্য সভাই আশাৰ ৰেঙনি দেখা পাইছে। সেয়েহে এই লেখক শিবিৰৰ নিচিনা ব্যয়বহুল কামো হাতত লবলৈ সমৰ্থ হৈছে।

সিদিনা অনাতাঁৰ বাতৰিযোগে জানিব পাৰিছিলো যে, কেন্দ্ৰীয় চৰ্কাৰে পঞ্চম পৰিকল্পনাত হিন্দী ভাষা সাহিত্যৰ উন্নয়নৰ বাবে কুৰিকোটি টকা ধাৰ্য্য কৰিছে। ইয়াৰ আগতেও হিন্দী ভাষাৰ বাবে বহুকোটি টকা খৰচ কৰা হৈছে। হিন্দী ভাষাই ৰাজভাষাৰ স্বীকৃতি লভিছে। সেই কাৰণে ৰাজভাষাৰ বাবে কেন্দ্ৰীয় ৰাজকোষৰ পুৰা মুকলি হাতেৰে ধন খৰচ কৰাত আমাৰ অলপো আপত্তিৰ থল নাই। ৰাজৰাণীয়ে সিংহ-বাঘ পালেও আমাৰ নিশ্চয় চকু নোপোৰে। পিছে সংবিধানে স্বীকৃতি দিয়া আনকেইটা ভাষা আৰু বিশেষকৈ অসমীয়াৰ নিচিনা ধনবলত নিশকতীয়া ভাষাৰ বাবে পঞ্চম পৰিকল্পনাত কিমান ধন

( ৪৬ পৃষ্ঠাত চাওক )




## ॥ ১. পৰমপদ ॥

লেখক : শ্ৰীপদ্মকান্ত দেৱমিশ্ৰ গোস্বামী : প্ৰকাশক : নাম নাই ; প্ৰথম তাঙৰণ, ১৯৭২ চন ; বেচ : উল্লেখ নাই।

বৰজহা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীপদ্মকান্ত দেৱমিশ্ৰ গোস্বামীয়ে "পৰমপদ" নামৰ আলোচ্য গ্ৰন্থখনি ৰচনা কৰিছে। গ্ৰন্থকাৰে কৈছে উক্ত গ্ৰন্থখনি হৰি মন্দিৰত থাপন কৰিবৰ অৰ্থে উপযুক্ত। বৈষ্ণৱ সত্ৰৰ মনিকূটত সাধাৰণতে গুৰু দুজনাৰ ৰচিত দশম, কীৰ্ত্তন ঘোষা আৰু ৰত্নাৱলী গ্ৰন্থ থাপনা কৰাৰ নিয়ম পৰম্পৰাগতভাৱে চলি আহিছে। গ্ৰন্থখনিত গায়ত্ৰী মন্ত্ৰৰ বিচাৰ-বিশ্লেষণ, ঈশ্বৰৰ স্বৰূপ, অস্তিত্ব, নৈতিক জীৱন, জীৱনৰ ক্ষণস্থায়িত্ব, মানৱ জীৱনৰ কৰ্তব্য আৰু দুৰ্মূল্য, ঈশ্বৰৰ লগত একীভূত হোৱাৰ উপায়, প্ৰাণায়াম আদি সম্পৰ্কে উল্লেখ কৰা হৈছে। বিভিন্ন উক্তিৰ সহায়ত এই কথা সমূহ ধৰ্ম আৰু দৰ্শন সম্মত বুলি সিদ্ধান্ত কৰিবলৈ প্ৰয়াস কৰা হৈছে; কিন্তু কোনোটো কথাকে বিস্তৃত আৰু সহজ-সৰল ভাৱে আলোচনা নকৰাৰ ফলত লেখকৰ উদ্দেশ্য ফলৱতী হোৱাৰ আশা ক্ষীণ। পৰিপাটি আৰু শৃঙ্খলা লগাই আলোচনা কৰা হলে গ্ৰন্থত উল্লেখিত বিষয় সমূহে পাঠকৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰিলেহেঁতেন। গ্ৰন্থত উল্লেখ কৰা শ্লোকসমূহৰ লগে লগে মূল গ্ৰন্থৰ উল্লেখ কৰা হলে গ্ৰন্থখনিৰ গৌৰৱ আৰু মহিমা বঢ়োৱাৰ উপৰিও জ্ঞান-পিপাসু লোকসকলক মূল গ্ৰন্থ অধ্যয়নত উৎসাহিত কৰিলেহেঁতেন বুলি ভবাৰ থল আছে। গ্ৰন্থৰ ভাষা ঠায়ে ঠায়ে দুৰ্বোধ্য হৈছে আৰু বৰ্ণাশুদ্ধিও নথকা নহয়। গ্ৰন্থখনিৰ মূল্য আমি স্বীকাৰ কৰোঁ আৰু লগতে পৰৱৰ্তী তাঙৰণত "সৰ্বজন হিতাৰ্থে" তাৰ ভাষা সহজ-সৰল আৰু বক্তব্য বিষয় স্পষ্ট হোৱাটো আশা কৰো।

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা।

## ॥ ২. সাহিত্য সমন্বয় ॥

সম্পাদক, কোকৰাঝাৰ সাহিত্য সভা, পৃষ্ঠা ৯৬, দাম—তিনি টকা।

'সাহিত্য সমন্বয়ৰ' সম্পাদক চিত্তৰঞ্জন চৌধুৰীয়ে আগ-কথাত লিখিছে : "অসমৰ পশ্চিম অঞ্চলত সাহিত্য

সধানাৰ পৰিবেশ সৃষ্টি কৰিবৰ কাৰণে কোকৰাঝাৰ সাহিত্য সভাই বিশেষ মনোযোগ দিয়ে। এই উপলক্ষে কোকৰাঝাৰ সাহিত্য সভাই অন্ততঃ বছৰি এখনকৈ কিতাপ প্ৰকাশ কৰাৰ কথা ভাবে। এই অঞ্চলৰ লিখকসকলক উৎসাহিত কৰা আৰু অসমীয়া সাহিত্য জগতলৈ অলপ অৰিহণা আগবঢ়োৱাটোৱেই এই সভাৰ লক্ষ্য।" নকলেও হব, অসমীয়া সাহিত্যলৈ নতুন প্ৰতিভাৰ আগমন এক কঠিন সমস্যা। প্ৰতিষ্ঠিত লেখকৰ লিখনি প্ৰকাশৰ কাৰণে আমাৰ আলোচনীসমূহ (নিয়মীয়া আলোচনী আছেই বা কেইখন; মানদণ্ডৰ কথা বাৰু বাদেই দিলোঁ) তৎপৰ যদিও নতুনক প্ৰকাশৰ সুবিধা দিবলৈ বেছিভাগ আলোচনীয়েই ইচ্ছা নকৰে। অপ্ৰিয় হলেও এষাৰ কথা সঁচা যে গুণগৰ্ভ দিশৰ পৰা উচ্চ প্ৰবন্ধও পেলাই থৈ প্ৰতিষ্ঠিত লেখকৰ গালি গালাজেৰে ভৰপূৰ প্ৰবন্ধ (?) এই আলোচনীবোৰেই কৰে। কোকৰাঝাৰ সাহিত্য সভাই সীমিতভাৱে হলেও এনে প্ৰচেষ্টা হাতত লৈ আদৰ্শনীয় কামকেই কৰিছে। অন্যান্য শাখা-সভাবোৰেও এনেধৰণৰ তথ্যগধুৰ প্ৰবন্ধৰ পুথি উলিয়ালে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল হব।

'সাহিত্য সমন্বয়ত' বিভিন্ন বিষয়ৰ মুঠতে বাৰটা প্ৰবন্ধ আছে। ডঃ মুকুন্দ মাধৱ শৰ্মাৰ 'বিশাখাদত্তৰ মুদ্ৰাৰাক্ষস' নামৰ তথ্যগধুৰ প্ৰবন্ধটিত যুক্তিসন্মতভাৱে প্ৰমাণ কৰিছে যে "বিশাখাদত্ত কামৰূপৰ কবি আছিল আৰু তেওঁ কামৰূপৰাজ অৱন্তিবৰ্মাৰ পৃষ্ঠপোষকতাত নাটখন ৰচনা কৰিছিল বুলি ভাবিবৰ যথেষ্ট থল আছে।" "কালিদাস বিৰচিত গ্ৰন্থসমূহ অধ্যয়ন কৰি কালিদাসৰ সময়ৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থা আৰু কবিৰ ৰাজনৈতিক স্বকীয় চিন্তাধাৰা"ৰ সম্যক ছবি যথেষ্ট উদ্ধৃতিৰে দাঙি ধৰা অশোককুমাৰ গোস্বামীৰ প্ৰবন্ধটি নিঃসন্দেহে এটি ৰসাল প্ৰবন্ধ। অধ্যক্ষ ৰজনীকান্ত শৰ্মা আৰু উপেন্দ্ৰ বৰাৰ শিক্ষা সম্পৰ্কীয় প্ৰবন্ধ দুটিত চিন্তাৰ খোৰাক আছে। হৰিনাথ শৰ্মাদলৈৰ 'অজামিলোপাখ্যান' প্ৰবন্ধটিৰ মূল বক্তব্যক আৰু অধিক যুক্তি নিৰ্ভৰ কৰাৰ থল আছিল যদিও অগতানুগতিক অধ্যয়নৰ স্বাক্ষৰ আছে। সমগ্ৰ সংকলনখনিৰ ভিতৰত "গোৱালপৰীয়া ফকৰা-যোজনা" এটি ভিন্নমুখী প্ৰবন্ধ; কিন্তু প্ৰবন্ধটি আৰু বেছি উন্নত কৰাৰ সুবিধা আছিল।

'সাহিত্য সমন্বয়' এটি সুন্দৰ প্ৰচেষ্টাৰ ফলশ্ৰুতি যদিও এনেধৰণৰ সংকলনত থলুৱা বৈশিষ্ট্য, সমস্যা আদিৰ বিজ্ঞানসন্মত আলোচনা সন্নিবিষ্ট হোৱা উচিত। গোৱালপৰীয়া লোকগীতৰ কোনো আলোচনা 'সাহিত্য সমন্বয়'ত নপকাৰ কাৰণ বুজা নেযায়। একেদৰে বড়ো-কছাৰী অধ্যুষিত গোৱালপাৰাত বড়ো-কছাৰী সংস্কৃতিৰ ছবি থকা অলোচনাও প্ৰত্যেকেই আশা কৰিব। 'সাহিত্য সমন্বয়' প্ৰথম প্ৰচেষ্টাহে; পৰৱৰ্ত্তী সংগ্ৰহত এনেধৰণৰ আলোচনাও সন্নিবিষ্ট কৰিলে, সংগ্ৰহৰ গুৰুত্ব বাঢ়িব বুলি মোৰ ধাৰণা।

কোকৰাঝাৰ সাহিত্য সভাৰ সভাপতি, কোকৰাঝাৰ কলেজৰ অধ্যক্ষ ফণীন্দ্ৰনাথ ব্ৰহ্মৰ "কোঃ সাঃ সঃৰ বিষয়ে দুআষাৰ"ৰ সমকালীন গোৱালপাৰাৰ বিষয়ে বহুত খবৰ আছে। তাৰে কিছু উদ্ধৃতি কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।— (কোকৰাঝাৰত) "সাহিত্য সভা নেথাকিলেও, অসমীয়া ভাষা বা সাহিত্যই একমাত্ৰ শিক্ষা নাইবা বাইজৰ মাজত যোগাযোগৰ মাধ্যম আছিল। ইয়াৰ বিকল্প চিন্তা কৰাৰ কোনো প্ৰশ্নই অহা নাছিল। পিছে আজিৰ কোকৰাঝাৰ, তাহানিৰ কোকৰাঝাৰৰ লগত বহুতো বিষয়ত বহুতো পৰিমাণে অমিল। ........আজিৰ কোকৰাঝাৰ একমাত্ৰ অসমীয়া ভাষ-ভাষী ৰাইজৰ কোকৰাঝাৰ নহয়। ৰাজনৈতিক আৰু ভৌগোলিক অসমৰ চাৰিসীমাৰ মাজত থাকিও কোকৰাঝাৰৰ বহুতো ৰাইজৰ দৃষ্টি-ভংগী আজি অসম আৰু অসমীয়াৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতিকূলে যোৱা দেখা গৈছে। এই প্ৰতিকূল বাতাবৰণ আজি কিছু বছৰৰ পৰা সৃষ্টি হৈ আহিছে। বড়োসকলৰ মাজত ৰাজনৈতিক চেতনা, স্কুলবোৰত বড়ো মাধ্যমৰ প্ৰচলন আৰু অলপতে অসমৰ কলেজবোৰত অসমীয়া মাধ্যমৰ প্ৰবৰ্তনে এই প্ৰতিকূল আবহাওৱাৰ সোঁত আৰু বেছিকৈ প্ৰবল কৰিছে।..............।

"যি কি কাৰণতে নহওক, অসমৰ আদি অসমীয়া বড়ো সকলৰ এচামৰ মনত যি অসমীয়া বিৰোধী মনোভাৱে দেখা দিছে সেইটো দূৰীভূত কৰিবই লাগিব। চৰকাৰ নাইবা কোনো ৰাজনৈতিক দলতকৈও এই বিষয়ত অসম সাহিত্য সভাৰহে দায়িত্ব অধিক। ভাষা আৰু সাংস্কৃতিক বিনিময় আৰু মিলনৰ দ্বাৰাহে বড়ো আৰু অসমীয়া এক হব পাৰে। বড়োসকল অসমৰ এটি উল্লেখ যোগ্য ভাষা গোষ্ঠী। অসমীয়া ভাষা কৃষ্টি তেওঁলোকৰ ভাষা-কৃষ্টিৰ প্ৰভাৱ যথেষ্ট। গতিকে তেওঁলোকক বাদ দি অসমীয়া জাতি হব নোৱাৰে। কিছু ৰাজনৈতিক চক্ৰান্ত, কিছু বাহিৰা প্ৰাদুৰ্ভাৱ আৰু কিছু আত্মজাগৰণ আদিৰ প্ৰভাৱত বড়োসকলৰ কিছুমানে নিজক অসমীয়াৰ পৰা পৃথক বুলি ভাবিলেও, তেওঁলোক মূলতঃ অসমীয়াই। তেওঁলোকে অসমীয়া ভাষা সাহিত্যক আতৰত ৰাখি বড়ো ভাষা সাহিত্যৰ উন্নতি কৰিব নোৱাৰে। এই দুই সংস্কৃতি এনেকুৱা ওতঃপ্ৰোতঃ ভাৱে মিহলি হৈ আছে যে এটাক বাদ দি আনটোৰ প্ৰগতি বা প্ৰসাৰ চিন্তাৰ বাহিৰত।

এই সমস্যাবোৰ দূৰ কৰিবলৈ অসম সাহিত্য সভাই উপযুক্ত ব্যৱস্থা হাতত লোৱা উচিত। বড়োসকলৰ মনত এই চেতনা জগাই তোলাৰ দায়িত্ব সাহিত্য সভাৰ। কোকৰাঝাৰ সাহিত্য সভাৰ সমস্যা সেই কাৰণে বহুত আৰু সেই ফালৰ পৰা দায়িত্বও বহুত।" মোৰ নিজস্ব মন্তব্য—ব্ৰহ্মৰ কথাখিনি গুৰুত্ব সহকাৰে পৰ্য্যালোচনা কৰি হাতে-কামে লাগিবৰ হ'ল।

কোকৰাঝাৰ সাহিত্য সভালৈ 'সাহিত্য সমন্বয়'ৰ বাবে অভিনন্দন জনাইছোঁ।

শ্ৰীৰমেশ পাঠক

(৪৪ পৃষ্ঠাৰ পিচৰ পৰা)

আচুতীয়াকৈ ৰখা হৈছে সেই কথা জানিব নোৱাৰিহে আমাৰ মনটো উচপিচাই আছে। কুৰিকোটি টকা লৈ আমি নিশ্চয় মুখ নেমেলোঁ। এককোটি টকা পালেও বহুত বুলি ভাবিম। আমাৰ ৰাজ্যিক চৰ্কাৰ আৰু অসম সাহিত্য সভাই নেৰানেপেৰাকৈ থাকিলে সুফল পোৱা যাব পাৰে। ঘহঁতে ঘহঁতে শিলো ক্ষয় যায়।



## ॥ ৩. দেৱভূমি বদ্ৰীনাথৰ পৰা দেৱী কন্যাকুমাৰী ॥


লেখিকা : **শ্ৰীমতী নিৰুপমা কটকী** ; প্ৰকাশকঃ শ্ৰীশিৱ প্ৰসাদ কটকী, হিলছাইড চেনীকুঠী, গুৱাহাটী ; প্ৰথম প্ৰকাশ, ১৯৭৩ চন ; পৃষ্ঠা সংখ্যা ট+১৭২ ; বেচ— পাঁচ টকা।

শ্ৰীমতী নিৰুপমা কটকীৰ দেৱভূমি বদ্ৰীনাথৰ পৰা দেৱী কন্যাকুমাৰী নামৰ ভ্ৰমণ কাহিনীখন পঢ়ি আনন্দ পালোঁ। লেখিকাই সহজ সৰল ভাষাত হিমালয়, উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতত স্থিত ভালেমান বিখ্যাত তীৰ্থ স্থানৰ বিৱৰণ আৰু তাৰ লগতে ভাৰতৰ আন কিছুমান ঠাইৰ বৰ্ণনাও সন্নিৱেশ কৰিছে। তদুপৰি যাত্ৰাপথত লগ পোৱা কিছুমান লোক যেনে— কৰ্ণপ্ৰয়াগৰ ল'ৰা চকীদাৰ, কাশীৰ দিদিমা, বাঙ্গালোৰৰ সুৰেশ আদিৰ জীৱনৰ একো একোটি চিত্ৰই পুথিখনৰ আকৰ্ষণ বঢ়াইছে।

পুথিখনিত চিত্ৰ সন্নিৱেশ কৰা হলে আৰু আকৰ্ষণ বাঢ়িলহেঁতেন। দ্বিতীয়তে, বিভিন্ন অধ্যায়ৰ মাজত কাহিনীবোৰ বিভক্ত কৰিব লাগিছিল। ঠায়ে ঠায়ে বৰ্ণাশুদ্ধি আৰু ভাষাৰ ভুল চকুত পৰিছে। পুথিখনিৰ নাম দেৱভূমি বদ্ৰীনাথৰ পৰা দেৱী কন্যাকুমাৰীলৈ' হোৱা হলে ভাল আছিল। আশা কৰোঁ—পুনৰ্মুদ্ৰিত হলে এইখিনি আসোঁৱাহ আঁতৰিব।

তীৰ্থ ভ্ৰমণকাৰীসকলৰ কাৰণে পুথিখন উপাদেয় হৈছে। ইয়াৰ বহুল প্ৰচাৰ কামনা কৰিলোঁ।

—উপগুপ্ত



## পত্ৰিকাৰ বিষয়ে

আমাৰ সহৃদয় লেখক লেখিকা আৰু পঢ়ুৰৈ সমাজক অতি দুখেৰে জনাব লগীয়া হৈছে যে কাগজৰ দুষ্প্ৰাপ্যতাৰ কাৰণে পত্ৰিকাখন সময়মতে উলিয়াব পৰা নাই। সেই কাৰণে সমসাময়িক দুই এটি কথা বাদ দি পিছৰ দুই এটি কথা উল্লেখ কৰা হৈছে। দ্বিতীয়তে প্ৰাপ্ত কাগজৰ মূল্য অতিপাত বৃদ্ধি হোৱাত আৰু লগতে পত্ৰিকাৰ অৱিহণাও আগৰদৰে ৰাখিব লগীয়া হোৱাত আমাৰ অনিচ্ছাকৃতভাৱেই পত্ৰিকাৰ কলেৱৰ সৰু কৰিব লগীয়া হৈছে। ইয়াৰ ফলত মনোনীত প্ৰবন্ধও প্ৰেছৰ পৰা ঘুৰাই আনিব লগা হৈছে। অৱশ্যে তেনে প্ৰবন্ধ পিছৰ সংখ্যাবোৰত প্ৰকাশ কৰাৰ কথা ভবা হৈছে। ইয়াৰ বাবে আমি সদৌ লেখক আৰু পাঠক সমাজৰ ওচৰত ক্ষমা ভিক্ষা কৰিছোঁ। আশা কৰোঁ তেখেতসকলে পূৱৰ দৰেই পত্ৰিকাখনক নিজৰ আলোচনী বুলি মৰমৰ চকুৰে চাব।

## ॥ ৪. সংস্কৃত সাহিত্যৰ জিলিঙণি ॥

লেখক : **শ্ৰীকামাখ্যা চৰণ ভাগৱতী**, এম,এ,বি,টি : প্ৰকাশক শ্ৰীনীহাৰেন্দ্ৰ চৌধুৰী, গ্ৰন্থপীঠ, পানবজাৰ, গুৱাহাটী-১ ; প্ৰথম প্ৰকাশ ১৯৭৩ ; পৃষ্ঠা সংখ্যা ১৮+ ৩২৪ ; মূল্য— দহ টকা।

অসমীয়া ভাষাত সংস্কৃত ভাষা সাহিত্যৰ পুথি বৰ কম ৰচিত হৈছে বুলি ক'ব লাগিব। অসমীয়া পাঠকে মাতৃভাষাত সংস্কৃত সাহিত্যৰ পৰিচয় জ্ঞাপক পুথি আজি ইমান দিনলৈ পোৱা নাছিল। সুখৰ বিষয় শ্ৰীভাগৱতীয়ে সংস্কৃত সাহিত্যৰ জিলিঙণি লিখি সেই অভাৱ বহু পৰিমাণে পূৰালে। এই গ্ৰন্থত লিখকে উনৈশটা অধ্যায়ৰ ভিতৰত সংস্কৃত সাহিত্যৰ প্ৰতিটো যুগ আৰু বৈদিক সাহিত্যৰ পৰা আৰম্ভ কৰি সংস্কৃত সাহিত্যৰ বিভিন্ন বিষয়ক গ্ৰন্থৰ পৰিচয় দাঙি ধৰিছে। তদুপৰি আগকথাত সংস্কৃত ভাষাৰ ইতিবৃত্ত আৰু পৰিশিষ্টত সংস্কৃত সাহিত্যৰ কেইগৰাকীমান গ্ৰন্থকাৰ আৰু কেইখন মান পুথিৰ চমু পৰিচয় দিয়াত কিতাপখনিৰ শ্ৰেষ্ঠত্ব চৰিছে। ডক্টৰ যোগীৰাজ বসুৰ ভাষাত "কিতাপখন সংস্কৃত সাহিত্যৰ সকলো দিশৰ পূৰ্ণাঙ্গ ইতিহাস বুলি ক'ব পাৰি। লিখকে প্ৰতিটো যুগৰ আৰু দিশৰ সঠিক বিৱৰণ দিবলৈ চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই। ইয়াৰ ভাষা সাৱলীল আৰু সন্তোষজনক।"

পুথিখনে সংস্কৃত সাহিত্যৰ ন পঢ়ুৰৈ বিশেষকৈ স্নাতক আৰু স্নাতকোত্তৰ মহলাৰ সংস্কৃতৰ ছাত্ৰ-ছাত্ৰীক বিশেষ ভাৱে সহায় কৰিব। লিখকে ইতিমধ্যে অসমীয়া ভাষাত সংস্কৃত নাট্য সাহিত্য নামৰ এখনি উপাদেয় গ্ৰন্থ ৰচিছে। এনেদৰে 'সংস্কৃত সাহিত্যৰ ৰূপৰেখা অসমীয়া পাঠক সমাজৰ আগত দাঙি ধৰিবলৈ লেখকে যি সুন্দৰ প্ৰচেষ্টা চলাইছে, তাৰ বাবে তেওঁক অভিনন্দন জনালোঁ। পুথিখনি সমাদৃত হ'ব বুলি আশা কৰিছোঁ।

—উপগুপ্ত


সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

# নতুন প্ৰৱাহ

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙণি—১২'০০ টকা
প্ৰতি সংখ্যা—১.০০ টকা
এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেণ্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক

'নতুন প্ৰৱাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত
এনেয়ে হোৱা অলাগতীয়াল খৰছৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—

পৰিচালক : 'নতুন প্ৰৱাহ'
জয়া প্ৰেছ
কমাচল ৰোড
গুৱাহাটী-৩

# Some Opinions of World-renowned Scholars

about

**KANAKLAL BARUA'S**

# STUDIES IN THE EARLY HISTORY OF ASSAM

*Edited by Dr Maheswar Neog*

Dr Suniti Kumar Chatterji, National Professor of India in Humanities : writing to the Editor of the Volume :

> Kanaklal Barua was one of the makers of Assam...who formed a galaxy of eminent personalities, who shed lustre on the whole of India during the 19th-20th centuries. Your Introduction is brilliant and most informative, worthy both of Kanaklal Barua and yourself. This is a precious volume to keep.

Dr Ramesh Chandra Majumder, the eminent historian and Professor :

> This collection...would prove very useful to scholars in the history of Assam. I think you have chosen the best way of perpetuating the memory and offering tributes to his scholarship.

Dr D. C. Sircar, Carmichael professor of Ancient Indian History and Culture, Calcutta University :

> The book, the get-up of which is nice, will be useful to the students of early Assamese history.

Dr Sukumar Sen, Retired Khaira Professor Linguistics, etc, Calcutta University :

> I congratulate Assam Sahitya Sabha for bringing out the excellent book

Professor K. D. Bajpai, Professor of Ancient Indian History, Culture and Archaeology, University of Sagar :

> You have indeed done a commendable job by bringing out this handy publication.

Dr K. K. Dutta, historian and formerly Vice-Chancellor, Patna University :

> I must respectfully congratulate those who have brought out this volume.
> I have read it with great profit and pleasure.

Reviews are shortly to be published in different Oriental and Historical Research Journals of India.

Pages Royal 8vo 14 + XX + 342 Price Rs. 20·00

*To be had of :*

**ASAM SAHITYA SABHA**

Bhagavatiprasad Barua Bhavan
Gauhati-1

Chandrakanta Handique Bhavan
Jorhat-1


সম্পাদক, হেমন্তকুমাৰ শৰ্মা। মূল্য—দুই টকা।